● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩


# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

কুৰি বছৰ পাছত
আজি আপুনি কৰা
কামবোৰতকৈ নকৰা
কামবোৰৰ বাবেহে
বেছি হতাশ হ'ব।

মাৰ্ক টোৱেইন
*মাৰ্কিন লেখক*




www.dainikagradoot.in

৭ কৰ'নাৰ সংক্ৰমণ বৃদ্ধি চীনত, ছাংহাইত তলাবন্ধ
১৫ বৰদলৈ ট্ৰফীৰ ছেমিফাইনেলত ইণ্ডিয়া ক্লাব
৪ কেজৰিৱালৰ যাদু গণতন্ত্ৰত শনিৰ দশা চলিছে

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১৬৯তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ১৪ চ'ত ১৪২৮ ভাস্কৰাব্দ ২৯ মাৰ্চ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 29 March 2022 মূল্য ঃ ৯.০০ টকা

## ভিতৰৰ পৰা

■ সঞ্জীৱ সভাপণ্ডিত



**ওখ** পকাৰ ঘৰটোৰ বেৰখনৰ এঠাইত এদিন গছপুলি এটা গজি উঠিল। মাটিৰ পৰা বহু ওখত, চাৰি মহলাত লেট্ৰিনৰ পাইপৰ ব্ৰেকেট লাগি থকা ঠাইতে আঁহত গছৰ পুলিটো— কাৰো চকুত পৰা নাছিল। নপৰিবৰে কথা। সচৰাচৰ মানুহৰ চকুত পৰা ফাল সেইটো নহয়। ঘৰৰ গৃহস্থইও গম নাপালে কথাটো। বাহিৰৰ ফালেনো ক'ত চোৱা যায়!

এদিন বৰষুণ দিলে আৰু ঘৰখনৰ মানুহে মন কৰিলে যে বেৰ এখনেদি ১০ পৃষ্ঠাত চাওক

অৱশেষত অসম চৰকাৰৰ হাতলৈ নগাঁও-কাছাৰ কাগজ কল ■ লিকুইডেটৰক ধন আদায়

# ৩৭৫ কোটিত কাগজ কল ক্ৰয় দিছপুৰৰ

**কৰ্মচাৰীৰ প্ৰাপ্য আদায়ৰ বাবে প্ৰয়োজন সাতশ কোটিৰ ঃ মন্ত্ৰী**

অগ্ৰদূত বাৰ্তা

**জাগীৰোড, ২৮ মাৰ্চ ঃ** অৱশেষত বহু জল্পনা-কল্পনাৰ অন্তত অসম চৰকাৰে ক্ৰয় কৰিলে হিন্দুস্তান কাগজ নিগমৰ নগাঁও আৰু কাছাৰ কাগজ কল। হিন্দুস্তান কাগজ নিগমৰ নগাঁও আৰু কাছাৰ কাগজ কলৰ বাবে



লিকুইডেটৰে নিলামৰ বাবে ধাৰ্য কৰা ধন আদায় দি দুয়োটা কলৰ সকলো সম্পত্তি ক্ৰয় কৰে অসম চৰকাৰে। লিকুইডেটৰে নিলামৰ বাবে ধাৰ্য কৰা ৩৭৫ কোটি টকাত অসম চৰকাৰৰ হৈ ক্ৰয় কৰাৰ বাবে নিলাম প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰে অসম উদ্যোগিক উন্নয়ন নিগমে। আজি সন্ধিয়া নগাঁও কাগজ কলত উপস্থিত হৈ এই কথা ঘোষণা কৰে উদ্যোগ মন্ত্ৰী চন্দ্ৰমোহন ১০ পৃষ্ঠাত চাওক

■ কেন্দ্ৰীয় চৰকাৰৰ নীতিৰ প্ৰতিবাদত আন্দোলন ■ জিলাই জিলাই বহু বন্ধ সমৰ্থকক আটক ■ স্তব্ধ ৰাজহুৱা অধিকাংশ বেংকৰ কাম

# ৰাজ্যজুৰি সৰ্বাত্মক ধৰ্মঘটৰ প্ৰভাৱ, ব্যাহত হৈ পৰিল সাধাৰণ জীৱনযাত্ৰা

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৮ মাৰ্চ ঃ** কেন্দ্ৰীয় ট্ৰেড ইউনিয়ন আৰু কৰ্মচাৰী ফেডাৰেছনসমূহে আজিৰে পৰা আহ্বান জনোৱা দুদিনীয়া সাধাৰণ ধৰ্মঘটৰ সৰ্বাত্মক প্ৰভাৱ পৰে দেশৰ অন্যান্য ৰাজ্যৰ লগতে অসমতো। অসমৰ বিভিন্ন জিলাত শ্ৰমিক সংগঠনসমূহে বিভিন্ন প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। গুৱাহাটী মহানগৰীতো ধৰ্মঘটৰ মিশ্ৰিত প্ৰভাৱ পৰিলক্ষিত হয়। মহানগৰীৰ কোনো কোনো অংশত বন্ধ সৰ্বাত্মক হোৱাৰ বিপৰীতে আন একাংশত বিশেষ প্ৰভাৱ পৰা দেখা নগ'ল। আঠ পৃষ্ঠাত চাওক

■ ৰাজ্যসভাক লৈ শাসক-বিৰোধীৰ তৎপৰতা ■ পঞ্চতাৰকা হোটেলত শাসকীয় মিত্ৰজোঁটৰ ভোটদানৰ আখৰা ■ দ্বিতীয়খন আসনতো এটা-দুটা নহয় ভাল ভোটত জয়লাভৰ দাবী মুখ্যমন্ত্ৰীৰ

# শাসকপক্ষৰ সভাত কংগ্ৰেছ বিধায়ক



*ন্যায্য প্ৰাপ্য আদায়ৰ দাবীত আশাকৰ্মীৰ অৱস্থান ধৰ্মঘট, মহানগৰীৰ চচলত সোমবাৰে।*

ৰিপুন বৰাৰ জয় নিশ্চিত বুলি দাবী কংগ্ৰেছৰ ■ মাত্ৰ দুঘণ্টাৰ বাবেহে গুৱাহাটীত ড° শৰ্মা

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৮ মাৰ্চ ঃ** অহা ৩১ মাৰ্চত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যসভাৰ অসমৰ দুখন আসনক লৈ শাসক আৰু বিৰোধীৰ মাজৰ তৎপৰতাই আকৰ্ষণীয় ৰূপ লৈছে। এই নিৰ্বাচনৰ তত্ত্বাৱধান কৰিবলৈ দিল্লীৰ পৰা আহি গুৱাহাটীত উপস্থিত হৈছে নিখিল ভাৰত কংগ্ৰেছ কমিটী (এপিচিচি)ৰ সাধাৰণ সম্পাদক তথা দলৰ অসমৰ তত্ত্বাৱধায়ক জিতেন্দ্ৰ সিং। যোৱা নিশাৰে পৰা সিঙৰ নেতৃত্বত কংগ্ৰেছৰ উপৰি ইয়াৰ মিত্ৰ দলকেইটাৰ মাজতো অনুষ্ঠিত হৈছে এখনৰ পাছত আনখন বৈঠক। বিৰোধী বিশেষকৈ কংগ্ৰেছে দ্বিতীয়



আসনখনত ৰিপুন বৰাৰ জয় নিশ্চিত বুলি পতিয়ন গৈছে। ইয়াৰ মাজতে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দাবী কৰে যে দুয়োখন আসনতে বিজেপিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীয়েই বিজয়ী হ'ব। বিশেষকৈ দ্বিতীয় আসনখনৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয় যে সাধাৰণভাৱে এটা বা দুটা ভোটত নহয়, ভাল ভোটত তেওঁলোকৰ প্ৰাৰ্থীগৰাকী বিজয়ী হ'ব। তাৰ বাবে কোনে ভোট দিব বুলি প্ৰশ্ন কৰাত শৰ্মাই সাংবাদিকক কয়, 'ভোট দিবলৈ বহু মানুহ আছে। এআইইউডিএফক বাদ দি আৰু বিধায়ক আছে। সেইকাৰণে জিকিম বুলি আমি নিশ্চিত। সেইবুলি মোক ছয় পৃষ্ঠাত চাওক

## ফ্ৰান্সত আশ্ৰয় যুদ্ধবিধ্বস্ত ইউক্ৰেইনৰ ৩০ হেজাৰ নাগৰিকৰ

স্পেইন-পৰ্তুগালতো বৃদ্ধি শৰণাৰ্থীৰ সংখ্যা

■ নিউজ ব্যুৰ'


**পেৰিছ, ২৮ মাৰ্চ ঃ** ইউক্ৰেইনত ৰুছ সেনাৰ অভিযানত ক্ৰমাৎ চাপ বৃদ্ধি পাইছে ইউৰোপৰ ওপৰত। পোলেণ্ড, হাংগেৰী, ৰোমানিয়া, শ্ল'ভাকিয়া, মলড'ভাৰ সীমান্ত অতিক্ৰম কৰি ১০ পৃষ্ঠাত চাওক


## আৰক্ষীৰ পিষ্টল কাঢ়ি গুলিবিদ্ধ ড্ৰাগছ সৰবৰাহকাৰী

শিলচৰৰ পৰা অনা চাৰে তিনি কোটিৰ ড্ৰাগছ জব্দ

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ২৮ মাৰ্চ ঃ** এইবাৰ ৰঙিয়াত সংঘটিত হ'ল আৰক্ষীৰ গুলিচালনাৰ ঘটনা। আৰক্ষীৰ পিষ্টল কাঢ়ি গুলিবিদ্ধ হৈ গুৰুতৰভাৱে আহত হয় আৰক্ষীৰ 'ম'ষ্ট ৱাণ্টেড' ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩১° | ২২° |
| ডিব্ৰুগড় | ২৬° | ১৯° |
| দিল্লী | ৩৯° | ২২° |
| কলকাতা | ৩৭° | ২৬° |
| মুম্বাই | ৩২° | ২৭° |
| চেন্নাই | ৩৩° | ২৮° |
| বাংগালুৰু | ৩৩° | ২১° |
| শ্বিলং | ১৯° | ১৪° |

*২৮ মাৰ্চ, ২০২২*

■ মুখ্যমন্ত্ৰীৰ আহ্বানলৈ সঁহাৰি নাই ■ আৰক্ষীৰে সংঘৰ্ষক লৈ উত্তপ্ত হ'ল বিধানসভা ■ এই পৰ্যন্ত ২৯জনৰ মৃত্যু-৯৬জন আঘাতপ্ৰাপ্ত

## পিএছঅ' এৰিলে শাসক দলৰ মাত্ৰ দুজন বিধায়ক, এজন সাংসদেহে

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৮ মাৰ্চ ঃ** ৰাইজৰ প্ৰতিনিধিক ৰাইজেই সুৰক্ষা দিব বুলি মুখ্যমন্ত্ৰীয়ে ৰাজনৈতিক দলৰ নেতাসকলক ব্যক্তিগত নিৰাপত্তাৰক্ষী (পিএছঅ') স্বেচ্ছাই প্ৰত্যাহাৰৰ বাবে জনোৱা আহ্বানে অতি ক্ষীণ সঁহাৰি লাভ কৰিলে। নিৰাপত্তাহীনতা, সামাজিক প্ৰতিপত্তি প্ৰদৰ্শন আদিকে ধৰি যিকোনো কাৰণতে নহওক কিয় গৰিষ্ঠসংখ্যক জনপ্ৰতিনিধিয়ে ব্যক্তিগত নিৰাপত্তাৰক্ষী প্ৰত্যাহাৰ কৰিবলৈ ইচ্ছুক নহয়। অসম বিধানসভাতে আজি এই তথ্য স্পষ্ট হয়। আনহাতে, ৰাজ্যত আৰক্ষীৰে সংঘৰ্ষত বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালত এই পৰ্যন্ত ৰাজ্যত ২৯ জন লোক নিহত আৰু ৯৬ জন আহত হোৱাৰ তথ্য একেটা প্ৰসংগতে পোহৰলৈ আহে। এই দুয়োটা বিষয়ৰ দুই পৃষ্ঠাত চাওক

## ওদালগুৰিৰ শংকৰদেৱ সত্ৰত নিশা দুৰ্বৃত্তৰ তাণ্ডৱ



বিশেষ সংবাদদাতা

**ওদালগুৰি, ২৮ মাৰ্চ ঃ** ওদালগুৰিৰ শ্ৰীমন্ত শংকৰদেৱ সত্ৰত যোৱা নিশা সংঘটিত হয় চাঞ্চল্যকৰ ঘটনা। সত্ৰৰ মূল নামঘৰত দুৰ্বৃত্তই প্ৰৱেশ কৰি হাত দিলে ১০ পৃষ্ঠাত চাওক

বিধানসভাৰ নতুন সংযোজন ■ কমিছনৰ অংক বুলি কটাক্ষ অখিলৰ

## মানুহৰ খাবলৈ নাই, ভেনিটি ভানত উঠি প্ৰসাধন কৰিলে গৰু পিটন দিব!

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৮ মাৰ্চ ঃ** অসম বিধানসভাত এইবাৰ সংযোজিত হ'ল ভেনিটি ভান। বিধায়কৰ চলাচলৰ সুবিধাৰ্থে চলিত বিধানসভা অধিবেশনত সংযোজন কৰা হয় কে'বাখনো গল্ফ কাৰ্ট। ইয়াৰ পাছতে আজি অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে মুকলি কৰে এখন ভেনিটি ভান। এখন ছয়চকীয়া ট্ৰাকত সাজি লোৱা শীত তাপ নিয়ন্ত্ৰিত ভানখনত আছে আৰামী বিচনা, আৰামী চকী, ১০ পৃষ্ঠাত চাওক



## টে'টৰ জাল প্ৰমাণপত্ৰৰে জড়িতৰ অভিযোগত প্ৰধান শিক্ষকক গ্ৰেপ্তাৰ

চিআইডিৰ অভিযান



অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২৮ মাৰ্চ ঃ** জালিয়াতিৰ আশ্ৰয় লৈ শিক্ষকতাৰ দৰে পবিত্ৰ বৃত্তিক কলংকিত কৰি পলাতক হৈ থকা মৰিগাঁৱৰ এজন প্ৰধান শিক্ষকক অৱশেষত চিআইডিয়ে গ্ৰেপ্তাৰ কৰিলে। আজি গুৱাহাটীৰ পৰা চিআইডিয়ে অভিযুক্ত প্ৰধান ১০ পৃষ্ঠাত চাওক

প্লেকাৰ্ড লৈ অধ্যক্ষৰ সন্মুখত তীব্ৰ প্ৰতিবাদ

## মূল্যবৃদ্ধিক লৈ বিৰোধীৰ সভাস্থগিত প্ৰস্তাৱ, অনুমতি নিদিয়াত সদন ত্যাগ

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৮ মাৰ্চ ঃ** সৰ্বস্তৰত হোৱা মূল্যবৃদ্ধিয়ে সাধাৰণ ৰাইজক জ্বলা-কলা খুৱাইছে। মূল্যবৃদ্ধি নিয়ন্ত্ৰণত কেন্দ্ৰ-ৰাজ্য চৰকাৰ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে। মূল্যবৃদ্ধিক লৈ আজি অসম বিধানসভাৰ চলিত বাজেট অধিবেশনত বিৰোধীয়ে বিষয়টো আলোচনাৰ বাবে এক সভাস্থগিত প্ৰস্তাৱ উত্থাপন কৰে। প্ৰস্তাৱটো দাখিলত পাঁচ মিনিট পলম হোৱাৰ কাৰণ ১০ পৃষ্ঠাত চাওক

■ কাম নকৰাকৈ উলিয়াই নিছে আঁচনিৰ ধন

## পাঁচ শতাংশ কমিছন দিলে পায় জল জীৱনৰ ঠিকা

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৮ মাৰ্চ ঃ** ৰাজ্যত জল জীৱন মিছনৰ সম্প্ৰতি মুঠ ১৫ লাখ ৮৩ হেজাৰ ৬৪৭টা বাসগৃহত পানীৰ সংযোগ কৰা হৈছে বুলি আজি বিধানসভাত সদৰী কৰে জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী ৰঞ্জিত দাসে। অৱশ্যে পানীৰ কল লগালেও এই সকলোবোৰ কলেৰে ৰাইজে ছয় পৃষ্ঠাত চাওক

## পেট্ৰ'লৰ মূল্যই নগাঁৱত পাৰ কৰিলে শতকৰ ঘৰ

বিশেষ সংবাদদাতা

**নগাঁও, ২৮ মাৰ্চ ঃ** ৰাজ্যখনৰ বিভিন্ন স্থানৰ সমান্তৰালকৈ নগাঁও জিলাতো পেট্ৰ'ল- ডিজেলৰ মূল্য অভাৱনীয়ভাৱে ১০ পৃষ্ঠাত চাওক

■ নকল প্ৰস্তুত কৰি বিক্ৰী কৰা দুজনো ধৃত

## বৰপেটাৰ নগাঁও পৰীক্ষা কেন্দ্ৰত নকলৰ বজাৰ পতা শিক্ষকক গ্ৰেপ্তাৰ আৰক্ষীৰ

বিশেষ সংবাদদাতা

**বৰপেটা, ২৮ মাৰ্চ ঃ** স্বয়ং শিক্ষকেই পৰীক্ষা কেন্দ্ৰত নকল যোগানত নমা ঘটনাই ৰাজ্যৰ শিক্ষা ব্যৱস্থাকে লজ্জানত কৰিলে। এইদৰে পৰীক্ষাৰ্থীক নকল যোগান ধৰাৰ অভিযোগত আজি বৰপেটা জিলাৰ এজন শিক্ষকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। বৰপেটা জিলাৰ নগাঁৱৰ শিক্ষামন্দিৰ হাইস্কুল পৰীক্ষা কেন্দ্ৰত চলিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ আজিৰ সমাজ বিজ্ঞানৰ পৰীক্ষাত নকল যোগান ধৰা অৱস্থাতে এজন শিক্ষকক বৰপেটা সদৰ আৰক্ষী থানাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে ১০ পৃষ্ঠাত চাওক

## গো-সুৰক্ষা আইনৰ অধীনত গ্ৰেপ্তাৰ ৩৬১ চোৰাংবেপাৰীক

ৰবি ৰেড্ডী পলাতক

ষ্টাফ ৰিপ'ৰ্টাৰ


**গুৱাহাটী, ২৮ মাৰ্চ ঃ** অসমত গৰুৰ চোৰাং সৰবৰাহ ৰোধ তথা গোধনৰ সুৰক্ষাৰ বাবে বৰ্তমানৰ চৰকাৰে বিগত বৰ্ষত বিধানসভাত অসম গো-সুৰক্ষা আইন গ্ৰহণ কৰিছে। এই আইনৰ অধীনত ৩৬১ জন চোৰাং গৰু ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰা হৈছে আঠ পৃষ্ঠাত চাওক

■ ৰাজনীতি নকৰিবলৈ চৰকাৰক সকীয়নি ■ নিৰ্বাচনৰ পাছত পাভলুটি মাৰিলে বিজেপিয়ে

## শীঘ্ৰে জনজাতিকৰণৰ দাবী চুতীয়া ছাত্ৰ সন্থাৰ


ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৮ মাৰ্চ ঃ** জনজাতিকৰণক লৈ ৰাজনীতি নকৰিবলৈ চৰকাৰক সকীয়নি দিলে সদৌ অসম চুতীয়া ছাত্ৰ সন্থাই। অন্যথা বিজেপিক শাসনৰ গাদীৰ পৰা ওফৰাবলৈ অসমৰ গাঁৱে-



ভূঞে বসবাস কৰা চুতীয়াসকলক একত্ৰিত কৰিব সন্থাই। আজি স্বায়ত্তশাসন তথা জনজাতিকৰণৰ দাবীত গুৱাহাটীৰ চচল প্ৰতিবাদথলীত অৱস্থান কৰি সন্থাই চৰকাৰক এইদৰে সকীয়াই দিয়ে। দুঘণ্টীয়া অৱস্থান ধৰ্মঘট ১০ পৃষ্ঠাত চাওক

## চেঙা তেল



*জটিল বিষয়বিলাকত বিশেষ নক'ব! মহান পণ্ডিত-দাৰ্শনিকৰ ভাও দিলে বিপদহে চপোৱা হ'ব!*

■ পত্নীক ঠাট্টা কৰাৰ ক্ষোভত কৌতুক অভিনেতাক মঞ্চতে চৰ শোধালে শ্ৰেষ্ঠ অভিনেতাৰ বঁটা জয়ী উইল স্মিথে

## অস্কাৰৰ মঞ্চত আকৰ্ষণৰ কেন্দ্ৰবিন্দুত পূৰ্ণহতীয়া চৰ

■ শ্ৰেষ্ঠ ছবি 'কোডা'-শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা জেছিকা চাষ্টেইনলৈ-শ্ৰেষ্ঠ পৰিচালক জেন কেম্পিয়ন



■ নিউজ ব্যুৰ'

**হলিউদ, ২৮ মাৰ্চ ঃ** বিশ্বৰ চিনেমাপ্ৰেমীসকলৰ বাবে পৰম আকাংক্ষিত অভিজাত বঁটা প্ৰদান অনুষ্ঠান অস্কাৰৰ মঞ্চ এইবাৰ এক সম্পূৰ্ণ ভিন্ন বিষয়ৰ বাবে চৰ্চিত হ'ল। ৯৪ সংখ্যক একাডেমী পুৰস্কাৰৰ মঞ্চত এইবাৰ কোনে কি ছবিৰ বাবে বঁটা পালে, কোনে কি পোছাক পৰিধান কৰিলে আদি সদা চৰ্চিত বিষয়ৰ পৰা ফালৰি কাটি এটা পূৰ্ণহতীয়া চৰ



সৰ্বাধিক আকৰ্ষণৰ, চৰ্চা-বিতৰ্কৰ বিষয় হৈ পৰিল। দৰাচলতে আজি ঘোষণা কৰা অস্কাৰৰ মঞ্চত হৈছিল কি? 'কিং ৰিচাৰ্ড' নামৰ ছবিখনত কৰা দুৰ্দান্ত অভিনয়ৰ বাবে ৯৪ সংখ্যক একাডেমী পুৰস্কাৰ মঞ্চত শ্ৰেষ্ঠ অভিনেতাৰ বঁটা লাভ কৰাৰ কিছু সময়ৰ পাছতে অভিনেতা উইল স্মিথে মঞ্চলৈ উঠি গৈ বঁটা প্ৰদান অনুষ্ঠানৰ সঞ্চালক কৌতুক অভিনেতা ক্ৰিছ ৰকক এটা পূৰ্ণহতীয়া চৰ শোধায়। ইয়াৰ কাৰণ হৈছে ১০ পৃষ্ঠাত চাওক

■ হাতত মাৰণাস্ত্ৰ লৈ ১৫জনীয়া দলৰ তাণ্ডৱ

## গৰৈমাৰী চৰত মাতব্বৰৰ গুণ্ডা বাহিনীৰ আক্ৰমণত আহত মহিলাসহ নজন

অগ্ৰদূত বাৰ্তা

**ভূৰাগাঁও, ২৭ মাৰ্চ ঃ** মাতব্বৰৰ দাদাগিৰি আৰু গুণ্ডাৰাজৰ বাবে মৰিগাঁও জিলাৰ ভেলৌগুৰি আৰক্ষী থানাৰ অন্তৰ্গত গৰৈমাৰী চৰ আজি নিৰীহ কৃষকৰ তেজেৰে পুনৰ ৰক্তাক্ত হ'ল। মাতব্বৰৰ আক্ৰমণত আজি গুৰুতৰভাৱে আহত হয় মহিলাসহ নজনকৈ কৃষক। ১০ পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৯ মাৰ্চ, ২০২২ মঙলবাৰ পৃষ্ঠা তিনি

## বিলাসনন্দন চ'ৰা



# ফ্ৰি ডেলিভাৰী

**দিল্লীত** বহিছে এখন দৰকাৰী আৰু জৰুৰী ৰাজসভা। সকলো সভাসদে আহি পুৱাৰে পৰা ৰাজসভাত বহি আছে। কোনে আগেয়ে আহি ৰাজসভাৰ সন্মুখৰ আসন দখল কৰি বাদশ্বাহৰ মুখ কী বাতবোৰ মন দি শুনি থকা বুলি শ্বো কৰিব পাৰি, তাকে লৈ সভাসদবোৰৰ মাজত এখন তয়াময়া কম্পিটিছন চলিছে। বাদশ্বাহে টাইমত আহি নিজৰ সিংহাসনত বহিল আৰু অকণো বিলম্ব নকৰাকৈ আৰম্ভ কৰিলে— 'কেনে দেখিলা ধামাকা?'

ঃ কোনটো ধামাকা জাহাপনা?
ঃ এইমাত্ৰ যে দিলো...!
ঃ মন কী বাত?
ঃ নহয়হে! ৰছদ-পাতি যে ফ্ৰি কৰি দিলো...
ঃ বৰ ভাল হৈছে।
ঃ কি কৈছে পাব্লিকে?
ঃ বৰ ভাল কাম কৰা বুলি কৈছে।
ঃ মোৰ গুণ-গান কৰিছেনে?
ঃ কৰিছে।
ঃ কি কৈছে?
ঃ আপোনাক বৰ মৰমিয়াল বুলি কৈছে।
ঃ আৰু কি কৈছে?
ঃ খুব দয়ালু বুলি কৈছে।
ঃ আৰু কি কৈছে?
ঃ জনদৰদী বুলি কৈছে।
ঃ আৰু কি কৈছে?
ঃ মানৱদৰদী বুলি কৈছে।

বাদশ্বাহৰ চোলাৰ বুটাম এটা



চিৰিংকৈ ছিগি গ'ল বুকুখন ফুলি উঠা কাৰণে। দাড়িকোছা মোহাৰি লৈ আৰু চুলিৰ ওপৰেদি হাতখন বুলাই বাদশ্বাহে ক'লে— 'মই আৰু এটা কাম কৰিম বুলি ভাবিছো!'

ঃ কি কাম জাহাপনা?
ঃ বৰ ডাঙৰ কাম।
ঃ কি?
ঃ মই এটা ঘোষণা কৰিম বুলি ভাবিছো।
ঃ কি ঘোষণা জাহাপনা?
ঃ এতিয়াৰে পৰা সৰ বস্তু ফ্ৰিতে দিয়া হ'ব বুলি ঘোষণা কৰিম।
ঃ ফ্ৰিতে কি দিব?
ঃ সৰ বস্তু দিম।
ঃ চাউল, দাইল দিব নেকি?
ঃ দিম।
ঃ আলু-পিঁয়াজ?
ঃ সৰ ফ্ৰিতে দিম।
ঃ তেল-নিমখ?
ঃ সৰ ফ্ৰিতে?
ঃ কাপোৰ-কানি?
ঃ সৰ ফ্ৰিতে।
ঃ ইমান বস্তু ফ্ৰিতে দিলে কি হ'ব?
ঃ ভোটকেইটাও ফ্ৰিতে পাই যাম।
ঃ খৰচোতো বহু হ'ব?
ঃ নহয়।
ঃ সৰ বস্তু ফ্ৰিতে দিবলৈ গ'লে খৰচতো হ'বই।
ঃ একেবাৰে নহয়।
ঃ তেন্তে?
ঃ খৰচ কমিবহে।
ঃ কেনেকৈ?
ঃ পলিথিনৰ খৰচটো কমি যাব? পেকেজিঙৰ খৰচটো কমি যাব।
ঃ কিয় কমি যাব?
ঃ সেইবোৰৰ দৰকাৰেই নহয়।
ঃ কিয়?
ঃ কোনো বয়-বস্তুকে বান্ধি-বুন্ধি থোঙাত ভৰাই দিয়া নহয়।
ঃ তেন্তে কেনেকৈ দিব?
ঃ কৈছো নহয় ফ্ৰি কৰি দিব। মানে খোলাখুলিকৈ দিব। পেকেটত ভৰাই নিদিয়ে। একেবাৰে ফ্ৰি কৰি দিব। ইয়াকে মই ফ্ৰিতে দিয়া বুলি ক'ম। মুঠতে ২০২৪ লৈ মই টেনছন ফ্ৰি হৈ থাকিব লাগে।

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

# নাজিৰাখাট টোলগেট বন্ধৰ দাবীত সোণাপুৰত ৰাজহুৱা সভা

**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ২৮ মাৰ্চ ঃ** কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীয়ে সংসদৰ মজিয়াত যোৱা ২২ মাৰ্চৰ্ত দেশৰ টোলগেটসমূহৰ সন্দৰ্ভত বক্তব্য প্ৰদানৰ পাছতেই সোণাপুৰৰ নাজিৰাখাট টোলগেটৰ অনিয়ম সন্দৰ্ভত কালি ডিমৰীয়া আছুৰ কাৰ্যালয়ত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত উপস্থিত থকা ৰাজনৈতিক- অৰাজনৈতিক দল-সংগঠনৰ প্ৰতিনিধিসকলে টোলগেটৰ কুপ্ৰভাৱ সন্দৰ্ভত বক্তব্য আগবঢ়ায়। টোলগেটৰ বাবেই সমগ্ৰ ছয় পৃষ্ঠাত চাওক

## ■ নিৰ্মাণ সমিতিক অগ্ৰাহ্য কৰি বিহগুৰি উন্নয়ন খণ্ডত মাটিৰ টিপ নিৰ্মাণৰ দায়িত্ব ঠিকাদাৰক ■ উপায়ুক্তক অভিযোগ দাখিল

# শোণিতপুৰত অনিৰ্ধাৰিত পুঁজিত অনিয়ম

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৮ মাৰ্চ ঃ** দুৰ্নীতিমুক্ত আৰু স্বচ্ছতাক আধাৰৰূপে লৈ উন্নয়নমূলক আঁচনি ৰূপায়ণৰ কথা কোৱা চৰকাৰৰ কাৰ্যকালত ৰাইজে গঠন কৰি দিয়া নিৰ্মাণ সমিতি অগ্ৰাহ্য কৰি একোজন লোকক ঠিকাদাৰ সজাই চৰকাৰী ধনৰ ব্যৱহাৰ কৰাৰ বিভিন্ন অভিযোগ উঠি অহাৰ সময়তে সম্প্ৰতি বিহগুৰি উন্নয়ন খণ্ডৰ অধীনস্থ অঞ্চলত এনে এক অভিযোগ উত্থাপন হৈছে। প্ৰণিধানযোগ্য যে বিহগুৰি উন্নয়ন খণ্ডৰ অন্তৰ্গত ঝাৱনি আৰু তিনিখৰীয়া অঞ্চলত বাৰিষা বানাক্ৰান্ত গৰু-ম'হ ৰখাৰ বাবে এটা মাটিৰ টিপ নিৰ্মাণক লৈ অনিয়ম সংঘটিত হোৱাৰ ৰাজহুবা অভিযোগ উত্থাপন হৈছে। ইতিমধ্যে এই ঘটনা সন্দৰ্ভত শোণিতপুৰৰ উপায়ুক্তকো লিখিত অভিযোগ দাখিল কৰিছে স্থানীয় ৰাইজে। উল্লেখ্য যে বিহগুৰিৰ এক ভিতৰুৱা আৰু ব্ৰহ্মপুত্ৰৰ পাৰৰ বান আৰু খহনীয়া আক্ৰান্ত অঞ্চল ঝাৱনি আৰু তিনিখৰীয়া। কৃষি আৰু পশুপালনৰে কঠোৰ পৰিশ্ৰমৰে আৰ্থিক দৰিদ্ৰতাৰে যুঁজি থকা এইসকল লোক প্ৰতিটো বাৰিষা কালতে বান আৰু খহনীয়াৰ বাবে বিপৰ্যয়ৰ সন্মুখীন হ'বলগীয়া হয়। ছয় পৃষ্ঠাত চাওক



*পঞ্জাৱ নেচনেল বেংকৰ কৰ্মচাৰীৰ অৱস্থান ধৰ্মঘট, মহানগৰীত সোমবাৰে।*

# বাতৰি কাকতত প্ৰকাশিত বাতৰিয়েহে গা লৰালে চৰ অঞ্চল উন্নয়ন ব'ৰ্ডৰ

## কৰ্মচাৰীক চাকৰিৰ পৰা অব্যাহতি

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৮ মাৰ্চ ঃ** ৰাজ্যৰ বিভিন্ন শিক্ষানুষ্ঠানত ভুৱা সংখ্যালঘু ছাত্ৰ-ছাত্ৰীৰ নামত সংখ্যালঘু ছাত্ৰ বৃত্তিৰ ধন সৰকোৱাৰ বাবে এটা প্ৰভাৱশালী চক্ৰই চক্ৰান্ত কৰাৰ সন্দৰ্ভত 'দৈনিক অগ্ৰদূত' প্ৰমুখ্যে বিভিন্ন বাতৰি কাকতত ধাৰাবাহিকভাৱে বাতৰি প্ৰকাশ হোৱাৰ পাছত অৱশেষত গা লৰিল ৰাজ্যৰ চৰ অঞ্চল উন্নয়ন বিভাগৰ। শেহতীয়াকৈ বিভাগটোৱে যিসমূহ শিক্ষানুষ্ঠানে ভুৱা সংখ্যালঘু ছাত্ৰ-ছাত্ৰীৰ নামত সংখ্যালঘু বৃত্তিৰ ধন আত্মসাতৰ ফান্দ পাতিছিল, সেইসমূহ শিক্ষানুষ্ঠানৰ নাম সংখ্যালঘু বৃত্তিৰ অনুমোদিত তালিকাৰ পৰা চৰকাৰে কৰ্তনৰ নিৰ্দেশ দিছে। সেই মৰ্মে ইতিমধ্যেই প্ৰায় শতাধিক শিক্ষানুষ্ঠানৰ নাম তালিকাৰ পৰা কৰ্তন কৰা হৈছে বুলি এক বিভাগীয় সূত্ৰই সদৰী কৰিছে। আনকি দুৰ্নীতিত লিপ্ত থকা সংশ্লিষ্ট বিভাগটোৰ নিৰ্দিষ্ট দায়িত্বত থকা জিতু নামৰ এগৰাকী ঠিকাভিত্তিক কৰ্মচাৰীক চাকৰিৰ পৰা অব্যহতি দিছে। উল্লেখ্য যে বিগত বৰ্ষসমূহৰ দৰে চলিত ২০২১-২০২২ তো ৰাজ্যৰ একাধিক জিলাত প'ষ্ট মেট্ৰিক সংখ্যালঘু ছাত্ৰ-ছাত্ৰী বৃত্তিৰ নামত ভয়াৱহ কেলেংকাৰি সংঘটিত হৈছিল। উত্থাপিত ছয় পৃষ্ঠাত চাওক

# নাৰায়ণপুৰত পথ দুৰ্ঘটনাত দুই যুৱকৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ২৮ মাৰ্চ ঃ** আজি সন্ধিয়া নাৰায়ণপুৰৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথত এক পথ দুৰ্ঘটনাত সংঘটিত হয়। নাৰায়ণপুৰ নগৰৰ খোলচোৱা পুখুৰীৰ সমীপত দুজন যুৱকৰ মৃত্যু হয়। এছ-০৭ এছ-০৯০২ নম্বৰৰ স্পেলণ্ডাৰ মটৰ চাইকেলেৰে আহি থকা দুই যুৱকে পথৰ দাঁতিত ৰাখি থোৱা এএছ-০২ ই-৫৯৮৯ নম্বৰৰ এখন ট্ৰেইলৰত খুন্দা মৰাৰ ফলতে দুৰ্ঘটনাটো সংঘটিত হয়। প্ৰফুল্ল পেগু নামৰ যুৱকজনৰ থিতাতে মৃত্যু বিপৰীতে গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত অনন্ত দলে নামৰ যুৱকজনক ধলপুৰ চিকিৎসালয়লৈ নিয়াৰ পথত মৃত্যু হয়। নিহত দুই যুৱকৰ ঘৰ নাৰায়ণপুৰৰ গোঁহাইপুখুৰীত ।

# মূল্যবৃদ্ধিৰ বিৰুদ্ধে সৰৱ আছু যোগান মন্ত্ৰীৰ পুত্তলিকা দাহ

**অগ্ৰদূত বাৰ্তা**



**ৰাজগড়/মৰাণ/নাহৰকটীয়া, ২৮ মাৰ্চ ঃ** সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ আহ্বানমৰ্মে ৰাজগড় আঞ্চলিক ছাত্ৰ সন্থাই অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী আৰু ইন্ধনজাত সামগ্ৰীৰ অত্যধিক মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। ছাত্ৰ সংগঠনটোৰ সদস্যই চৰকাৰৰ জনবিৰোধী নীতিৰ বিৰুদ্ধে ৰাজগড় ছহিদ বেদীৰ সমীপত খাদ্য আৰু যোগান মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ পুত্তলিকা দাহ কৰে। ইপিনে, মৰাণ নগৰৰ সমীপৰ খোৱাং চাৰিআলিত খোৱাং আঞ্চলিক ছাত্ৰ সন্থাই পেট্ৰ'ল, ডিজেল, ঘৰুৱা ৰন্ধন গেছৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰীৰ অত্যধিক মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি যোগান মন্ত্ৰীৰ পুত্তলিকা দাহ কৰে। উক্ত কাৰ্যসূচীত খোৱাং আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অংকিত গগৈ, সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক ৰাহুল কোঁৱৰসহ আঞ্চলিকৰ বিষয়ববীয়া উপস্থিত থাকে। ছয় পৃষ্ঠাত চাওক

# বঙাইগাঁৱত কেঁকো সাপসহ গ্ৰেপ্তাৰ সাত

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২৮ মাৰ্চ ঃ** বঙাইগাঁও জিলাৰ গেৰুকাবাৰীত কালি সন্ধিয়া আৰক্ষীৰ অভিযানত কেঁকো সাপসহ গ্ৰেপ্তাৰ হয় সাতজন চোৰাং ব্যৱসায়ী। এক বিশেষ খবৰৰ ভিত্তিত বঙাইগাঁও জিলাৰ আৰক্ষীয়ে চলোৱা অভিযানত এক ফুট তিনি ইঞ্চি দৈৰ্ঘ্যৰ এডাল কেঁকো সাপসহ এই চোৰাং ব্যৱসায়ৰ স'তে জড়িত সাতজন ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃত ব্যৱসায়ী কেইজন ক্ৰমে তালেপ আলী (৬৬), ৰহম আলী (৫৬), ছুৰহাব আলী (৫৫), মামন গয়াৰী (৫০), ৰমজান আলী (৫১), শ্যাম পৰিয়াৰ (৩২) আৰু চন্দন বড়ো (৩৫)। ইয়াৰে মামন গয়াৰীৰ ঘৰ ধেমাজি জিলাৰ জোনাইত, শ্যাম পৰিয়াৰৰ ওদালগুৰি জিলাৰ খোৰাঙত আৰু ছুৰহাব আলীৰ ঘৰ বঙাইগাঁও জিলাৰ এক নম্বৰ জামদহাৰ বিপৰীতে বাকীকেইজনৰ ঘৰ চিৰাঙত। ব্যৱসায়ী কেইজনৰ পৰা আৰক্ষীয়ে এএছ-২৬ ই-৪০৩০ নম্বৰৰ এখন বাজাজ এভেনজান, এ এছ-১৯ কে-০৭৪৪ নম্বৰৰ এখন হিৰো হাংক মটৰ চাইকেল , ম'বাইল সাতটা, নগদ ধন ৪০৭০ টকা জব্দ কৰে। চক্ৰটোৱে কেঁকো সাপডাল ছয় পৃষ্ঠাত চাওক






দৈনিক অগ্ৰদূত

গুৱাহাটী, মঙলবাৰ ১৪ চ'ত ১৪২৮ ভাস্কৰাব্দ ২৯ মাৰ্চ ২০২২


## ভয়ংকৰ হ'ব পৰিৱেশ

তাপমাত্ৰাৰ অত্যধিক নাইবা অস্বাভাৱিক বৃদ্ধিক সম্পূৰ্ণ প্ৰাকৃতিক ঘটনা বুলি ক'ব নোৱাৰি। দেখাত ই এক প্ৰাকৃতিক ঘটনা। বৰষুণ বেছি হোৱা বা নোহোৱা, উষ্ণতা বৃদ্ধি পোৱা আদি ঘটনাবিলাক প্ৰাকৃতিক ঘটনা বুলিয়ে ধৰি লোৱা হয়। কিন্তু বিশেষজ্ঞসকলে দাঙি ধৰা তথ্যই দেখুৱাইছে উষ্ণতা বা তাপমাত্ৰা অত্যধিক বৃদ্ধি হোৱাটো সম্পূৰ্ণ প্ৰাকৃতিক ঘটনা হৈ থকা নাই। মানুহৰ অদূৰদৰ্শী আৰু ধ্বংসাত্মক কাৰ্যকলাপৰ বাবেই তাপমাত্ৰা এনেদৰে বৃদ্ধি পাইছে। এই ক্ষেত্ৰত মানুহে কৰা আটাইতকৈ ক্ষতিকাৰক, ধ্বংসাত্মক কাম হ'ল বন বা অৰণ্য ধ্বংস। উচ্চতম ন্যায়ালয়ৰ নিষেধাজ্ঞা তথা চৰকাৰৰ কঠোৰ আইন সত্ত্বেও বন ধ্বংস যজ্ঞ চলিয়েই আছে। দেশৰ অৰণ্যাঞ্চল হ্ৰাস পাইছে। দেশৰ জনসংখ্যা অনুপাতে এতিয়া অতি সামান্য অৰণ্যাঞ্চলহে বৰ্তি আছে। চৰকাৰে ভাৰতৰ বনাঞ্চল বৃদ্ধিৰ আঁচনি লৈছে; কিন্তু এই আঁচনি সফল হ'বনে? সফল কেনেকৈ হ'ব? বন ধ্বংস, গছ কটা, অবৈধ খনন আদি নিষিদ্ধ আৰু বেআইনী কৰা হৈছে। অথচ বন মাফিয়া, অসাধু বন বিষয়া সক্ৰিয় হৈ আছে। ৰাজস্থানৰ পৰা অসমলৈকে দেশৰ সৰ্বত্ৰ বন ধ্বংসযজ্ঞ অব্যাহত আছে। ৰাজস্থানৰ প্ৰাকৃতিক সম্পদ মূল্যবান পাহাৰসমূহ এফালৰ পৰা ধ্বংস কৰা হৈছে অবৈধ খননৰ যোগেদি। ৰাজ্যখনৰ অগণন পাহাৰ ইতিমধ্যে বিলুপ্ত হৈছে। অসমতো পাহাৰ খনন আৰু বন ধ্বংস যজ্ঞ বন্ধ হোৱা নাই। কোনো এখন ৰাজ্য চৰকাৰেই গছ কটা নাইবা বন ধ্বংস কাৰ্যত বাধা দিব পৰা নাই। কিছু সংখ্যক বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে অভিযান চলোৱা হৈছে যদিও বেছি ভাগ ক্ষেত্ৰতে অবৈধ কাৰ্যকলাপ ৰোধ কৰিব পৰা নাই। চৰকাৰে সকীয়নি দি থকা সত্ত্বেও বনাঞ্চল তহিলং কৰি থকা হৈছে। প্ৰকৃততে চৰকাৰে বা বন বিভাগে বনাঞ্চল ধ্বংসত বাধা দিব আৰু বনাঞ্চল ৰক্ষা কৰিব নোৱৰা নহয়; কিন্তু বনাঞ্চল ৰক্ষাৰ বাবে সততাৰে আৰু গুৰুত্ব সহকাৰে বন বিভাগে সক্ৰিয় তথা সাহসী ভূমিকা লোৱা নাই। মন্ত্ৰী-বিধায়কৰ পৰা বন বিষয়ালৈকে কাৰো মাজত দৃঢ়তা নাই বনাঞ্চল ৰক্ষাৰ ক্ষেত্ৰত। দৃঢ় সংকল্প, সততা, দায়বদ্ধতাৰ অভাৱৰ বাবেই বনাঞ্চল ৰক্ষাত সংশ্লিষ্ট বিভাগবিলাক সফল হোৱা নাই। ইয়াৰ লগত দুৰ্নীতি-ভ্ৰষ্টাচাৰকো যোগ দিব পাৰি। সেয়ে অসমৰ বনাঞ্চল ৰক্ষাৰ দায়িত্ব সংশ্লিষ্ট পক্ষবিলাকে পালন কৰিব পৰা নাই। ভ্ৰষ্টাচাৰ আৰু দুৰ্নীতি বন্ধ কৰিব নোৱাৰিলে ভাৰতৰ বনাঞ্চল বৃদ্ধি কৰা সম্ভৱ নহ'ব।

অৱশ্যে বনাঞ্চল অথবা বনভূমিৰ পৰিমাণ বৃদ্ধি পালে উষ্ণতা বা তাপমাত্ৰা বৃদ্ধি ৰোধ কৰিব বা হ্ৰাস কৰিব পৰা যাব বুলি বহুতে আশা কৰিলেও বায়ু প্ৰদূষণৰ দৰে ভয়ংকৰ কাণ্ডবিলাক অব্যাহত থাকিলে তাপমাত্ৰা বৃদ্ধি পাই থাকিব। বৰ্তমান সমগ্ৰ বিশ্ববাসীয়ে বায়ু প্ৰদূষণ আৰু ইয়াৰ ফলত ঘটা জলবায়ু পৰিৱৰ্তন তথা গোলকীয় উষ্ণতা বৃদ্ধিৰ ভয়ংকৰ ফল ভুগিবলগীয়া হৈছে। কেৱল ভাৰততেই বায়ু প্ৰদূষণৰ বাবে ১২ লাখৰো অধিক লোক প্ৰতি বছৰে মৃত্যুমুখত পৰিছে। তথাকথিত সেউজ গৃহৰ প্ৰতিক্ৰিয়াৰ ফলস্বৰূপে গোলকীয় তাপমাত্ৰা বৃদ্ধি পাই আছে। আৰু ইয়াক নিয়ন্ত্ৰণ কৰাটো সমগ্ৰ মানৱ জাতিৰ দায়িত্ব হিচাপে দেখা দিছে। জলবায়ু পৰিৱৰ্তনৰ সন্দৰ্ভত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় সন্মিলনত তাপমাত্ৰা বা উষ্ণতা নিয়ন্ত্ৰণৰ বাবে বিধি নিয়ম প্ৰস্তুত কৰি প্ৰদূষণ সৃষ্টিকাৰী দেশবিলাকক দায়বদ্ধ হ'বলৈ আহ্বান জনোৱা হৈছে। বৃহৎ প্ৰদূষণকাৰী দেশবিলাকে এই ক্ষেত্ৰত প্ৰতিশ্ৰুতি দিও প্ৰতিশ্ৰুতি পূৰণ কৰিব পৰা নাই। আনকি প্ৰতি বছৰে পৰিস্থিতিৰ অৱনতিহে ঘটিছে। বিশ্বৰ অন্যতম সবাতোকৈ প্ৰদূষিত মহানগৰ হিচাপে ৰাজধানী মহানগৰ দিল্লী কুখ্যাত হৈ পৰিছে। ব্যাপক হাৰত বায়ু প্ৰদূষণ বৃদ্ধি পোৱাৰ ফলত অত্যধিক উষ্ণতা বৃদ্ধি ঘটিছে— তাত কোনো সন্দেহ নাই। এহাতে বায়ু প্ৰদূষণৰ ফলত তাপমাত্ৰা বৃদ্ধি হৈছে আৰু আনহাতে বহুবিধ জটিল ৰোগত আক্ৰান্ত হৈ লক্ষাধিক লোকৰ মৃত্যু হৈছে। অৰণ্য অথবা বনাঞ্চল বৃদ্ধি ঘটাই পৰিৱেশ সন্তুলিত কৰাৰ কথা বহুতে ভাবে; কিন্তু কেৱল বনাঞ্চল ৰক্ষা কৰিয়ে সেয়া সম্ভৱ নহ'ব। উষ্ণতা হ্ৰাস পোৱা ভয়ংকৰ বায়ু প্ৰদূষণ ৰোধৰ ব্যৱস্থাও গ্ৰহণ কৰিব লাগিব। অন্যথা পৰিস্থিতি অধিক ভয়ংকৰ হ'বগৈ আৰু উষ্ণতা বৃদ্ধি সীমাবদ্ধ হৈ নাথাকিব।

### খোলা মঞ্চ

## ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা পাম কেনেকৈ?



**সৎ** লোক বুলিলে এনেদৰে ক'ব পাৰি, যিগৰাকী ব্যক্তি চৰিত্ৰবান, বিবেকবান, সমভাবাপন্ন, ন্যায় পৰায়ণ, উপযুক্ত শিক্ষাৰে শিক্ষিত, নিজৰ জীৱনৰ লগতে আনৰ জীৱনৰ বিষয়ে চিন্তা কৰা, সমাজ বা দেশৰ হিতৰ কথা চিন্তা কৰা, প্ৰতিকূল পৰিৱেশতো নিজৰ আদৰ্শৰ পৰা পিছলি নপৰা, সৎপথ ত্যাগ নকৰা আৰু সাহসেৰে পৰিস্থিতিৰ মুখামুখী হ'ব পৰা। মহাত্মা গান্ধী, লাল বাহাদুৰ শাস্ত্ৰী, এ পি জে আব্দুল কালাম, কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ, লোকপ্ৰিয় গোপীনাথ বৰদলৈ, শৰৎ চন্দ্ৰ সিংহ আদি এই শ্ৰেণীৰ ৰাজনীতি কৰা লোক।

সাম্প্ৰতিক কালত এক শ্ৰেণীৰ সম্পদশালী আৰু ক্ষমতাশালী লোক ৰাজনীতিৰ ক্ষেত্ৰখনত প্ৰৱেশ কৰাৰ ফলত, এক শ্ৰেণীৰ যোগ্য, সৎ লোক ত্যাগী মনোভাৱৰ আৰু উচ্চ শিক্ষিত এচামে শাসন ক্ষমতাৰ যোগ্যতা থাকিলেও শাসনভাৰ লোৱাৰ পৰা বিৰত থাকিব লগা হৈছে। কাৰণ নিজৰ ক্ষমতাৰ লোভত নিজৰ জাতি জনগোষ্ঠী আৰু দেশ ৰক্ষাৰ অজুহাত লৈ আদৰ্শবিহীন, অনীতি পৰায়ণ আৰু সুযোগ সন্ধানী লোকে ভৰি পৰিছে। এক শ্ৰেণীৰ সুযোগ সন্ধানী, কৰ্ম সংস্কৃতিবিহীন ধনী ব্যক্তি, বাহুবলী, শক্তিশালী আৰু কথা চহকী লোকৰ অবাধ গতি হৈ পৰিছে। তাৰ ফলত সৎ লোক, চৰিত্ৰবান, গুণী জ্ঞানী, ত্যাগী মনোভাৱৰ, সমাজহিতৈষী লোকসকল ৰাজনৈতিক লেতেৰা ক্ষেত্ৰখনত জড়িত হ'বলৈ ইচ্ছা নকৰা হৈছে অথবা ভয় কৰা হৈছে। সেই সকল সৎ ব্যক্তিয়ে লেতেৰা ৰাজনৈতিক ক্ষেত্ৰখনত জড়িত হৈ সামাজিক-ৰাজনৈতিক সমস্যাবোৰ সমাধান কৰিবলৈ অপাৰগ বুলি ভাবিয়েই তাৰ পৰা আঁতৰি থাকিব বিচাৰে।

**ফণীন্দ্ৰ নাথ বৰ্মন,** লেখক

সাম্প্ৰতিক কালত বিশ্বৰ চুকে-কোণে, ৰাজনীতিৰ পথাৰখনত, ৰাজনীতি জনহিতৈষী হোৱাৰ পৰিৱৰ্তে এচাম ক্ষমতাশালী লোকৰ ক্ষমতা আৰু লাভালাভৰ বিচৰণ ভূমি হৈ পৰিছে। আনকি ধনবল আৰু বাহুবলৰ জৰিয়তে আইন হাতত তুলি ল'বলৈও কুণ্ঠাবোধ নকৰা হৈছে। সেই বাবে সৎ নীতি পৰায়ণ লোক ৰাজনীতিলৈ গ'লে পিছলি পৰাৰ ভয়ত ৰাজনীতি কৰিবলৈ ভয় কৰা হৈছে। দেশ এখন বা ৰাজ্য এখন শাসন কৰিবলৈ কিছুমান সুশৃংখলিত নীতি-নিয়ম থাকে। অতি পৰিতাপৰ বিষয় আমাৰ মাজত বহুত সৎ ব্যক্তি আছে যদিও তেওঁলোকৰ কাৰণে ৰাজনীতিৰ ক্ষেত্ৰখনত আসনৰ অভাৱ ঘটিছে। যি ৰাজনীতিয়ে দেশৰ আৰ্থ-সামাজিক ভেটি সুদৃঢ় কৰে তেনে ৰাজনীতি আমাৰ কাম্য। আজিৰ ৰাজনীতিয়ে তেনে সুবিধা জনসাধাৰণক দিব পৰা নাই। প্ৰতিটো ৰাজনৈতিক দলে ঢোল বজাই ভোটাৰক আকৰ্ষণ কৰিব বিচাৰে। সেই বাবে হয়তো সৎ ব্যক্তিসকলে ৰাজনৈতিক ক্ষেত্ৰলৈ অগ্ৰসৰ হ'বলৈ সংকোচবোধ কৰে।

বৰ্তমান সময়ত জনমানসত ৰাজনীতিকৰ যিটো প্ৰতিচ্ছবি প্ৰতিফলিত হৈছে সেয়া সৎ লোকৰ বাবে গ্ৰাহ্য নহয়। সেই প্ৰতিচ্ছবিৰ অংশীদাৰ হ'বলৈ গ'লে সৎ লোকৰ প্ৰতিচ্ছবি অসাধু লোকলৈ ৰূপান্তৰিত হ'ব। সৎ লোক ৰাজনীতিলৈ যাবলৈ ভয় কৰাৰ ইও এটা কাৰণ। কিয়নো এবাৰ ৰাজনীতিত সোমালে তাত বৰ্তি থকাটো টান হ'ব পাৰে। ৰাজনীতিয়ে দেশৰ উন্নয়নৰ সঠিক পথ নিৰ্ণয়ত মুখ্য ভূমিকা গ্ৰহণ কৰে। সেয়ে ৰাজনীতিত সৎ, বিবেকবান লোকে অংশগ্ৰহণ কৰাটো অতি প্ৰয়োজনীয়। জনসাধাৰণেও নিৰ্বাচন কৰোতে সজাগ হোৱা বাঞ্ছনীয়। ব্যক্তিগত স্বাৰ্থৰ উৰ্দ্ধত যাব পৰা ব্যক্তিকহে যোগ্য বুলি নিৰ্বাচন কৰা প্ৰয়োজন।


পূৰ্বৰ নেতা-কৰ্মীক পাবলৈ হ'লে, দলীয়, গোষ্ঠীয় আৰু ধৰ্মীয় ৰাজনীতি পৰিত্যাগ কৰি পূৰ্বৰ নেতা কৰ্মীৰ গুণ থকা ব্যক্তিকহে বাছনি কৰি ৰাজনৈতিক ক্ষেত্ৰখনত কাম কৰিবলৈ সুযোগ দিব লাগিব।

*ফোন : ৯৯৫৪০২৪০৪০*

## বৰ্তমান দেশৰ আটাইতকৈ প্ৰভাৱশালী আৰু শাসনাধিষ্ঠ দল বিজেপিয়েও কেজৰিৱালৰ সন্মুখত টিকিব নোৱাৰি পৃষ্ঠভংগ দিছে

# কেজৰিৱালৰ যাদু

### অসবৰ্ণ



**হীৰেন গগৈ**

ইউ টিউবত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ নিৰ্বাচনী বক্তৃতা দুটামান শুনিলো। পঞ্জাব আৰু গোৱাৰ সদ্য সমাপ্ত বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানত দিয়া বক্তৃতা। কেজৰিৱালৰ বিশেষ কিবা ৰাজনৈতিক দৰ্শন আছে বুলি মই নাজানো। তেওঁ হিন্দুত্ববাদীও নহয় নাইবা কংগ্ৰেছ-বাওঁপন্থী মাৰ্কা ধৰ্মনিৰপেক্ষতাবাদীও নহয়। তেওঁ নিজে হনুমান চালিছা গোৱা বা গাব পৰা মানুহ; কিন্তু ধৰ্মক লৈ তেওঁৰ কোনো কাৰবাৰ নাই। তেওঁ কোনো বিপ্লৱী নহয়; সমাজ ব্যৱস্থাৰ পৰিৱৰ্তনৰ কোনো সপোন তেওঁ দেখা নাই আৰু আনকো দেখুওৱা নাই। বৰ্তমানৰ পুঁজিবাদী-সাম্ৰাজ্যবাদী অৰ্থব্যৱস্থা আৰু প্ৰযুক্তিবাদৰ বিভীষিকা নাইবা মানৱ জাতিৰ সুদূৰ ভৱিষ্যতক লৈয়ো তেওঁৰ কিবা দাৰ্শনিক বিচাৰধাৰা থকাৰ কথা মই শুনা নাই। তথাপি ভাৰতবৰ্ষৰ সাম্প্ৰতিক ৰাজনীতিত এক নতুন আশা আৰু সম্ভাৱনাৰ দ্যুতকৰ ৰূপত কেজৰিৱালৰ উত্থান ঘটিছে; কিন্তু কিয় আৰু কেনেকৈ? তেওঁৰ নিৰ্বাচনী বক্তৃতাবোৰৰ মাজতে সেই প্ৰশ্নৰ এটা উত্তৰ মই বিচাৰি পাইছো।

দিল্লীৰ দৰে জনবহুল, সমস্যাজৰ্জৰ আৰু মহাভাৰতীয় আয়তনৰ ৰাজ্য এখনত এতিয়া কেজৰিৱালৰ দল আপৰ চৰকাৰ চলিছে। একালৰ প্ৰভুত্বশালী কংগ্ৰেছৰ নাম-নিচান তাত নোহোৱা হৈছে। বৰ্তমান দেশৰ আটাইতকৈ প্ৰভাৱশালী আৰু শাসনাধিষ্ঠ দল বিজেপিয়েও কেজৰিৱালৰ সন্মুখত টিকিব নোৱাৰি পৃষ্ঠভংগ দিছে। কি যাদুৰ বলত কেজৰিৱালে এই অসাধ্য সাধন কৰিছে? তেওঁৰ দলৰ ৰাজত্ব এতিয়া পঞ্জাৱলৈও সম্প্ৰসাৰিত হৈছে। গোৱাতো তেওঁলোকে ভালকৈয়ে যুঁজিলে আৰু দুখন আসনো দখল কৰিলে। অহাবাৰ গোৱাতো পঞ্জাবৰ পুনৰাবৃত্তি হ'ব বুলি মোৰ বিশ্বাস। দিল্লীৰ আপ চৰকাৰখন এতিয়া বাকীবোৰ ৰাজ্যৰ পৰিৱৰ্তনকামী মানুহবোৰৰ বাবে অদৃশ্যস্বৰূপ হৈ পৰিছে। পঞ্জাব আৰু গোৱাৰ নিৰ্বাচনী সভাবোৰত কেজৰিৱালে ৰাইজক আশ্বাস দিছিল যে তাত আপৰ চৰকাৰ হ'লে তেওঁৰ যাদু চলিব। দিল্লীৰ জনসাধাৰণে তেওঁৰ যাদুখেলৰ চমৎকাৰ দেখি আছে। ২০১৩ত তাত যেতিয়া আপৰ চৰকাৰখন প্ৰথমবাৰলৈ ক্ষমতাসীন হৈছিল, বহুতে ভাবিছিল যে জন আবেগৰ ঢৌত ক্ষমতালৈ অহা চৰকাৰখন বেছি দিন নিটিকিব। সেই নিৰ্বাচনত আপৰ ২৮ জন বিধায়কৰ নিৰ্বাচনে দেশৰ ৰাজনৈতিক মহলবোৰক স্তম্ভিত কৰি তুলিছিল। কংগ্ৰেছ আৰু বিজেপিয়ে আপৰ এনে চমৎকাৰ উত্থান হ'ব পাৰে বুলি ভাবিবও পৰা নাছিল। নিৰ্বাচনত কংগ্ৰেছতো একেবাৰে ধূলিসাৎ হৈ গৈছিল, কিন্তু বিজেপিয়েও একক সংখ্যাগৰিষ্ঠতা পালেও চৰকাৰ গঠন কৰিব পৰাকৈ নিৰংকুশ সংখ্যাগৰিষ্ঠতা পোৱা নাছিল। সেয়ে বিজেপিয়ে চৰকাৰ গঠনৰ দাবী নজনালে। তেওঁলোকৰ ভৱিষ্যতৰ অংকও হয়তো বেলেগ আছিল। সেই পৰিস্থিতিত আঠজন বিধায়কৰ দল কংগ্ৰেছৰ সমৰ্থনত কেজৰিৱালেই চৰকাৰখন গঠন কৰিলে; কিন্তু সদনত জন লোকপাল বিলখন পাছ কৰাব নোৱাৰাত তেওঁ মাত্ৰ ৪৯ দিনৰ পাছতে পদত্যাগ কৰে আৰু আপৰ চৰকাৰখনো ভংগ হয়। তেতিয়া তেওঁৰ সমালোচকসকলে, বিশেষকৈ বিজেপি আৰু কংগ্ৰেছৰ সমৰ্থকসকলে প্ৰচাৰ কৰিছিল যে কেজৰিৱালে কেতিয়াও শাসন চলাব নোৱাৰে; কিন্তু ২০১৫ত যেতিয়া উপনিৰ্বাচন হ'ল, তেতিয়াও কেজৰিৱালৰে যাদু চলিল। নিৰ্বাচনত আপৰে জয় হ'ল আৰু বিপুল সংখ্যাগৰিষ্ঠতাৰে। পাঁচ বছৰ সফলতাৰে চৰকাৰ চলালে কেজৰিৱালে। ২০২০ৰ নিৰ্বাচনত তেওঁৰ দলে বিধানসভাৰ মুঠ ৭০ খন আসনৰ ভিতৰত ৬২ খনেই দখল কৰিলে। তাকো কেন্দ্ৰৰ শাসনাধিষ্ঠিত প্ৰৱল প্ৰতাপী বিজেপিৰ সমস্ত ষড়যন্ত্ৰ আৰু প্ৰত্যাহ্বানৰ মুখত। সেয়া কেজৰিৱালৰ যাদু নহয় কি?

কেজৰিৱালৰ এই যাদু বগাহে, ক'লা নহয়। তেওঁৰ যাদু সকলোৱে দেখিব আৰু বুজিব পৰা। সেয়া হৈছে তেওঁৰ চৰকাৰখনৰ নিকা শাসন আৰু প্ৰকৃত জনকল্যাণমূলক কাম-কাজবোৰ। জনসাধাৰণে দিয়া কৰৰ প্ৰতিটো টকা তেওঁলোকে জনসেৱাত খৰচ কৰিছে আৰু জনসাধাৰণৰ ব্যক্তিগত কাম-কাজবোৰৰ ক্ষেত্ৰতো বিভাগীয় বিষয়া বা কৰ্মচাৰীসকলেহে আবেদনকাৰীসকলৰ ঘৰে ঘৰে গৈ তেওঁলোকৰ কামবোৰ কৰি দিছে, আবেদনকাৰীসকলে চৰকাৰী অফিচে অফিচে ঘূৰি ফুৰিবলগীয়া হোৱা নাই। বিজেপি বা কংগ্ৰেছৰ চৰকাৰ থকা ৰাজ্যবোৰত সেইটো কল্পনাও কৰিব নোৱাৰি। কেজৰিৱাল চৰকাৰখনৰ ক্ষেত্ৰত ই এটা বিৰল ব্যতিক্ৰম আৰু সৰ্বসাধাৰণৰ বাবে এটা অভাৱনীয় সকাহ। দালাল, দুৰ্নীতি আৰু দিন-দিনজোৰা কষ্টকৰ আহ-যাহৰ যন্ত্ৰণাৰ পৰা সৰ্বসাধাৰণ লোকসকল ৰক্ষা পৰিছে। সেই সকল মানুহে সেইখন চৰকাৰৰ সপক্ষে ভোট নিদি কাক ভোট দিব।

কেজৰিৱালৰ এটা বক্তৃতাত তেওঁৰ দুৰ্নীতি বিষয়ক স্থিতিৰ কথা শুনিলো। তেওঁ কৈছে যে তেওঁৰ দলৰ মন্ত্ৰী-বিধায়কসকলৰ কোনোৱেই যে টকা নাখাব, তেনে গেৰাণ্টি তেওঁ কেতিয়াও নিদিয়ে। তেওঁৰ দলৰ নেতা-মন্ত্ৰী-বিধায়কেও টকা খাব পাৰে; কিন্তু তেওঁ এই গেৰাণ্টি দিয়ে বা দিব পাৰে যে তেওঁৰ দল বা চৰকাৰৰ কোনোবাই দুৰ্নীতি কৰাৰ কিবা অভিযোগ পালেই তেওঁ দুৰ্নীতিত অভিযুক্তজনৰ বিৰুদ্ধে ব্যৱস্থা ল'ব। সেই ক্ষেত্ৰত তেওঁ অলপো পলম নকৰে। দিল্লীত তেওঁ সেই কাম কৰিয়ো দেখাইছে। এবাৰ এজন লোকে ম'বাইল বাৰ্তাত এজন মন্ত্ৰীয়ে কৰা দুৰ্নীতিৰ বিষয়ে মুখ্যমন্ত্ৰীক অৱগত কৰিছিল। কেজৰিৱালে ২৪ ঘণ্টাৰ ভিতৰত সেই দুৰ্নীতিৰ গোচৰটো চি আই ডি নে চি বি আইৰ হাতত গতাই দিছিল। দালাল বা দুৰ্নীতিগ্ৰস্ত ধনবানসকলক গামোচা পিন্ধাই দললৈ আদৰি লোৱাৰ পৰম্পৰাপুষ্ট কংগ্ৰেছ বা বিজেপিৰ চৰকাৰ এখনৰ বা মুখ্যমন্ত্ৰী এজনৰ পৰা তেনে সাহসী বা নীতিনিষ্ঠ আচৰণ কোনোবাই আশা কৰিব পাৰেনে?



ভাল ভাল নীতি বা আদৰ্শৰ কথা কোৱাত, নিজৰ দল বা চৰকাৰখনক নিকা আৰু জনদৰদী বুলি অনবৰতে জাহিৰ কৰি থকাত কংগ্ৰেছ আৰু বিজেপি কেজৰিৱালতকৈ এখোপ ওপৰতহে; কিন্তু নিজৰ নীতি-আদৰ্শক হাতে-কামে কামত লগোৱাত এই দলবোৰৰ ৰেকৰ্ড একেবাৰে বেয়া। কেজৰিৱালৰ পাৰ্থক্য সেইখিনিতে। তেওঁ জনসাধাৰণক যিবোৰ কামৰ প্ৰতিশ্ৰুতি দি আহিছিল, সেইবোৰ হাতে-কামেও কৰি দেখুৱাইছে। কোনো ব্যক্তিগত বা দলীয় স্বাৰ্থই তাত হকা-বাধা কৰা বা কৰিব পৰা নাই। কেজৰিৱালৰ সেই যাদু দেখি মানুহবোৰ আচম্বিত আৰু অনুৰক্ত হৈ পৰাত একো অস্বাভাৱিকতা নাই।

দিল্লীৰ কেজৰিৱাল চৰকাৰৰ যাদুকৰী সাফল্য বিশেষকৈ তিনিটা ক্ষেত্ৰত প্ৰমাণ হৈছে। সেইকেইটা হৈছে— শিক্ষা, জনস্বাস্থ্য আৰু বিজুলী। এইটো এতিয়া সৰ্বত্ৰ প্ৰচাৰিত যে কেজৰিৱাল চৰকাৰখনে চৰকাৰী স্কুলীয়া শিক্ষাৰ ক্ষেত্ৰত এক চকুত লগা আৰু অভূতপূৰ্ব সংস্কাৰ সাধন কৰিছে। স্কুলবোৰৰ আন্তঃগাঁথনি,

> **কেজৰিৱালে দেখুৱাইছে যে জনসাধাৰণৰ মৰম আৰু বিশ্বাস আদায় কৰিবলৈ ডাঙৰ ডাঙৰ নীতি-আদৰ্শৰ কথাবোৰ গাই-বাই থাকিলেই নহ'ব, জনসাধাৰণে সকাহ পাব পৰা কিছুমান কাম চৰকাৰৰ মানুহবোৰে অতি নিষ্ঠা, সততা আৰু সহযোগিতাৰে কৰি দেখুৱাব লাগিব**

মান আৰু নামভৰ্তিৰ হাৰ বহু উন্নত হৈছে। এই পৰিৱৰ্তন তাৰ সৰ্বসাধৰণ লোকসকলে নেদেখাকৈ আৰু অনুভৱ নকৰাকৈ থকা নাই। জনস্বাস্থ্যৰ ক্ষেত্ৰতো তেনে এটা পৰিৱৰ্তন লক্ষ্যণীয় হৈ পৰিছে, যিটো সৰ্বসাধাৰণ মানুহবোৰৰ বাবে এটা ডাঙৰ সকাহ হৈ পৰিছে। চৰকাৰে দৰৱ পাতিৰ যোগানো পাৰ্যমানে ধৰি আছে। কেজৰিৱাল চৰকাৰখনৰ সাফল্যৰ আন এটা স্তম্ভ হৈছে বিজুলী যোগানৰ ব্যৱস্থা। দিল্লীত এতিয়া ২৪ ঘণ্টাই বিজুলী থাকে। আগতে কংগ্ৰেছ চৰকাৰৰ দিনত সঘনে বিজুলী-কৰ্তন হৈ আছিল। কেজৰিৱালৰ মতে বিজুলী কম নাছিল, কিন্তু বিজুলী তাঁৰ আৰু ট্ৰেন্সমিটাৰবোৰৰ সঘন বিজুতিৰ বাবে বিজুলীৰ যোগান সঘনে ব্যাহত হৈছিল। কেজৰিৱাল চৰকাৰ ক্ষমতালৈ অহাৰ পাছত তেওঁ নিজে আৰু বিভাগীয় মন্ত্ৰীয়ে ৰাস্তাত থিয় দি ট্ৰেন্সফৰমাৰবোৰ আৰু বিজুলী তাঁৰবোৰ সলনি কৰোৱাইছিল। আগতে সেইবোৰতে দুৰ্নীতি হৈছিল, কমিছনৰ অংক চলিছিল। এতিয়া কেজৰিৱালে সেইবোৰ নোহোৱা কৰিছে আৰু ৰাইজে ২৪ ঘণ্টাই বিজুলী পাই আছে। অকল সেয়ে নহয়, ১৫০-২০০ ইউনিট বিজুলী খৰচ কৰাসকলৰ বিলৰ টকাও হৈছে শূন্য। অৰ্থাৎ বিনামূলীয়া বিজুলী।

আমাৰ ইয়াত চিত্ৰখন ওলোটা। কেইবছৰমানৰ আগতে মোৰ ঘৰৰ সন্মুখৰ তাঁৰবোৰ সলনি কৰা হৈছিল। দুই-একৰ মুখত শুনা মতে সেইবোৰ নিম্নমানৰ তাঁৰ আছিল। মোৰ ঘৰৰ জপনাৰ কাষতে বিজুলী বিভাগে এটা ওখ নতুন খুঁটাও পুতিছিল। পুৰণি খুঁটাটো সলোৱাৰ কথা। পিছে কে'বা বছৰ পাৰ হ'ল; নতুন খুঁটাটোলৈ তাঁৰবোৰ আৰু অনা নহ'ল। তদুপৰি আমাৰ অঞ্চলটোত থকা পুৰণি ট্ৰেন্সফৰমাৰকেইটাও মাজে-সময়ে বেয়া হৈ থাকে। বিজুলীৰ চাহিদা বাঢ়ি আছে, কিন্তু ট্ৰেন্সফৰমাৰৰ ক্ষমতা বঢ়া নাই। এটা অতিৰিক্ত ট্ৰেন্সফৰমাৰৰ বাবেও স্থানীয় যুৱকসকলে বহুত খাটিবলগীয়া হৈছিল। আনহাতে, আমাৰ বিজুলীৰ মাচুলো বছৰে বছৰে বঢ়াই থকাহে হৈছে। চৰকাৰী কামবোৰত মন্ত্ৰী-বিধায়কসকলৰ তদাৰকিও একেবাৰে নাথাকে। ঠিকাদাৰসকলে নিজৰ ইচ্ছামতে সকলো কৰি থাকে। মন্ত্ৰী-বিধায়কসকলে দূৰতে থাকি হয়তো কমিছনৰ অংকবোৰকে কৰি থাকে। এনে এখন চৰকাৰে প্ৰশাসনিক সংস্কাৰৰ আঁচনিবোৰ ঢাক-ঢোল বজাই প্ৰচাৰ কৰি থাকিলেও কামে-কাজে তাৰ প্ৰতিফলন ঘটিবগৈ নে?

কেজৰিৱালে দেখুৱাইছে যে জনসাধাৰণৰ মৰম আৰু বিশ্বাস আদায় কৰিবলৈ ডাঙৰ ডাঙৰ নীতি-আদৰ্শৰ কথাবোৰ গাই-বাই থাকিলেই নহ'ব, জনসাধাৰণে সকাহ পাব পৰা কিছুমান কাম চৰকাৰৰ মানুহবোৰে অতি নিষ্ঠা, সততা আৰু সহযোগিতাৰে কৰি দেখুৱাব লাগিব। এই মুহূৰ্তত অসম বা ভাৰতবৰ্ষৰ জনসাধাৰণে ভৱিষ্যতৰ সমাজ পৰিৱৰ্তনৰ সপোন দেখা নাই; তেওঁলোকে কেৱল এটা নিকা আৰু জনদৰদী প্ৰশাসনহে বিচাৰিছে, চৰকাৰী ৰাজহৰ টকাবোৰ যোল অনাই জনকল্যাণৰ কামত খৰচ কৰাটো বিচাৰিছে, কমিছনৰাজ শেষ হোৱাটো বিচাৰিছে, কমিছন বা ঘোচৰ টকাৰে মন্ত্ৰী-বিধায়কৰ সম্পত্তিৰ পাহাৰ সৃষ্টি হোৱাটো বিচৰা নাই। কংগ্ৰেছৰ বিৰুদ্ধে বিজেপিক ক্ষমতাধিষ্ঠ কৰাৰ আঁৰতো জনসাধাৰণৰ দুৰ্নীতিমুক্তিৰ এটা আকাংক্ষা আছিল। বিজেপিয়েও নিকা প্ৰশাসন আৰু দুৰ্নীতিৰ প্ৰতি শূন্যসহনশীলতাৰ প্ৰতিশ্ৰুতি দিছিল; কিন্তু বিজেপিৰ সেই আশ্বাসৰ বিশ্বাসযোগ্যতা ক্ৰমাৎ হেৰাই যাবলৈ ধৰিছে। বিজেপিয়ে জনপ্ৰিয়তা আৰু বিশ্বাসযোগ্যতাৰ সেই ঘাটি ৰামমন্দিৰ, অন্যান্য দেৱ-দেৱীৰ মন্দিৰ, সত্ৰ-নামঘৰ আদিৰ প্ৰলোভনেৰে জোৰা মাৰিবলৈ বিচাৰিছে। সেই পৰিস্থিতিতে কেজৰিৱালৰ নিকা আৰু উৎসৰ্গিত শাসন বিজেপিৰ এক বাস্তৱ আৰু কাৰ্যক্ষম বিকল্পৰ ৰূপত উদ্‌ভাসিত হৈছে।

কংগ্ৰেছ আৰু বিজেপিৰ পৰা সমদূৰত্বত থাকি আৰু বিজেপিয়ে পৰিকল্পিতভাৱে সৃষ্টি কৰা ধৰ্মকেন্দ্ৰিক বিতৰ্কবোৰৰ পৰা সাৱধানে নিজক আঁতৰাই ৰাখি আত্মবিশ্বাস আৰু সাহসেৰে জনসেৱা আৰু সুশাসনৰ অনুশীলনতে নিষ্ঠাৰে আত্মনিয়োগ কৰিব পাৰিছে বাবেই কেজৰিৱাল তথা আপৰ এই উত্থান সম্ভৱ হৈছে। আনহাতে, কংগ্ৰেছ আৰু বাওঁপন্থীসকলে কেৱল মোদী হটাও অভিযানত লাগি থাকি আৰু ধৰ্মনিৰপেক্ষতাৰ বাক্‌ধাৰাৰে সকলো কথাকে ব্যাখ্যা কৰিবলৈ গৈ বিজেপিৰ চক্ৰবেহুতে বন্দী হৈ পৰিছে। ভাৰতবাসীৰ অতিদূৰ ভৱিষ্যতে কি ৰূপ লয়গৈ নাজানো; কিন্তু আজিৰ জীয়া বৰ্তমানটোৰ বিকল্প ৰূপকাৰজনক কেজৰিৱালৰ মাজতে মই দেখা পাইছো। তেওঁ ভৱিষ্যদ্ৰষ্টা ৰাজনীতিজ্ঞ হয়তো নহয়; কিন্তু এই সময়ত দেশবাসীৰ অগ্ৰগতিক বাধা দি থকা প্ৰকাণ্ড প্ৰাচীৰখন ভাঙিব পৰা যাদুদণ্ডডাল তেওঁৰ হাততে আছে।

### এটা লিমাৰিক

হোজাইৰ নগগ্ৰাপামৰ একানব্বৈ বছৰীয়া কুশল বৰাই এতিয়াও কবিতা লিখে। তেওঁৰে এটা লিমাৰিক মোলৈ পঠাইছে তেওঁৰ পুত্ৰই— দেউতাকৰ কথা মতে :

(১)

অৱতাৰী, মৌলবাদী, ধৰমৰো দাদা।
নকৰেনে ইবোৰক যেয়ে সেয়ে শ্ৰদ্ধা।।
সমাজতো খেলি-মেলি
মৰে সৃষ্টি হেঁচি-ঠেলি
নেদেখোনে সময়ত চকুহালো মুদা।
৮৭৪৩

(২)

এই যে দেৱতাবোৰে খাই ফুৰে ভোগ
নহয়নে ইবোৰৰ কেতিয়াও ৰোগ।।
হয় যদি কেনেবাকে
নাৰ্ছিংহোমতে থাকে
ছোৱালী চাবলে পায় তেতিয়া সুযোগ।।
৭০৩০

(৩)

সঁচা কথা কই যোৱা ওমৰ খয়াম
আছিল সঁচাকে এটা প্ৰেমৰ বয়াম।।
নিজে খালে যেনেকই
খোৱালেও তেনেকই
(ইয়াৰ পাছৰখিনি পালেহে জনাম)।।
৭৬৩৭


(৪)

বামুণে শূদিৰে যদি বহে শাৰী পাতি
ছল চাই এপাকত নিব আহি মাতি।।
লোহা তপতাই ল'ব
টিকা চাই দাগ দিব
কামটো মনুৱে কৰে (৮/২৮১) হেৰা
শালপতি।। ৭৭৩১

*ফোন : ৮৮১১৮২৭৪৩২*

## গণতন্ত্ৰত শনিৰ দশা চলিছে

**যিসকল** লোকে গুৰুতৰ অপৰাধ সংঘটিত কৰে, ৰাইজে সেইসকল অপৰাধীক আটক কৰি তাৎক্ষণিকভাৱে নজিৰবিহীন শাস্তি দিব লাগে বুলি দাবী জনাই,



ভৱিষ্যতে যাতে তেনে ঘটনা নঘটে তাৰ কাৰণে সকলো পক্ষই সন্তম হোৱাৰ কথা উল্লেখ কৰে। সিন্ধিৰ মুখত (আজি কালি সিন্ধি দি চোৰ কৰা নহয় যদিও) চোৰ ধৰা পৰাৰ পাছত চোৰক শাস্তি দিয়াৰ কথা ভাবিবৰ প্ৰয়োজনেই নকৰে। আগতে তেনে চোৰক লগে লগে শাস্তিৰ ব্যৱস্থা কৰিছিল, আজিৰ চিলনী চোৰক ধৰিব পাৰিলেও ৰাইজে লগে-লগে উত্তম-মাধ্যম, লপা-থপা দিয়াৰ পাছতহে পুলিচক চমজাই দিয়া হয়। ইয়াৰ বিপৰীতে যিবোৰ নৰহত্যাকাৰী, ধৰ্ষণকাৰী সিহঁতবোৰ অপৰাধীক আটক কৰোতে দীৰ্ঘ সময়ৰ প্ৰয়োজন হয়, কোনো কোনো ক্ষেত্ৰত। দুই-এগৰাকী অপৰাধীৰ শুংসূত্ৰহ নাপায় বহুদিনলৈ। তেনে অপৰাধৰ বিচাৰ বহু দিনলৈ শেষ নোহোৱা উদাহৰণ সংবাদ-পত্ৰৰ যোগেদি ৰাইজৰ অৱগত নোহোৱা নহয়। আকৌ অপৰাধী ধৰা পৰাৰ পাছত জেৰাৰ বাবে পুলিচৰ জিম্মাৰ পৰা, পুলিচৰ হাতৰ পিষ্টল কাঢ়ি লৈ, পুলিচকে গুলীয়াবলৈ চেষ্টা কৰি পলায়ন কৰিব লয়; তেনে অপৰাধীক পিছপিনৰ পৰা পুলিচে গুলীয়াই আহত কৰিলে বা মৃত্যু হ'লে, পুলিচৰ অপৰাধ হ'ব নেকি? পলাবলৈ চেষ্টা কৰা অপৰাধীক যদি পুলিচে ধৰিব নোৱাৰে তেতিয়া নানা প্ৰশ্নৰ অৱতাৰণা হোৱা দেখা নাযায়নে? কেনেকৈ পুলিচৰ ওচৰৰ পৰা বা হাতৰ পৰা পলায়ন কৰিব পাৰে বাৰু? ইত্যাদি প্ৰশ্নৰ। পুলিচৰ হাতৰ পৰা পিষ্টল কাঢ়ি লৈ পুলিচকে গুলীয়াবলৈ চেষ্টা কৰি পলায়ন কৰা অপৰাধীক পিছ পিনৰ পৰা গুলীৱাওতে অপৰাধীৰ মৃত্যু হ'লে পুলিচ গৰাকীৰ দোষ হ'ব নেকি? আমাৰ ভিতৰৰ কিছুমান মানুহে তেনে ঘটনা সংঘটিত হ'লে পুলিচৰ স্বেচ্ছাচাৰিতা বুলি দোষাৰোপ কৰে। আমাৰ আইন-ব্যৱস্থাৰ ত্ৰুটি তাতেই। এজন লোকে, এজন লোকক হত্যা কৰা কাৰ্য মানুহৰ চকুৰ আগতে ঘটা দেখাৰ পাছতো হত্যাকাৰীজনক, হত্যাকাৰী হয় নে নহয় ইত্যাদি নানা ধৰণৰ প্ৰশ্ন কৰা হয়, যাক জেৰা বুলি কোৱা হয়। তেনে প্ৰক্ৰিয়াৰ মাজত প্ৰকৃত দোষীও নিৰপৰাধী হোৱা আৰু নিৰপৰাধীও কেতিয়াবা অপৰাধী হোৱা উদাহৰণ ঘটে। আমাৰ বোধেৰে অপৰাধ সংঘটিত কৰা ব্যক্তিক হাতে-লোটে ধৰাৰ পাছত বিচাৰৰ প্ৰয়োজন থাকে ক'ত? এনে ব্যৱস্থাৰ কাৰণতে আমাৰ বিচাৰ প্ৰক্ৰিয়াত কেতিয়াবা-কেতিয়াবা সত্যৰো অথন্তৰ ঘটে, অসত্যৰ প্ৰাধান্যতাৰ ফলত।

মন কৰিছে নে ৰাইজ, আমাৰ মাজৰ গণ্য-মান্য শ্ৰেণীৰ ভিতৰৰ কিছুমান মানুহে গুৰুতৰ অপৰাধীক, গুৰুতৰ শাস্তি দিব নোৱাৰিলেও সমালোচনা কৰে, বিপৰীতে দিলেও সমালোচনা কৰে। সমালোচনা কৰাটোৱেই তেনে লোকৰ ধৰ্ম বুলি ভাবিব পাৰি নিশ্চয়! কেতিয়াবা-কেতিয়াবা এনে হোৱাও দেখা যায় যে অপৰাধীৰ পক্ষত থিয় হোৱা বা নিৰপৰাধীৰ পক্ষত থিয় নোহোৱা বা তাকৰ সংখ্যক লোকহে থিয় হোৱা উদাহৰণ। গণতান্ত্ৰিক দেশত, য'ত ৰাইজেই ৰজা হোৱাৰ বাবেই মতামতৰ লানি নিছিগা সোঁত বলে। আকৌ লেহেম গতিয়েই লেহুকা হোৱাৰ মৌলিক কাৰণ। 'Democracy is a bagar of 'institutions' গুণীজনৰ মন্তব্য সত্য প্ৰতিফলিত নহ'ব কিয়?

**কেশৱ শৰ্মা,** কৈৰাবা, নলবাৰী
ফোন : ৯৪০১৮-৭৯৪০৮

## বঁটা বাহনে অসমীয়া সাহিত্যৰ মান নিম্ন কৰিছে নেকি?

### বঁটা সমূহক লৈ বহুতে আজিকালি সন্দেহেৰে চায়। সেইদৰে সৎ আৰু সঁচা বঁটা প্ৰদান কৰি উৎসাহ যোগাই অহা অনুষ্ঠানসমূহ তথা এই বঁটা লাভ কৰা সকলেও বহু সময়ত লজ্জাবোধ কৰিবলৈ বাধ্য হৈছে একাংশ বঁটা প্ৰদানকাৰীৰ বাবে

**বৰ্তমান** সময়ত অসমীয়া সাহিত্যৰ জগতখনলৈ ব্যাপক পৰিৱৰ্তন আহিছে। বিশেষকৈ ছ'চিয়েল মিডিয়াত সাহিত্য চৰ্চাৰ এক পৰিৱেশ আহি যোৱাৰ লগে লগে সাহিত্য জগতখনৰ ৰং সলনি হৈ পৰিল। বহুতে সময় পাৰ কৰিবলৈ ছ'চিয়েল মিডিয়াত নিজৰ প্ৰতিভা প্ৰকাশৰ এক সহজ আৰু সুলভ মাধ্যমৰূপে ব্যৱহাৰ কৰিবলৈ ধৰিলে। বিশেষকৈ যি সকল মহিলাৰ প্ৰতিভা বিয়াৰ আগতে কিছু পৰিমাণে আছিল কিন্তু বিয়াৰ পাছত সময় আৰু পৰিৱেশত লুপ্ত হৈ গৈছিল, সেই সকল মহিলাৰ ক্ষেত্ৰত ছ'চিয়েল মিডিয়াই এক সুৱৰ্ণ সুযোগ আনি দিলে। আনহাতে যিহেতু ছ'চিয়েল মিডিয়াত নিজৰ প্ৰতিভা প্ৰকাশৰ একেবাৰে সহজ মাধ্যম দুটা হৈছে কবিতা আৰু শেহতীয়া সৃষ্টি অণুগল্প। ফলত অসমীয়া ভাষাত ছ'চিয়েল মিডিয়াত এতিয়া কবিতা আৰু অণুগল্প অণুগল্প। এয়া অসমীয়া ভাষাৰ বাবে এক শুভ লক্ষণ (?) ৰূপে বিবেচিত হ'ব।

### অভিমত

বৰ্তমান সময়ত এই দুটি বিষয় কবিতা আৰু অণুগল্পই ছ'চিয়েল মিডিয়াত ব্যাপক খলকনি তুলিছে। বৰ্তমান সময়ত ছ'চিয়েল মিডিয়াত (আমি ইয়াত অকল ফেচবুকৰ আলমত লিখিম) বিভিন্ন সাহিত্যৰ গোট গঠন হৈছে। এই গোটসমূহত বহু সদস্য আছে। এটি কথা ঠিক যে বহুজন সদস্য বিভিন্ন গোটত একে সময়তে আছে। এনে গোটসমূহে বিশেষ দিনবোৰত বিষয় লৈ কবিতা, অণুগল্পকে ধৰি বিভিন্ন প্ৰতিযোগিতা আয়োজন কৰি পুৰস্কাৰ দিয়া দেখা যায়। সেইদৰে প্ৰতিটো গোটে দৈনিক বিভিন্ন বিষয়ৰ যেনে- কবিতা পাঠ, অণুগল্প পাঠ আদিৰ লাইভ আয়োজন কৰে, ফলত বহুতে কবিতা, গল্প আদি লিখিবৰ বাবে প্ৰেৰণা পায়। এয়া এক শুভ কাৰ্য। কিন্তু আমি দেখিছো যে একো একোজন ব্যক্তিয়ে একেদিনাই কে'বাটাও কবিতা, অণুগল্প আদি লিখে। এয়া নিশ্চয় কম কথা নহয়। আজি কিছু দিনৰ আগতে এজন ব্যক্তিয়ে ৰাজহুৱাভাৱে কৈছিল যে মোৰ কবিতাৰ বাবে কেতিয়া গোটত দিম পঢ়িবৰ বাবে ৰৈ থাকে। বহু ফোন কৰে আজি গোটত দিয়া নাই কিয়? তেওঁ বহু কেইটা গোটত প্ৰতিদিনে দিয়ে। অৰ্থাৎ তেওঁৰ কবিতা তেওঁৰ মতে ছ'চিয়েল মিডিয়াত ব্যাপক চাহিদা আছে। এতিয়া দেখা গৈছে যে এজন এজনে (সকলো নহয়) দৈনিক ছ'চিয়েল মিডিয়াত কে'বাটাও কবিতা, অণুগল্প দিয়ে। অৰ্থাৎ তেওঁলোকৰ বাবে কবিতা, অণুগল্প ভাতৰ লগত পানী খোৱাৰ দৰে কথা।

এই ছ'চিয়েল মিডিয়াত থকা গোটসমূহে বিভিন্ন ধৰণৰ বঁটা বাহন দিয়াৰ ব্যৱস্থা কৰিছে। এই গোটসমূহেই নহয় অন্য অনুষ্ঠান-প্ৰতিষ্ঠানে বিভিন্ন ধৰণৰ বঁটা দিয়ে। বৰ্তমান সময়ত সাহিত্য ক্ষেত্ৰখনত বঁটা দিয়া ব্যৱস্থা ইমান বাঢ়িছে যে, বহুতে ক'বলৈ লাজ কৰা ধৰণৰ অৱস্থা হৈছে। এই ধৰণৰ বঁটা প্ৰদান কথা আৰু ইয়াৰ বিভিন্ন ধৰণৰ কথা ছ'চিয়েল মিডিয়া আৰু সাধাৰণ মানুহৰ মুখে মুখে প্ৰচাৰ হ'বলৈ ধৰিছে। ফলত বঁটা সমূহক লৈ বহুতে আজিকালি সন্দেহেৰে চায়। সেইদৰে সৎ আৰু সঁচা বঁটা প্ৰদান কৰি উৎসাহ যোগাই অহা অনুষ্ঠানসমূহ তথা এই বঁটা লাভ কৰা সকলেও বহু সময়ত লজ্জাবোধ কৰিবলৈ বাধ্য হৈছে একাংশ বঁটা প্ৰদানকাৰীৰ বাবে। শেহতীয়াকৈ দেখা গৈছে বঁটা গ্ৰহণৰ সময়ত বঁটা প্ৰাপকৰ ভিৰ, বহুজনে লাভ কৰে আৰু বঁটাৰ নাম দেখিলে আপোনাৰ চকু কপালত উঠিবগতিকে বঁটা বাহনে শেহতীয়াকৈ অসমীয়া সাহিত্যৰ জগতখনৰ ব্যাপক ক্ষতি কৰিছে। সময় থাকোতে এই দিশত সচেতন নহ'লে সাহিত্য দিশত সাধাৰণ ৰাইজে ভালধৰণে নাচাব।

**বিপুল শৰ্মা,** ফোন : ৮০১১৫৯০৩৭৯

দৈনিক অগ্ৰদূত

# মানুহৰ বাবে ভাবিলেই অসমীয়া চিৰদিন জীয়াই থাকিব

ধোঁৱা আৰু ছাই তিমিৰাছন্ন কৰি তোলে দেশৰ আকাশ, মানুহৰ পোৰা মঙহৰ দুৰ্গন্ধই দুৰ্ঘটনাগ্ৰস্ত বিশাল দেশৰ চৌদিশ অপৱিত্ৰ কৰি তোলে। জীৱিতসকল ভীত-সন্ত্ৰস্ত হৈ তেনে অশুভ পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পাবলৈ নেদেখা ঈশ্বৰক পৱিত্ৰচিত্তে প্ৰাৰ্থনা কৰে। তথাপি তেনে মানুহকো আমাৰ বিশ্বখনিকৰে বহুতো সময়ত ৰক্ষা কৰিব নোৱাৰাত পৰে। তাৰ কাৰণ— মানুহ নিজে। আমি জানোৱেই যে ভগৱান নিৰ্মোহ, নিৰাকাৰ, নিস্পৃহ আৰু নিৰপেক্ষ। তেওঁৰ পৱিত্ৰ-সৃষ্টিত মানুহ নামৰ দানৱে যেতিয়া বিশৃংখলাৰ সৃষ্টি কৰে, তেতিয়া তেৱোঁ অসহায় হৈ পৰে।




**আধুনিক** যুগ মানে এতিয়া সঁচাই আধুনিক যুগ-বিজ্ঞানৰ যুগ। কথা বুলিলেই বতাহত উৰি ফুৰে, বতাহ যিফালে গতি কৰে, সেই ফালেই আমি সৃষ্টি কৰা শব্দব্ৰহ্মবোৰ বতাহৰ ঢৌৱে ঢৌৱে ঢৌ খেলি নিৰন্তৰ উঠা-নমা কৰি নিজৰ অস্তিত্ব ঘোষণা কৰি ফুৰে। ভাল কথা হ'লে সেই শব্দব্ৰহ্মই মানুহ গঢ়ে, মানুহে সমাজ গঢ়ে। বেয়া কথা হ'লে তাৰ ঠিক বিপৰীতটো সংঘটিত হয়। বেয়া কথা বা কামে সমাজত কুপ্ৰভাৱ পেলাই সমাজ কলুষিত কৰে, বিদ্যুৎ গতিত একোখন গাঁও বা সমাজ নৰকলৈ টানি লৈ যায়। তেনেকৈ নৰকগামী হোৱা গাঁৱত জুই জ্বলে, সমগ্ৰ অঞ্চল বা দেশ সেই জুয়ে ছাটি ধৰে, বতাহত কুকুহা উৰে। ধোঁৱা আৰু ছাই তিমিৰাছন্ন কৰি তোলে দেশৰ আকাশ, মানুহৰ পোৰা মঙহৰ দুৰ্গন্ধই দুৰ্ঘটনাগ্ৰস্ত বিশাল দেশৰ চৌদিশ অপৱিত্ৰ কৰি তোলে। জীৱিতসকল ভীত-সন্ত্ৰস্ত হৈ তেনে অশুভ পৰিস্থিতিৰ পৰা পৰিত্ৰাণ পাবলৈ নেদেখা ঈশ্বৰক পৱিত্ৰচিত্তে প্ৰাৰ্থনা কৰে। তথাপি তেনে মানুহকো আমাৰ বিশ্বখনিকৰে বহুতো সময়ত ৰক্ষা কৰিব নোৱাৰাত পৰে। তাৰ কাৰণ— মানুহ নিজে। আমি জানোৱেই যে ভগৱান নিৰ্মোহ, নিৰাকাৰ, নিস্পৃহ আৰু নিৰপেক্ষ। তেওঁৰ পৱিত্ৰ-সৃষ্টিত মানুহ নামৰ দানৱে যেতিয়া বিশৃংখলাৰ সৃষ্টি কৰে, তেতিয়া তেৱোঁ অসহায় হৈ পৰে। ভগৱান দয়াৰ আকৰ, কিন্তু কৰ্মক্ষেত্ৰত সংগ্ৰাম কৰোঁতাসকল হ'ল মানুহ। মানুহে নিজৰ চৰিত্ৰ তথা কৰ্ম অনুসাৰে পৃথিৱীৰ কামবোৰ নিজে কৰে। গতিকে পৃথিৱীৰ সমূহ কৰ্মৰ বাবে মানুহ নিজে দায়বদ্ধ। মানুহৰ কাম ভগৱানে কৰি শান্তিৰ নিজৰা বোৱাব নোৱাৰে। আমি নিজে আমাৰ কাম কৰিব লাগিব, সেই কাম ভগৱানে কৰি নিদিয়ে। মাতৃয়ে শিশুক দুগ্ধ-দান কৰে, কিন্তু শিশুৱে তাক নিজে পান কৰি পেটলৈ নিব লাগিব। তেহে পেট ভৰিব।

কথাত কথা ওলায়। আজিৰ দিনৰ 'ৱাটছ্এপ'ত বা তেনে ইলেকট্ৰনিক মাধ্যমত একোটা খবৰ বা অন্য মতামত বিজুলি বেগত সমগ্ৰ বিশ্বত বিয়পি পৰিব পাৰে। তেনে মাধ্যমবোৰৰ যোগেদি খবৰ-বাতৰি লেকাম নোহোৱা ঘোঁৰাৰ দৰে মুক্ত মনে নগৰ-চহৰ, গাঁও-ভূঁই, আকাশ-বতাহ, নৈ-নলা বা বিশাল সমুদ্ৰপৃষ্ঠত নিমিষতে প্ৰসাৰিত হৈ পৰিব পাৰে। ক'তো কোনোধৰণৰ বাধা বা নিষেধাজ্ঞা নাই। দুজনমানৰ পৰা সহস্ৰাধিক মানুহৰ মাজত যিকোনো খবৰ ফাগুনৰ বনজুইৰ দৰে বিয়পি পৰিব পাৰে। কাৰো বাধা নমনা এই খবৰবোৰে ভাল বা বেয়া যিকোনো কাম ততালিকে সম্পন্ন কৰি তুলিব পাৰে। আধুনিক জগতত ই নিশ্চয়কৈ ভালেই হৈছে। বেয়া কামত লগালে বেয়া হ'ব বুলিয়ে এনে মাধ্যমবোৰক নিপাত যাবলৈ আমি শাওপাত দিব নোৱাৰো। বৰঞ্চ বহুত ক্ষেত্ৰত ই আমাৰ বাবেও জ্ঞান বিতৰণৰ আহিলাৰূপেহে বিবেচিত হ'ব পাৰে। নিচেই পুৱাতে বন্ধু বা পৰিচিত ব্যক্তিৰ পৰা যিবোৰ বাণী আহে, সেইবোৰৰ প্ৰায় ৯৯.৯ শতাংশই প্ৰেৰণাদায়ক, জ্ঞানদায়ক। আমি অকপটে কওঁ, তেনে বাণীবোৰে আমাকো বিস্তৰ জ্ঞান প্ৰদান কৰি ক্ষন্তেকৰ বাবে হ'লেও জ্ঞানৱন্ত কৰি তোলে। গভীৰলৈ নগৈ কোনোবাই ওপৰতে কোৱা কথা আমাক নালাগে। চোকা দাখন বা আণৱিক বোমাটো তেতিয়ালৈকে মংগলময় হৈয়ে থাকে, যেতিয়ালৈকে গৰাকীয়ে দাখন বা আনৱিক বোমাটোৰ সুফল আৰু কুফলৰ কথা হৃদয়ংগম কৰিব পাৰে। আজি ৱাটছ্এপত অহা ভাল কবিতা এটাৰ কথাৰে গোটাচেৰেক কথা কওঁ।

ভাল কবিয়ে ভাল কবিতা লিখেই। হেম সৰস্বতীৰ কবিতা, মাধৱ কন্দলীৰ কবিতাৰ পৰা হীৰেন ভট্ট, নীলমণি ফুকনলৈকে; জীৱন নৰহ, সনন্ত তাঁতীৰ পৰা আজিৰ নতুন কবিসকললৈকে মানুহে ভাল পোৱা বা বুজি পোৱা অজস্ৰ কবিতা লিখিছে। সেয়া অসমীয়া সাহিত্যৰ বাবে নিশ্চয়কৈ ভাল কথা হৈছে। দুদিনমান আগতে, পুৱাতে (২৪.৩.২২) আমাৰ ৱাটছ্এপত কবিতা এটাই ভুমুকি মাৰি আহি ভাবুক কৰি তুলিলে। কবিতাটোৰ তলত কবিয়ে নামটো 'বনলতা শৰ্মা' বুলি লিখিছে। কবিতাৰ শিৰোনাম- 'মানুহ মৰে ক'ত?' কবিক আমি নাজানো, আগতে ক'ৰবাত তেওঁৰ কবিতা পঢ়িছো যদিও মনত পৰা নাই। কিন্তু যিটো কবিতা আমাৰ ৱাটছ্এপত আহিল, সি নিঃসন্দেহে এটা ভাল কবিতা। চন্দনা গোস্বামীয়ে প্ৰথমখন উপন্যাস লিখিয়ে সাহিত্য অকাডেমীৰ পুৰস্কাৰ পোৱাৰ দৰে, সেই কথাটোত বহুতে বেয়া পাইছিল-বিতৰ্কৰ বিষয় কৰি তুলিছিল, এই কবিতাটোৱেও মানুহৰ পৰা প্ৰশংসা পোৱাৰ যোগ্য বুলি আমি বিবেচনা কৰো। গতিকে সেই কবিতাটোৰ অৱলম্বনতে মানুহৰ বিষয়ে কেইটামান কথা লিখাৰ প্ৰয়াস কৰিছো। কবিতাটো কাৰ, সেই কথানো আমাক কিয় লাগে? কবিতাটোৱে কি কৈছে তাৰ কথাহে আমাক লাগে। যোৰহাটৰ ককা নীলমণি ফুকনে এবাৰ, ককা বেণুধৰ শৰ্মাৰ গুৱাহাটীৰ ৰিহাবাৰীৰ ঘৰত আমাক কৈছিল, 'হেৰা সেইবোৰ কবিতা মই লিখা নাইহে, কোনোবা আন নীলমণিয়ে লিখা...' ককাই তেতিয়াৰ (১৯৭২) ডেকা নীলমণি ফুকনৰ কৱিতা সম্পৰ্কে সেইদৰে কৈছিল। সেই নীলমণি ফুকনে এইবেলি জ্ঞানপীঠ বঁটা লাভ কৰি অসমীয়া সাহিত্যলৈ সুনাম কঢ়িয়াই আনিছে। গতিকে কোনে কি প্ৰতিভাৰে আজি বা কালিলৈ কি কৰ্ম কৰি থৈ যায়, তাক আগতীয়াকৈ, নিৰ্ভুলকৈ কোৱা টান।

আলোচ্য কবিতাটোৰ প্ৰথম স্তৱকটো হ'ল— 'কাশ্মীৰত হিন্দু মৰিছিল, গুজৰাটত মুছলমান। আমাৰ ইয়াত মানুহ মৰে, কাৰোবাৰ আই কাৰোবাৰ পিতাই, কাৰোবাৰ ভাই বা ককাই'। কবি বনলতাই 'ইয়াত' শব্দটোৱে অসমৰ কথাকে কৈছে।



**অৱলোকন**

**ৰামচন্দ্ৰ চুতীয়া**

তাৰ মানে অসমত মানুহৰ মৃত্যু প্ৰসংগত জাত-পাতৰ লগত কোনো সম্পৰ্ক নাই। ইয়াত মানুহৰ লগত মানুহৰ সম্পৰ্ক অতি নিবিড়, মানৱীয় গুণেৰে সকলোকে সমান কৰি ৰাখিছে। হিন্দুৰ সনাতন ধৰ্মত সেয়েহে বোধহয় কোৱা হৈছে, 'কুকুৰ শৃগাল গৰ্দভৰো আত্মা ৰাম।' আমাৰ শংকৰদেৱ-মাধৱদেৱ আৰু আজান ফকিৰে সেই কথা প্ৰায় ছশ বছৰ আগতে কৈ গৈছে। আজান ফকিৰে খোলাকৈয়ে কৈছে, 'হিন্দু কি মুছলমান একে আল্লাৰ ফৰমান, মোৰ মনত ভেদভাব নাই।' খাৰখোৱাবোৰে একালত ধৰ্মান্তৰিত হৈ মুছলমান হোৱাৰ বাবে এই বাণীটো গ্ৰহণ কৰাত কোনো দিন আপত্তি কৰা নাই— আনসকলেও কৰা নাই। ভূপেনদাৰ যুগজয়ী মহম্মদ ৰফীৰ লগত কণ্ঠদান কৰা অসমীয়া-কাৱালীটোৰ মৰ্ম কথা কোনো অসমীয়াই নাপাহৰে। আব্দুল মালিক কাইটিকো মুছলমান বুলি কোৱাসকলে তেওঁৰ জানাজাৰ সময়ত হিন্দু-মুছলমানৰ উপস্থিতিয়ে কি কথাৰ প্ৰমাণ কৰিলে, সেই কথাৰ প্ৰকৃত সম্ভেদ পালে। তেওঁৰ দৰে তেনেই সাধাৰণ মানুহজন যে 'চিৰদিন অসমীয়া হৈ' অসমীয়াৰ কলিজাত বহি আছিল, সেই কথাৰ খবৰ মৃত্যুৰ বেলাও প্ৰমাণ কৰি গৈছে। 'আনএটেনণ্ডেড' অসম-অসমীয়াৰ প্ৰকৃত সৈন্যজনক বিদায়ৰ বেলাত শেষ শ্ৰদ্ধাঞ্জলি জনোৱা সেই কথাষাৰ হোমেন বৰগোহাঞিয়ে লিখি থৈ গৈছে। অসমত এনেকুৱা অজস্ৰ প্ৰমাণ আছে। 'জ্ঞান-মালিনী'ৰ কবি মফিজুদ্দিন আহমদ হাজৰিকাৰ দৰ্শন কোন জ্ঞানৱন্ত অসমীয়াই অস্বীকাৰ কৰাৰ সাহস গোটাব পাৰিব।

কবিতাটোৰ দ্বিতীয় স্তৱকটো পঢ়ক, 'সিহঁতৰ তাত হিন্দু মৰিলে মুছলমান সুখী, মুছলমান মৰিলে হিন্দু। আমাৰ ইয়াত মানুহ মৰে, সেয়ে — ছাদিকুৰ হাছানৰ কবৰ দি আহি, হৰিকান্তই এসাজ লঘোণ দিয়ে।' ইয়াৰ প্ৰথম শাৰী দুটা অগ্ৰহণীয়। কিয়নো কাশ্মীৰেই হওক বা গুজৰাটেই হওক, হিন্দু মৰিলে মুছলমান সুখী হোৱা আৰু মুছলমান মৰিলে হিন্দু সুখী হোৱা কথাটো সাধাৰণীকৰণ কৰিব নোৱাৰি। কাশ্মীৰত যদি এশজন হিন্দু মৰিছিল, তাত সেই পৰিস্থিতিত কিন্তু মুছলমান দুহেজাৰজন মৰিছিল, হিন্দুপণ্ডিতৰ দৰে তেওঁলোককো মুছলমানেই মাৰিছিল। সন্ত্ৰাসবাদীয়ে স্বাৰ্থ পূৰণৰ সময়ত সেইবোৰ কথা বৰকৈ মনত নাৰাখে। সমুখত যাকে পায় তাকে নিধন কৰে। গুজৰাটতো সেই একে কথা। হিন্দুৰ কাৰণে মুছলমানে আৰু মুছলমানৰ কাৰণে হিন্দুৱে প্ৰাণ দিয়াটো আমাৰ দেশত একো নতুন কথা নহয়। আৰ. টি. আইৰ প্ৰতিবেদন আৰু দেশৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ সময়ত হোৱা অঘটনবোৰৰ ইতিহাসবোৰ মেলি চালেই হ'ল। মনটো মানৱীয়তাৰ খাটিৰত অকণমান খোলা কৰি বিচাৰ কৰিব পাৰি।

দ্বিতীয় স্তৱকটোৰ 'ছাদিকুৰ হাছানৰ কবৰ দি হৰিকান্তই এসাঁজ লঘোণ দিয়ে।' এইকথা কিমান গভীৰ, অৰ্থপূৰ্ণ আৰু হৃদয় বিদাৰক সেইকথা বুজাইহে বুজে। আজিৰ পৰা ২৭ বছৰ আগতে অৰুণাচলৰ আমাৰ সহকৰ্মী শিক্ষক উত্তৰ প্ৰদেশৰ মহম্মদ কোৰেশ্বীয়ে অৰুণাচলৰ পাহাৰৰ পৰা ৪০ ফুট তললৈ খহি পৰা ট্ৰাক দুৰ্ঘটনাত মৃত্যু হোৱা তেওঁৰ বিহাৰৰ হিন্দু বন্ধুক চিতাত তুলি আহি গধূলি অন্ন মুঠি ধৰা নাছিল। কৈছিল, 'ছাৰ আজি খানা খোৱা নহ'ব, মনটো বৰ বেয়া লাগি আছে।' এই যে মনটো বৰ বেয়া লাগিছে বুলি ক'লে, ইও মানৱতাৰ খবৰ নিদিয়ে নে? গতিকে ৰতিকান্তই হাছানৰ কবৰ দি আহি লঘোণ দিয়াটো তেনেই স্বাভাৱিক কথা। কবিৰ গভীৰ দৰ্শন প্ৰশংসনীয়।

কবি বনলতা শৰ্মাৰ কবিতাটোৰ তৃতীয় স্তৱকটোতো সেই একে দৰ্শন প্ৰকাশ পাইছে। তেওঁ লিখিছে, 'যোৱা বেলি, পূজাৰী যজ্ঞেশ্বৰ শৰ্মাৰ মাতৃৰ শ্ৰাদ্ধত, ইছমাইল শ্বাহে এমোন গাখীৰ দিছিল। সিহঁতৰ বাবে হিন্দু কেৱল হিন্দু, আৰু মুছলমানবোৰ কেৱল মুছলমান। আমাৰ বাবে হিন্দুওচোন মানুহ, আৰু মুছলমানো।' ইমান সুন্দৰ স্তৱকটো ব্যাখ্যাৰ আৰু কোনো প্ৰয়োজন নাই। স্তৱকটো পঢ়িলে ভুপেনদাৰ 'মানুহে মানুহৰ বাবে' কালজয়ী গীতটোলৈ মনত পৰে। তলৰ দীঘলীয়া স্তৱকটো আৰু সুন্দৰ হৈছে, কবিৰ ভাষাত— 'তেওজ বেলি বানে ধোৱা হিন্দু গাঁৱৰ, মানুহবোৰ, ৰসশলা মছজিদতে উঠিছিল, ফজৰৰ আজান আৰু গুৰুজনাৰ কীৰ্তনৰ সুৰ, একেলগে বাজিছিল। আমাৰ গাঁৱত, কানাই দাসে, ৰেণু বেগমৰ জীয়েকলৈ, কেতেকী ফুল বিচাৰি নগা পাহাৰ বগায়, ঈদৰ মিঠাই, বিহুৰ পিঠা এক হৈ জুৰাই।' সমাজত এনে সমন্বয়-সম্প্ৰীতি এতিয়াও আছে। দেশৰ বহুত ঠাইত হিন্দু-মুছলমানে একেখন গাঁৱতে বাস কৰে। এভাগ হিন্দু এভাগ মুছলমান। অন্ধলাবোৰেহে নেদেখে। হিন্দুৰ বহু মন্দিৰত মুছলমানে খীৰ বা মিঠাই বনাই দৰ্শনাৰ্থীক খুউওৱাৰ কথাবোৰ জানিও নজনাৰ ভাও জুৰা মানুহবোৰ কেনে দেশপ্ৰেমিক? বানৰ কবলত পৰা নামঘৰ সুৰক্ষিত স্থানলৈ স্থানান্তৰ কৰা, তিৰাশীৰ জুয়ে পোৰা বছৰত কিছুমান হিন্দুৰ ধৰ্মীয়স্থলী, নামঘৰ মুছলমানে ৰক্ষা কৰাৰ কথা, নিৰপেক্ষ চিন্তাশীল মানুহে অকপটে আজিও স্বীকাৰ কৰে। 'কাশ্মীৰ ফাইলছ' ছবিখনৰ নিৰ্মাতাজনে সেইকথা নুবুজিব।

ৰচনাখন দীঘলীয়া হৈছে, তথাপি কবিতাটোৰ শেষৰ স্তৱক দুটিও যোগ নিদিয়াকৈ থাকিব নোৱাৰিলো। কবিয়ে লিখিছে, 'গধূলি, চাৰিআলিৰ চ'কত, ৰহিম চাচাই হোপা বিড়িটোত, মঙলা ককায়ে দুটা হোপাৰে দেহা শাঁত পেলায়। জেৰিণা-সতৰামৰ প্ৰীতিৰ কাহিনী ৰূপকথা, হৈ বৰণ সলায়। মানুহবোৰ মানুহ নোহোৱালৈকে, মানুহ নমৰে, মাথোঁ কেতিয়াবা হিন্দু মৰে, আৰু কেতিয়াবা মুছলমান।'

মানুহৰ মাজত থকা সমন্বয়-সম্প্ৰীতি চকু চৰহা কেইটাই দেখিব নোৱাৰি সমাজত অসূয়া-অপ্ৰীতিৰ বীজ সিঁচি চিৰকাল ক্ষমতাৰ বাঘজৰীডাল ধৰি ৰাখিব খোজে, ই কেতিয়াও জীয়া জাতিৰ সুলক্ষণ নহয়। আনে যিয়ে নকৰক, সমূহ অসমীয়াই কিন্তু জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে 'মানুহে মানুহৰ বাবে ভবা' নিজৰ অসমীয়াত্ব কোনো কাৰণতে ত্যাগ কৰা উচিত নহয়। প্ৰত্যেকেই অসমীয়া হৈ থাকিলেই অসমত অসমীয়া চিৰকাল জীয়াই থাকিব।

*ফোন ঃ ৭০৮৬২ ১৭৪২৫*



# কাশ্মীৰ ফাইলছ্

**পল্লৱ ভট্টাচাৰ্য্য**

গোড়া ইহুদী বংশৰ পৰা অহা আমেৰিকান পৰিচালক, প্ৰযোজক আৰু চিত্ৰনাট্যকাৰ ষ্টিভেন এলান স্পিলবাৰ্গে ২০০৩ত যুগান্তকাৰী চলচ্চিত্ৰ 'শ্বিণ্ডলাৰ্ছ লিষ্ট' নিৰ্মাণ কৰে আৰু ই সাতটা একাডেমী বঁটা, সাতটা বাফ্টা আৰু তিনিটা গ'ল্ডেন গ্লোব বঁটা লাভ কৰিবলৈ সক্ষম হয়। ইয়াক সাংস্কৃতিক, ঐতিহাসিক বা নান্দনিকভাৱে গুৰুত্বপূৰ্ণ হিচাপে মনোনীত কৰা হৈছিল আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ পঞ্জীত সংৰক্ষণৰ বাবে বাছনি কৰা হৈছিল। এইটো উল্লেখ কৰা উচিত যে ছবিখন এজন জাৰ্মান উদ্যোগপতিৰ জীৱন অনুসৰণ কৰি কিদৰে তেওঁ এহেজাৰতকৈও অধিক পুলিচ ইহুদী শৰণাৰ্থীক হ'ল'কাষ্ট নৰসংহাৰৰ পৰা ৰক্ষা কৰিছিল তাৰ হৃদয়স্পৰ্শী বিৱৰণ সুন্দৰভাৱে দৰ্শকৰ মাজত উপস্থাপন কৰি সকলোৰে মন জয় কৰিবলৈ সক্ষম হৈছিল। অন্যাৰ্থত, চিনেমাখনৰ গ্ৰহণযোগ্যতা সাৰ্বজনীন আছিল।

আজি ভাৰতৰ লগত অসমতো 'কাশ্মীৰ ফাইলছ' নামৰ ছবিখনে এক আলোড়নৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। এক সমীক্ষা মতে ১১ মাৰ্চত মুকলি হোৱা ছবিখনে ২২ মাৰ্চৰ ভিতৰত দুশ কোটি টকাৰ অধিক উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। যদি আমি 'শ্বিণ্ডলাৰ্ছ লিষ্ট' নামৰ ছবিখনৰ লগত 'কাশ্মীৰ ফাইলছ্'ৰ এক তুলনামূলক খতিয়ান দৰ্শকৰ জ্ঞাতাৰ্থে পৰিবেশন কৰো, কে'বাটাও গুৰুত্বপূৰ্ণ বিষয় আৰু আৱেগ উদ্দীপিত হয়।

চলচ্চিত্ৰখনৰ আলোচনাযোগ্য প্ৰথম গুৰুত্বপূৰ্ণ বিষয়টো হ'ল যে ১৭ মাৰ্চত জম্মু-কাশ্মীৰৰ এখন আদালতে প্ৰযোজকসকলক নিৰ্মল খান্নাৰ আবেদনৰ ভিত্তিত প্ৰয়াত ভাৰতীয় বায়ুসেনাৰ স্কোৱাড্ৰন লিডাৰ ৰবি খান্নাক দেখুওৱাত বাধা আৰোপ কৰিছিল আৰু দাবী কৰিছিল যে দৃশ্যটো তথ্যৰ বিপৰীত আছিল। ১৯৯০ৰ ২৫ জানুৱাৰীত শ্ৰীনগৰত জেকেএলএফৰ মুৰব্বী য়াছিন মালিকৰ নেতৃত্বত এটা গোটে গুলীয়াই হত্যা কৰা চাৰিজন ভাৰতীয় বায়ুসেনা বাহিনীৰ কৰ্মীৰ ভিতৰত ৰবি খান্না এজন আছিল। ভুক্তভোগী পত্নীৰ এই আবেদনে ছবিখনৰ যথাৰ্থতা সম্পৰ্কে সন্দেহৰ উদ্ৰেক কৰে।

দ্বিতীয়তে, ছবিখনে উগ্ৰবাদৰ সময়ত কাশ্মীৰী পণ্ডিতসকলৰ ওপৰত সংঘটিত 'গণহত্যা' আৰু 'প্ৰস্থান' শব্দৰ ব্যাপক ব্যৱহাৰ আৰু ইয়াৰ জৰিয়তে হ'ল'কাষ্টৰ প্ৰসংগ অৱতাৰণা কৰে। এই যুক্তিৰ সমৰ্থনত হিন্দু মৃতকৰ সংখ্যা বৃদ্ধি কৰি সশস্ত্ৰ সংঘৰ্ষ আৰম্ভ হোৱাৰ পৰা ৪,০০০ কাশ্মীৰী পণ্ডিত নিহত আৰু পাঁচ লাখ স্থানচ্যুত হৈছে বুলি দাবী কৰা হয়। আনহাতে, ছ'চিয়েল মিডিয়াত ভাইৰেল হোৱা হাৰিয়ানাৰ পানীপথৰবাসিন্দা আৰ পি কাপুৰে দাখিল কৰা আৰটিআই আবেদন অনুসৰি, সন্ত্ৰাসবাদৰ আৰম্ভণিৰ পৰা সন্ত্ৰাসবাদীৰ আক্ৰমণত নিহত হোৱা কাশ্মীৰী পণ্ডিতৰ সংখ্যা ৮৯ জন। ২০১৮ত শ্ৰীনগৰত অচিনাক্ত বন্দুকধাৰীয়ে গুলীয়াই হত্যা কৰা এজন সাংবাদিক সুজাত বুখাৰীৰ 'দি হিন্দু' কাকতত প্ৰকাশিত প্ৰতিবেদন অনুসৰি এই সংখ্যাটো ২১৯। শেহতীয়াকৈ 'ছেভেন এক্সোডছ এণ্ড দ্য



এথনিক ক্লিনজিং অফ কাশ্মীৰী হিন্দুজ' নামৰ প্ৰতিবেদনত গৱেষণাকাৰী 'থিংকটেংক' চেণ্টাৰ ফৰ ইণ্টিগ্ৰেটেড এণ্ড হোলিষ্টিক ষ্টাডিজে ১৯৮৯ৰ মাৰ্চৰ পৰা ২০০৩ৰ মাৰ্চলৈকে উপত্যকাত সম্প্ৰদায়টোৰ বিৰুদ্ধে হত্যা, ধৰ্ষণ আৰু হিংসাৰ নিৰ্বাচিত নথিভুক্ত গোচৰৰ এখন গ্ৰাফিক তালিকা প্ৰকাশ কৰিছে। ৰহস্যৰ আবৰ্তত থকা মৃত্যুৰ সংখ্যাৰ ওপৰত এনে বিসংগতি অতি সোনকালে উন্মোচন কৰাটো সময়ৰ আহ্বান।

তৃতীয়তে, কাশ্মীৰী পণ্ডিতসকলৰ গণ প্ৰস্থানৰ বাবে কি কাৰকে প্ৰেৰিত কৰিছিল, কোনে এই সিদ্ধান্ত লৈছিল আৰু এইটো কি মূল্যায়নৰ ওপৰত আধাৰিত আছিল— এই সমগ্ৰ ব্যৱস্থাৰ উন্মোচন দেশৰ জনসাধাৰণৰ মাজত ভুৱা তথ্যৰ প্ৰচলনত বাধা দিয়াৰ ক্ষেত্ৰত জৰুৰী। শ্ৰীনগৰ, অনন্তনাগ, বাৰামুলা আদি অঞ্চলত কেন্দ্ৰীভূত কাশ্মীৰী পণ্ডিতসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে পলায়নৰ বাহিৰে আন উপায় আছিল নেকি ই এক বিচাৰ্য বিষয়।

চতুৰ্থ বিচাৰ্য বিষয় হৈছে, জম্মুৰ কাশ্মীৰী পণ্ডিত থকা শিবিৰসমূহত ব্যৱস্থা কিয় মাহ-বছৰৰ পাছতো ইমান বেয়া হৈ আছে তাৰ কাৰণ।

পঞ্চমতে, ১৯৮৯ত মুছলমান সংখ্যাগৰিষ্ঠ ৰাজ্য জম্মু-কাশ্মীৰত হিংসাত্মক জাতি-ধৰ্মীয় বিদ্ৰোহৰ আকস্মিক উত্থানৰ কাৰণটোৰ সঠিক পৰীক্ষাৰ প্ৰয়োজন। পূৰ্বৰ জম্মু আৰু কাশ্মীৰৰ ডিজিপি শীশ পাল বৈদে ২০২২ ৰ ১৬ মাৰ্চত কৰা এটা টুইটৰ জৰিয়তে প্ৰকাশ কৰিছিল যে আইএছআইৰ দ্বাৰা প্ৰশিক্ষণপ্ৰাপ্ত ৭০ জন সন্ত্ৰাসবাদীৰ প্ৰথম দলটোক জম্মু আৰু কাশ্মীৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল, কিন্তু সেই সময়ত লোৱা ৰাজনৈতিক সিদ্ধান্তৰ দ্বাৰা তেওঁলোকক মুকলি কৰি দিয়া হৈছিল আৰু কালক্ৰমত এই সন্ত্ৰাসবাদীয়ে জম্মু-কাশ্মীৰৰ বহুতো সন্ত্ৰাসবাদী সংগঠনক নেতৃত্ব দিছিল। এই কঠোৰ ইছলামী সন্ত্ৰাসবাদীসকলক ফাৰুক আব্দুল্লা (১৯৮৭-১৯৯০) চৰকাৰে মুকলি কৰি দিছিল আৰু পাছত তেওঁলোকে হিন্দুসকলক হত্যা কৰিছিল। কেন্দ্ৰত ৰাজীৱ গান্ধী নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰৰ ফালে আঙুলি তুলি ডিজিপিয়ে কৌতুক কৰি কয়, '১৯৮৯ৰ কেন্দ্ৰীয় চৰকাৰৰ অজ্ঞাতে এইটো সম্ভৱ হ'ব পাৰিলেহেঁতেন নেকি?'

শেষত চিনেমাখনৰ কিছুমান দৃশ্যৰ চিত্ৰণ অতি নাটকীয় আৰু উত্তেজনাপূৰ্ণ যেন ভাব হয়। ছবিখনে উগ্ৰপন্থীৰ বাহিৰেও কাশ্মীৰৰ মুছলমানসকলক হিন্দুসকলৰ বহিষ্কৰণত হাত উজান দিয়া বুলি ৰং দিবলৈ প্ৰচেষ্টা কৰা অনুভূত হয়, কিয়নো ভুক্তভোগীৰ সংখ্যা অতিৰঞ্জিত কৰা হৈছে। কিছু দৰ্শকে অভিযোগ কৰিছে যে ছবিখনে হিংসাৰ প্ৰদৰ্শনৰ জৰিয়তে দৰ্শকক আকৃষ্ট কৰিবলৈ অহোপুৰুষাৰ্থ কৰা দৃষ্টিগোচৰ হৈছে, 'সোঁপন্থী' মানসিকতা প্ৰদৰ্শন কৰিছে আৰু কল্পকাহিনীবোৰ কথোপকথনৰ দ্বাৰা উত্তেজনাপূৰ্ণ কৰা হৈছে।

এক তথ্য অনুযায়ী ১৯৯০ৰ ২০ জানুৱাৰীৰ পৰা কাশ্মীৰী পণ্ডিতসকলে প্ৰথমে কাশ্মীৰ ত্যাগৰ ধাৰা আৰম্ভ কৰিছিল। তেওঁলোকে যিকোনো যান-বাহনত খৰখেদাকৈ সামগ্ৰী লৈ উপত্যকা এৰিবলৈ আৰম্ভ কৰে। উল্লেখ্য যে ৰাষ্ট্ৰপতি শাসনৰ পাছত ১৯৯০ৰ ২১ জানুৱাৰীত চিআৰপিএফৰ দ্বাৰা সংঘটিত হ'ল গাওকাদাল দলং গণহত্যা য'ত এক অসমৰ্থিত তথ্য অনুযায়ী ১৬০ জন কাশ্মীৰী মুছলমানৰ মৃত্যু হৈছিল। এই ঘটনাৰ উল্লেখ ছবিখনত থাকিলে ইয়াৰ বিশ্বাসযোগ্যতা নিশ্চয় বাঢ়িলহেঁতেন।

এই দুটা ঘটনা অৰ্থাৎ পণ্ডিতসকলৰ জনমভূমি ত্যাগ আৰু গাওকাদাল গণহত্যা ৪৮ ঘণ্টাৰ ভিতৰত সংঘটিত হৈছিল আৰু এনে এক আবেগিক স্পৰ্শকাতৰ মুহূৰ্তত দুয়োটা সম্প্ৰদায়ৰ কোনো এটাই আনটোৰ বেদনা হৃদয়ংগম কৰিব পৰা নাছিল আৰু আজিও এই পাৰস্পৰিক সন্দেহ বিভিন্ন প্ৰকাৰে বিদ্যমান হোৱাটো দেশৰ বাবে শুভলক্ষণ নহয়।

অতীতৰ ভুলবোৰৰ পৰা শিক্ষা লোৱাটো হৈছে এই অবিশ্বাস আঁতৰ কৰাৰ উত্তম পথ। সংখ্যাগৰিষ্ঠ সম্প্ৰদায়ৰ স'তে মীমাংসা আৰু সমিলমিল প্ৰক্ৰিয়াৰে কাশ্মীৰী পণ্ডিতসকলৰ দ্ৰুত পুনৰসংস্থাপন, হিংসাত্মক কাৰ্যৰ বিৰুদ্ধে কঠোৰ শাস্তিমূলক পদক্ষেপ গ্ৰহণ, তথাকথিত বাজপেয়ী মতবাদৰ অৰ্থাৎ ইনছানিয়ত (মানৱতা), জামহুৰিয়ত (গণতন্ত্ৰ) আৰু কাশ্মীৰিয়ত (কাশ্মীৰৰ জনসাধাৰণৰ পৰিচয়) সফল ৰূপায়ণ কৰা আৰু দেশবাসীৰ সপোনৰ সমৃদ্ধিশালী কাশ্মীৰৰ সৃষ্টি কৰিব পাৰে।

এনে এক গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় বিষয়ক ভাৰতীয় জনসাধাৰণৰ হৃদয়ৰ ওচৰলৈ অনাৰ বাবে অৱশ্যে বিবেক অগ্নিহোত্ৰী আৰু পল্লৱী যোশীক (মোৰ যৌৱনকালৰ অন্যতম প্ৰিয় অভিনেত্ৰী) কৃতিত্ব দিব লাগিব। স্পেনিছ দাৰ্শনিক জৰ্জ সান্তায়ানাৰ বিখ্যাত উক্তি সকলো ভাৰতীয়ৰ মানসপটত খোদিত হোৱাটো সময়ৰ আহ্বান— 'Those who do not learn from history are doomed to repeat it.'

*লেখক প্ৰাক্তন আৰক্ষী সঞ্চালক প্ৰধান, বিশেষ শাখা আৰু এপিএছচিৰ পূৰ্বৰ অধ্যক্ষ। তেওঁৰ দ্বাৰা প্ৰকাশিত মতামত ব্যক্তিগত।*

## ত্যাগ আৰু পতিব্ৰতাৰ নিদৰ্শন

# মহীয়সী সতী জয়মতী

**কুশল কুমাৰ দাস**

**আহোম** ৰাজত্ব কালৰ ইতিহাসৰ বুকুত চিৰস্মৰণীয় হৈ থকা 'জয়মতী'ৰ চৰ্চা আজিকোপতি প্ৰাসংগিক হৈ আছে। অসমীয়া সমাজত জয়মতী এগৰাকী ব্যতিক্ৰমী নাৰী। ইতিহাসৰ ক্ষণজন্মা জয়মতীৰ জীৱনৰ ওপৰত আধাৰিত তিনিটা বিশেষ সৃষ্টি সকলোৰে নখ দৰ্পণত। অসমীয়া সাহিত্যৰ অন্যতম পুৰোধা নাট্যকাৰ পদ্মনাথ গোহাঞি বৰুৱাৰ 'জয়মতী', লক্ষ্মীনাথ বেজবৰুৱাৰ 'জয়মতী কুঁৱৰী' আৰু জ্যোতিপ্ৰসাদ আগৰৱালাৰ **১৮৩৫**ত নিৰ্মিত প্ৰথম অসমীয়া বোলছবি 'জয়মতী'। জয়মতী'ৰ চৰ্চা অসম মুলুকৰ পৰা বাহিৰৰ নাৰী সমাজলৈ আগবঢ়াই নিয়াহে জৰুৰী। য'ত লিংগ সমতাৰ অভাৱ, প্ৰতি মুহূৰ্ততে নাৰী নিৰ্যাতিত, লাঞ্ছিত আৰু পুৰুষতান্ত্ৰিক সমাজৰ অধীনত তথা বৰ্বৰতাৰ পাশাখেলত অস্তিত্ব বিপন্ন হয়; তেনে সমাজত নাৰীয়ে সমানে আগবাঢ়িবলৈ আন্দোলন, আলোচনা, গৱেষণা আদিৰে নিজৰ অধিকাৰৰ বিষয়ে সৰৱ হ'ব লগা হয়; সেই সমাজত জয়মতীৰ চৰ্চাৰ প্ৰয়োজন। উল্লেখযোগ্য বেজবৰুৱাৰ 'জয়মতী'ৰ আধাৰতে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই কথাছবি নিৰ্মাণ কৰিছিল। '১৯০১ত নবীনচন্দ্ৰ বৰদলৈ আৰু ৰাধানাথ ফুকনে যুটীয়াভাৱে ৰচনা কৰা হাতে লিখা 'জয়মতী' নাটক এখনৰ অভিনয় হৈছিল, কিন্তু সেই নাটক ছপা নোহোৱাত অচিৰেই লুপ্ত হ'ল।' ইয়াৰ দ্বাৰা অনুমান কৰিব পাৰি অসমৰ বুৰঞ্জীত জয়মতী কিমান প্ৰাসংগিক? বুৰঞ্জীমূলক নাটক ৰচনাৰ মূল প্ৰেৰণা হৈছে দেশ, স্ব-জাতি আৰু অতীতৰ শ্ৰদ্ধাশীল আদৰ্শবান ব্যক্তিত্বৰ প্ৰতি অনুগত হোৱা আৰু বৰ্তমান সমাজৰ সন্মুখত তেনে বিষয়ৰ প্ৰাসংগিকতা উপস্থাপন কৰা। মন কৰিবলগা কথাটো হ'ল, ইতিহাসৰ পুনৰাবৃত্তি বুৰঞ্জীমূলক নাটক ৰচনাৰ প্ৰেৰণা নহয়। অতীতৰ ঘটনাৰাজিক জুমি চোৱাৰ এক প্ৰয়াস বুলি ক'লে অত্যুক্তি কৰা নহয়।

মহাসতী জয়মতীৰ কৰুণ গাথা সৃষ্টিৰ লগত আহোম ৰাজত্ব কালৰ প্ৰায় এটা দশকৰ শাসনকালৰ অৰাজকতা, ক্ষমতালোভী বিষয়া-মন্ত্ৰীৰ ৰজা ভঙা-পতাৰ খেল আদিয়েই হৈছে মুখ্য কাৰণ। ১৬৭৩ৰ পৰাই আহোম ৰাজত্বত কেণা লাগিছিল আৰু ১৬৮১লৈ অব্যাহত আছিল। দুৰ্যোগপূৰ্ণ সময়ছোৱাৰ শেষৰজন ৰজা আছিল চুলিকফা বা ল'ৰা ৰজা। পদ্মনাথ গোহাঞি বৰুৱাই ১৯০০ত ৰচনা কৰা 'জয়মতী' নাটকৰ কাহিনী পাঁচটা অংক আৰু ২২টা গৰ্ভাংকৰ পাতনিত লিখিছে— 'আহোম ৰাজবংশৰ তুংখুঙীয়া ফৈদৰ মহাবীৰ গদাপাণি কোঁৱৰৰ ভাৰ্য্যা 'জয়মতী কুঁৱৰী'ৰ চৰিত্ৰ সৃষ্টি লৌকিক চিত্ৰ চৰিত্ৰৰ পৰা ভালেমান খাপৰ ওপৰত- ই অলৌকিক চিত্ৰৰ সমকক্ষ।' অৰ্থাৎ অলৌকিক যেন লগা আহোম ৰাজত্ব কালৰ সাহসী তথা স্বামী ভক্তিৰ অপূৰ্ব নিদৰ্শন জয়মতী। তুংখুঙীয়া ফৈদৰ গোবৰ ৰজাৰ পুত্ৰ লাংগি গদাপাণিৰ ভাৰ্য্যা জয়মতীৰ চৰম ত্যাগ হৈছে নাটকৰ প্ৰধান আকৰ্ষণ। 'মহাবাহুবলী তেওঁ, লাংগি গদাপাণি গোবৰ ৰজাৰ সুত, ফৈদ তুংখুং।' নাটকত পতিব্ৰতা নাৰীৰ স্বামীভক্তি আৰু দৃঢ় মনোবল তথা সাহসৰ অপূৰ্ব চানেকি দাঙি ধৰিছে। গদাপাণি বাহুবলী আছিল বাবে ল'ৰা ৰজাৰ আগত মন্ত্ৰী আতন বুঢ়া গোহাঁই চিন্তিত হোৱাৰ উমান দাঙি ধৰিছে। আতন বুঢ়া গোহাঁইৰ কথামতে ল'ৰা ৰজাই সিংহাসনৰ গধুৰ দায়িত্ব লৈছিল; 'তোমাৰ কথাত মাথোঁ পতিয়ন গই, *উঠিলোহি কাৰেঙত...'* এনে স্থলত মন্ত্ৰীৰ কথামতে ৰজাক আঁতৰাই আনে যাতে ৰজা হ'ব নোৱাৰে, তাৰ বাবে অংগক্ষত আৰু হত্যা কৰাৰ পৰিকল্পনাৰে নিষ্কন্টক হোৱাৰ পথ ৰচিছিল। কিন্তু গদাপাণি আছিল বাহুবলী, সেইবাবে মন্ত্ৰীয়ে মৃত্যুদণ্ডৰ সিদ্ধান্তৰ কথা ৰজাক জনাইছিল। এই খবৰে জয়মতীৰ পতিপৰায়ণ, স্বামী ভক্তি আৰু ৰাজ্যৰ ভৱিষ্যতৰ স্বাৰ্থত গদাক নগা পাহাৰলৈ ছদ্মবেশত যাবলৈ বাধ্য কৰাইছিল। এইখিনিতে বিশেষ কথা এটা উল্লেখ কৰা প্ৰয়োজন হ'ব, যিটো কথাৰ চৰ্চা বিশেষ হোৱা নাই বুলি ভাবো। গোহাঞি বৰুৱাৰ নাটকত ল'ৰাৰজাৰ জয়মতীৰ প্ৰতি থকা গভীৰ প্ৰেমৰ কথা পোৱা যায়। সময়ত জয়মতীয়ে গদাপাণিকহে আদৰি লয়। সেয়ে কিজানি গদাপাণিৰ প্ৰতি ল'ৰাৰজাৰ ঈৰ্ষাৰ জুইকুৰা বেছিকৈ জ্বলিছিল আৰু প্ৰতিশোধ লোৱাৰ উত্তম উপায় বুলি বুঢ়াগোহাঁইৰ সিদ্ধান্তক সমৰ্থন কৰি সেই লক্ষ্যত আগবাঢ়িবলৈ অনুমতি দিছিল। 'আৰু এক ঈৰ্ষনলে দহিছে অন্তৰ;- জয়মতী পত্নী লাভ তাৰ! হিয়া উদঙাই সপিছিলো যাক ভালপোৱা।' আনহাতে, ডেকাকালত গদাপাণিৰ স'তে ধেমালি যুঁজ কৰাৰ বিষয়ে নাটকখনত উল্লেখ কৰিছে। 'পৰিছে মনত আজি তাহানিতে দেখা, বীৰবাহু গদাপাণিক ধেমালি যুঁজত;-' বাহুবলী গদাপাণিৰ কথা মনত পৰাত তেওঁৰ প্ৰধান শত্ৰু হৈ পৰা স্বাভাৱিক। এই দুটা কথাক ডঃ সত্যেন্দ্ৰনাথ শৰ্মাই গদাপাণিক নিষ্ক্ৰিয় কৰাৰ বাবে ৰজাৰ মনত সৃষ্টি হোৱা ব্যক্তিগত আৰু ৰাজনৈতিক কাৰণ বুলি অভিহিত কৰিছে।

ল'ৰা ৰজাৰ প্ৰণয়-প্ৰাৰ্থী আছিল জয়মতী আৰু ল'ৰাকালৰ বীৰত্বৰ অধিকাৰী গদাৰ প্ৰতি আছিল ভয় আৰু ঈৰ্ষা; এই দুয়োটা কাৰণতে ল'ৰা ৰজাক প্ৰতিশোধ পৰায়ণ হ'বলৈ উদ্‌গনি দিছিল আৰু ইয়াত সাৰপানী যোগোৱাত বুঢ়াগোহাঞিৰ চক্ৰান্ত আছিল মুখ্য। জয়মতীয়ে সখীয়েক পদ্মাৰ পৰা ৰজাৰ নিষ্ঠুৰ সিদ্ধান্তৰ কথা গম পায়। ভয় আৰু শংকাত কাতৰ হৈ থকা অৱস্থাত পদ্মাই গদাপাণিক নগা পাহাৰলৈ ছদ্মবেশ ধৰি পঠোৱাৰ পৰামৰ্শ আগবঢ়ায়। পৰামৰ্শমতে গদাক এই বিষয়ে অৱগত কৰে যদিও পুৰুষ হৈ কাপুৰুষৰ দৰে আচৰণ কৰিবৰ বাবে প্ৰথমাৱস্থাত অমান্তি হৈছিল। অৱশেষত পত্নীৰ কথামতে নগা পাহাৰলৈ যাবলৈ মান্তি হয়। নগা পাহাৰত নগা গাভৰু জিনুৰ স'তে নাট্যকাৰে বিশেষ দৃশ্যৰ অৱতাৰণা কৰিছে। জয়া আৰু পুত্ৰদ্বয় লাই-লেচাইৰ চিন্তাই অহৰহ চিন্তাক্লিষ্ট হৈ থকাৰ সময়ত গদাপাণিৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰাৰ সময়ে বা ক'ত? তেনে সংকটৰ সময়ত জিনুক উপেক্ষা কৰাৰ যুক্তি নাখাটে।

'জয়মতী কুঁৱৰী' বেজবৰুৱাৰ উল্লেখযোগ্য ঐতিহাসিক নাটক। গোহাঞি আৰু বেজবৰুৱাৰ দুয়োখন নাটতে ঐতিহাসিক ভুল হ'ল আতন বুঢ়াগোহাঞিক ল'ৰা ৰজাৰ প্ৰধান মন্ত্ৰী কৰা কথাটো। বেজবৰুৱাই অৱশ্যে পাতনিত নিজৰ ঐতিহাসিক ভুল থাকিব পৰা কথাবোৰৰ পৰা ৰেহাই পাবলৈ-'...নাট্য কাব্যহে, বুৰঞ্জী নহয়; কাৰণ বহুতে এইটো নুবুজে; ...চিৰকলীয়া সত্য আৰু সকলো দেশৰ সকলো মানুহৰ সাধাৰণ সম্পত্তি মহৎ প্ৰবৃত্তিবোৰ উদগোৱাটোহে নাটৰ কাৰ্য।' পাঁচটা অংকত ৰচিত নাটকখনৰ প্ৰথম অংকত পৃথু চাংমাই আৰু তৰবৰীৰ লঘু আলোচনাত গুৰুত্বপূৰ্ণ বিষয়ৰ পূৰ্বাভাস পোৱা যায়।

মহাসতী জয়মতীক কৰা ৰাজনৈতিক হত্যা আৰু আত্মত্যাগ হৈছে আহোম ৰাজত্ব কালৰ বঙহে বঙহৰ মাজত হোৱা ক্ষমতাকেন্দ্ৰিক যুঁজ-বাগৰৰ ফলশ্ৰুতি। দুয়োখন নাটকৰ উদ্দেশ্য হৈছে মহাসতী জয়মতীৰ স্বামীক ঘূণীয়া বা হত্যা কৰাৰ পৰা ৰক্ষা কৰাৰ লগতে ঘৃণনীয় শাসন ব্যৱস্থাৰ পৰা দেশক ৰক্ষা কৰা। গোহাঞি বৰুৱাৰ নাটত জয়মতীৰ সখীয়েক পদ্মাই ল'ৰা ৰজাৰ নিষ্ঠুৰ সিদ্ধান্তৰ কথা জনায়, আনহাতে, বেজবৰুৱাৰ নাটত সখীয়েক সেউতীৰ তেনে ভূমিকা দেখিবলৈ পোৱা নাযায়। জয়মতীৰ কথামতে গদাপাণিয়ে ৰজাৰ ৰোষৰ পৰা ৰক্ষা পাবলৈ আত্মগোপন নে আত্মৰক্ষাৰ বাবে নগা পাহাৰত আছিল? জয়মতীয়ে থানবান হ'বলৈ ধৰা শাসনৰ বাঘজৰীৰ নিজৰ স্বামীৰ হাতলৈ ভৱিষ্যতে সুনিশ্চিত কৰাৰ বাবে গদাপাণিক আত্মগোপন কৰাইছিল নে শক্তিশালী গদাক ৰজাঘৰীয়া ৰোষৰ পৰা আঁতৰাই ৰাখিছিল? এই বিষয়ে জয়মতী কিম্বা গদাপাণিৰ ৰাজনৈতিক ভূমিকাৰ ইংগিত দুয়োখন নাটকত বিশেষভাৱে পোৱা নাযায়। বেজবৰুৱাৰ নাটত প্ৰতিনায়ক(villain)ৰ ভূমিকাত বুঢ়াগোহাঞিৰ বিচক্ষণতাৰ অভিব্যক্তি কিছু পৰিমাণে তেওঁৰ স্বগতোক্তিত কৌশল, অভিসন্ধিৰ আভাস পোৱা যায়। ইয়াৰ বিপৰীতে গোহাঞি বৰুৱাৰ নাটত বুঢ়াগোহাঞিৰ ভূমিকা সামান্য পৰিমাণে দাঙি ধৰিছে। ৰজাক হাতৰ মুঠিত ৰাখি ক্ষমতাৰ অপপ্ৰয়োগৰ লগতে সুবিধা বুজি চূড়ান্ত ক্ষমতা নিজৰ হাতলৈ আনিব পৰাটোৱে বুঢ়াগোহাঞিৰ চৰম উদ্দেশ্য। শক্তিশালী গদাপাণিক আয়ত্তলৈ আনিব পাৰিলে ৰজা নিষ্কন্টক হোৱা আৰু তাকে কৰিবলৈ যাওঁতে জয়মতীৰ জীৱনলৈ কাল ধুমুহা নামি আহিছিল। জয়মতীয়ে কোনোপধ্যে নিজৰ স্বামীক অমংগলজনক অৱস্থাৰ মুখলৈ ঠেলি দিব বিচৰা নাছিল। এইখিনিলৈকে জয়মতীৰ সিদ্ধান্ত সঠিক আৰু নাৰী হিচাবে এক দৃঢ় পদক্ষেপ বুলি ক'ব পাৰি। মূলৰ পৰা আঁতৰি নোযোৱাকৈ দুয়োখন নাটকতে ল'ৰা ৰজাক ভয়াতুৰ, দুৰ্বলমনা, অত্যাচাৰী আৰু ব্যক্তিত্বহীন ল'ৰামতীয়া পুৰুষৰূপে অংকন কৰিছে। জয়মতীক কৰা অত্যাচাৰ আৰু গদাপাণিৰ ভূতে সপোনতো শান্তিৰে থাকিবলৈ নিদিয়া আৰু আবোল-তাবোল বকি থকা চৰিত্ৰ হিচাবে দুয়োখন নাটতে দাঙি ধৰিছে। দুয়োখন নাটতে জয়মতীৰ ভূমিকাৰ কিছু পাৰ্থক্য আছে; গোহাঞি বৰুৱাৰ নাটত জয়মতীয়ে স্ব-ইচ্ছাই ৰাজচ'ৰাত সাহসেৰে ল'ৰা ৰজাৰ মুখামুখি হয়। তেনে সময়ত ল'ৰা ৰজাৰ মনত ভয় আৰু শংকা বাঢ়ি যায়। আনহাতে, বেজবৰুৱাৰ নাটত ল'ৰা ৰজাৰ ষড়যন্ত্ৰৰ কথা গদাপাণিয়ে জয়মতীৰ আগত ব্যক্ত কৰাৰ সময়ত কথাবাৰ্তাত পাতলীয়া প্ৰতিক্ৰিয়া দেখা যায়। গুৰুতৰ অভিসন্ধিৰ বিষয়ে জনাৰ পাছতো গদাপাণিৰ স'তে বিচ্ছেদৰ উমান পোৱাত জয়াই বৰগীত গাই শুনাইছে। চালাক চতুৰ ৰূপত জয়াক উপস্থাপন কৰা হৈছে যদিও নাট্যকাৰে জয়াৰ মন গধুৰ কৰিবলৈ চেষ্টা কৰে। তেনে অৱস্থাত গদাপাণিয়ে আত্মৰক্ষা আৰু আত্মগোপন কৰাৰ বাবে সিদ্ধান্ত লয়।

মহাসতী জয়মতীৰ ত্যাগৰ ইতিহাস সৃষ্টিৰ মূলতে আহোম ৰাজত্বৰ বিশেষ পৰম্পৰা তথা দস্তুৰ হৈছে কোনো ৰাজকোঁৱৰ যদি ঘূণীয়া হয়, ভৱিষ্যতে ৰজা হোৱাৰ পৰা বঞ্চিত হয়। এই বিষয়টোৱে আহোম ৰাজত্ব পতনৰ বাবে সাৰপানী যোগাইছিল। কাৰণ তাৰেই সুবিধা লৈছিল লালুকসোলা বৰফুকনে (দুয়োখন নাটকত আতন বুঢ়াগোহাঁই বুলি আছে) কম বয়সীয়া ল'ৰাৰজাৰ আমোলত নিজেই ৰাজ ক্ষমতা হস্তগত কৰাৰ সপোন দেখি ষড়যন্ত্ৰত নামি পৰিছিল। দ্বিতীয়তে গদাপাণি আছিল বাহুবলী আৰু ল'ৰা ৰজাৰ মূৰৰ কামোৰণি, যাক ৰোধ কৰিব নোৱাৰিলে ভৱিষ্যতে ক্ষমতা হস্তগত কৰি ৰখা সম্ভৱ নহ'ব পাৰে। এই কথা গুৰুতৰ বুলি প্ৰত্যয় নিয়াবলৈ বুঢ়াগোহাঁইৰ মন্ত্ৰণাক বিশ্বাসত লৈছিল ল'ৰা ৰজাই। সেয়ে গদাপাণিক যিকোনো প্ৰকাৰে ঘূণীয়া কিম্বা হত্যা কৰাৰ চূড়ান্ত সিদ্ধান্ত ৰাজচ'ৰাত গৃহীত হয়। সময়ৰ পাকচক্ৰত গদাপাণিক হত্যা কৰা সম্ভৱ নহ'ল বৰঞ্চ জয়মতীয়ে নিজৰ জীৱন বৰ্বৰ নৰপিশাচৰ হাতত বলিদান দিব লগা হ'ল।

গদাপাণিৰ সাহস বীৰত্ব আৰু সততা অব্যাহত থকাৰ বাবে ঘটনাক্ৰমে লালুকসোলাৰ মৃত্যুৰ পাছত **১৬৮১**ত ল'ৰা ৰজাক আঁতৰাই গদাপাণিক আহোমৰ ৰজা পতা হয়। আহোম ৰাজত্বলৈ শান্তি ঘূৰি আহিল। গদাপাণিৰ মৃত্যুৰ পাছত পুত্ৰ ৰুদ্ৰসিংহ **১৬৯৬**ত ৰজা হয়। ৰুদ্ৰসিংহই মাতৃ জয়মতীৰ স্মৃতি চিৰস্থায়ী কৰিবৰ বাবে জেৰেঙা পথাৰত জয়সাগৰ পুখুৰীৰ লগতে কাৰেং ঘৰ, ৰংঘৰ নিৰ্মাণ কৰে। মনকৰিবলগীয়া যে প্ৰতি বছৰে আঠ মাৰ্চত আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপন কৰাৰ দৰে অসমত **২৭** মাৰ্চত 'অসম নাৰী দিৱস' পালনেৰে নতুন প্ৰজন্মৰ ওচৰলৈ জয়মতীৰ মহান ত্যাগক আদৰ্শ হিচাবে দাঙি ধৰাৰ সুন্দৰ নিদৰ্শন হ'ব পাৰে।

*লেখক ঃ সহযোগী অধ্যাপক, যোৰহাট মহাবিদ্যালয়, ফোন ঃ ৯১০১১২২৬৩৮*

## দুসপ্তাহ ধৰি জিনিন প্ৰদেশত সংক্ৰমণ প্ৰতিৰোধৰ বাবে গৃহবন্দী হৈ আছে ২.৪০ কোটি বাসিন্দা

# কৰ'নাৰ দ্ৰুত সংক্ৰমণ বৃদ্ধি চীনত, এইবাৰ ছাংহাইত তলাবন্ধ

**নিউজ ব্যুৰ' ছাংহাই, ২৮ মাৰ্চ ঃ** চীনৰ বিভিন্ন অঞ্চলত দ্ৰুতগতিত বৃদ্ধি পাইছে ক'ভিডৰ নতুন সংক্ৰমণ। বিগত দুবছৰত দেশখনত পূৰ্বে কেতিয়াও এনে ক'ভিডকেন্দ্ৰিক পৰিস্থিতিৰ উদ্ভৱ হোৱা নাছিল। কৰ'নাৰ ব্যাপক সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি দেওবাৰে চীনৰ তৃতীয়খন বৃহত্তম চহৰ ছাংহাইৰ অৰ্ধেক অঞ্চলত জাৰি কৰা হ'ল প্ৰথম পৰ্যায়ৰ তলাবন্ধ। অতিমাৰীৰ আৰম্ভণিৰে পৰা চীনে 'ক'ভিড শূন্য নীতি' গ্ৰহণ কৰি আহিছে আৰু কৰ'নাৰ সংক্ৰমণ চিনাক্ত হোৱাৰ পাছতে তলাবন্ধসহ একাধিক কঠোৰ ক'ভিড বিধি বলবৎ কৰি আহিছে।

ছাংহাইৰ স্থানীয় প্ৰশাসনে যোৱা নিশা প্ৰকাশ কৰা অনুসৰি চহৰত গণ পৰীক্ষণ আৰম্ভ কৰাৰ পাছত ছাংহাইৰ পুডং আৰ্থিক জিলা আৰু ইয়াৰ নিকটৱৰ্তী অঞ্চলসমূহত সোমবাৰৰ পৰা শুকুৰবাৰলৈকে তলাবন্ধ বাহাল থাকিব। দ্বিতীয় পৰ্যায়ত ছাংহাইৰ মধ্যমেদি বৈ যোৱা হুৱাংপু নদীৰ পশ্চিমৰ বিস্তীৰ্ণ জনবসতিপূৰ্ণ অঞ্চলত পাঁচ দিনৰ বাবে তলাবন্ধ কৰা হ'ব। প্ৰসংগত উল্লেখ্য যে কালি ছাংহাই চহৰত মুঠ ৩৫০০ জন ক'ভিড ৰোগীক চিনাক্ত কৰা হৈছিল। সংক্ৰমণ প্ৰতিৰোধৰ বাবে অঞ্চলটোত থকা আমেৰিকাৰ বিখ্যাত বৈদ্যুতিক গাড়ী নিৰ্মাতা প্ৰতিষ্ঠান টেছলাসহ আন প্ৰতিষ্ঠানৰ কাৰখানা সাময়িকভাৱে বন্ধ কৰা হৈছে। দুসপ্তাহ পূৰ্বে চীনৰ জিনিন প্ৰদেশত ক'ভিড সংক্ৰমণ প্ৰতিৰোধৰ বাবে তলাবন্ধ ঘোষণা কৰা হৈছিল। তেতিয়াৰে পৰা উক্ত প্ৰদেশত ২.৪০ কোটি বাসিন্দা কাৰ্যত গৃহবন্দী হৈ আছে। ২০১৯ৰ অন্তিম ভাগত চীনৰ হুবেই প্ৰদেশৰ ৰাজধানী উহানত কৰ'না ভাইৰাছৰ অস্তিত্বৰ সন্ধান লাভৰ পাছত প্ৰথমবাৰলৈ এয়ে প্ৰথম চীনৰ কোনো প্ৰদেশত সম্পূৰ্ণ তলাবন্ধ কৰা হ'ল।



## দুবছৰ পাছত পুনৰ আৰম্ভ হ'ব অমৰনাথ তীৰ্থযাত্ৰা



**নিউজ ব্যুৰ', শ্ৰীনগৰ, ২৮ মাৰ্চ ঃ** বিগত দুবছৰ ধৰি কৰ'নাৰ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত অমৰনাথ যাত্ৰা বন্ধ হৈ আছিল। অৱশেষত অহা ৩০ জুনৰ পৰা এই যাত্ৰা পুনৰ আৰম্ভ হ'ব। জম্মু-কাশ্মীৰ ৰাজভৱনৰ সূত্ৰই আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি অহা ৩০ জুনৰ পৰা আৰম্ভ হ'বলগীয়া অমৰনাথ তীৰ্থ যাত্ৰা ৪৩ দিনলৈ অব্যাহত থাকিব। আগন্তুক ৰাখী পূৰ্ণিমাৰ দিনা অমৰনাথ যাত্ৰাৰ অন্ত পৰিব। সকলো ক'ভিড বিধি পালনৰে এইবাৰ অমৰনাথ যাত্ৰা অনুষ্ঠিত কৰা হ'ব। উল্লেখ্য যে জম্মু-কাশ্মীৰত প্ৰযোজ্য হোৱা ভাৰতৰ সংবিধানৰ ৩৭০ অনুচ্ছেদ বাতিলৰ পাছত ২০১৯ বৰ্ষত মধ্যভাগতে অমৰনাথ যাত্ৰা বাতিল কৰা হৈছিল। ইয়াৰ পাছতে মাজতে দুবছৰ কৰ'নাৰ কাৰণত এই তীৰ্থ যাত্ৰা বন্ধ আছিল। কৰ'নাৰ সংক্ৰমণ নিয়ন্ত্ৰিত হোৱাত এইবাৰ পুনৰ অমৰনাথ তীৰ্থযাত্ৰা আৰম্ভ কৰা হ'ব।



## এইবাৰ পাকিস্তানৰ পঞ্জাৱ প্ৰদেশৰ মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ বিৰোধীৰ

**নিউজ ব্যুৰ', ইছলামাবাদ, ২৮ মাৰ্চ ঃ** পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খানৰ পাছত বিৰোধীয়ে এইবাৰ দেশখনৰ পঞ্জাৱ প্ৰদেশৰ বিধানসভাত পঞ্জাৱৰ মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ দাখিল কৰিলে। পাকিস্তানৰ সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি অনুসৰি, পঞ্জাৱৰ মুখ্যমন্ত্ৰী উস্মান বুজদৰৰ বিৰুদ্ধে বিৰোধীয়ে অনাস্থা প্ৰস্তাৱ দাখিল কৰিছে। ইমৰানৰ পাছত এইবাৰ পাকিস্তানৰ পঞ্জাৱত সংকটৰ সন্মুখীন হ'ল মুখ্যমন্ত্ৰী বুজদৰ। ৬৯ বছৰীয়া ইমৰান যিকোনো মুহূৰ্ততে পাকিস্তানত প্ৰধানমন্ত্ৰীৰ পদৰ পৰা অপসাৰিত হ'ব পাৰে। ৩৪২ আসন বিশিষ্ট পাকিস্তানৰ নেচনেল এছেম্বলিত পাকিস্তান তহৰিক এ ইনছাফ দলৰ ১৫৫ সদস্য আছে আৰু প্ৰধানমন্ত্ৰী পদত অব্যাহত থাকিবলৈ হ'লে অনাস্থা ভোটত ইমৰানক কমেও ১৭২ জন সাংসদৰ সমৰ্থনৰ প্ৰয়োজন হ'ব।

## দেশত ২০ হেজাৰ পথশিশুৰ পুনৰ সংস্থাপনৰ ব্যৱস্থা গ্ৰহণ, এন চি পি চি আৰৰ তথ্য




**নিউজ ব্যুৰ', নতুন দিল্লী, ২৮ মাৰ্চ ঃ** ভাৰতত প্ৰায় ২০ হেজাৰ পথশিশুক চিনাক্ত কৰা হৈছে আৰু এইসকল শিশুৰ পুনৰ সংস্থাপনৰ প্ৰক্ৰিয়া অব্যাহত আছে। এক বিবৃতিত এই তথ্য প্ৰকাশ কৰিলে নেচনেল কমিচন ফৰ প্ৰটেকচন অৱ্ চাইল্ড ৰাইটছ (এন চি পি চি আৰ)-এ। এন চি পি চি আৰৰ অধ্যক্ষ পিয়াংক কানুনগুৱে ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত এক সাক্ষাৎকাৰত কয়, 'পথশিশুসকলৰ বাবে এটা ৱেব প'ৰ্টেল 'বাল স্বৰাজ' তৈয়াৰ কৰা হৈছে। এই প'ৰ্টেলত পথশিশুৰ সন্দৰ্ভত সবিশেষ তথ্য পাতি উল্লেখ কৰা হয়। পথশিশুসকলৰ পুনৰ সংস্থাপনৰ প্ৰক্ৰিয়াৰ বিষয়েও প'ৰ্টেলৰ জৰিয়তে তথ্য আহৰণ কৰিব পাৰি।' কানুনগুৱে লগতে কয় যে দিল্লী চৰকাৰৰ নিষ্ক্ৰিয়তাৰ ফলত বৰ্তমানলৈকে ভাৰতত ১৮০০ টা পথশিশুক পুনৰ সংস্থাপন কৰা হৈছে। এন চি পি চি আৰৰ তথ্য অনুসৰি এই মুহূৰ্তত ভাৰতৰ ১৫ৰ পৰা ২০ লাখ পথশিশু আছে। উল্লেখ্য যে গৃহহীন আৰু পথত মুক্ত বিচৰণ কৰি জীৱন-যাপন কৰা শিশুসকলক পথশিশু হিচাপে চিনাক্ত কৰা হয়।

# নিষেধাজ্ঞা প্ৰত্যাহাৰ ঘোষণাৰ পাছতো কেন্দ্ৰই ক'লে, 'কৰ'না এতিয়া আঁতৰা নাই'

**নিউজ ব্যুৰ' নতুন দিল্লী, ২৮ মাৰ্চ ঃ** অহা পহিলা এপ্ৰিলৰ পৰা ভাৰতত ক'ভিড নিষেধাজ্ঞা সম্পূৰ্ণৰূপে প্ৰত্যাহাৰ হোৱাৰ কথা। অৱশ্যে ইয়াৰ মাজতে ৰাজ্যসমূহলৈ কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে কঠোৰ নিৰ্দেশনা প্ৰেৰণ কৰিলে। অলপতে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে এক ঘোষণাত ঘোষণা কৰি কৈছিল যে পহিলা এপ্ৰিলৰ পৰা ভাৰতত ক'ভিড বিধি প্ৰযোজ্য নহ'ব। অৱশ্যে মাস্ক পৰিধানৰ বাধ্যকতা থাকিব বুলি গৃহ মন্ত্ৰণালয়ে বিবৃতিত উল্লেখ কৰিছিল। কিন্তু বহুলোকে সম্প্ৰতি মাস্ক বিসৰ্জন দিছে। এনে পৰিস্থিতিত ৰাজ্যসমূহলৈ নতুন নিৰ্দেশনা প্ৰেৰণ কৰিলে কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে। উক্ত নিৰ্দেশনাত স্বাস্থ্য মন্ত্ৰণালয়ে নাগৰিকক মাস্ক পৰিধানৰ প্ৰতি অধিক সচেতন কৰিবলৈ প্ৰয়োজনীয় ব্যৱস্থা ল'বলৈ ৰাজ্যসমূহক নিৰ্দেশ দিলে। কেন্দ্ৰীয় স্বাস্থ্য সচিব ৰাজেশ ভূষণে ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত এইদৰে কয়, 'ক'ভিড উপযুক্ত আচৰণ কঠোৰভাৱে পালন কৰাৰ প্ৰতি ৰাজ্যসমূহে দৃষ্টি ৰাখিব লাগিব। এয়া অত্যন্ত গুৰুত্বপূৰ্ণ। কিয়নো দুৰ্যোগ প্ৰতিৰোধ আইনৰ অধীনত বিধি নিষেধ প্ৰত্যাহাৰ কৰা হৈছে। ইয়াৰ বাবে মানুহে আত্মতুষ্টি অনুভৱ কৰা উচিত নহ'ব। এনে ভবাটো ভুল হ'ব যে কৰ'নাৰ সংক্ৰমণ তেনেই সীমিত আৰু সেয়েহে কোনো প্ৰতিৰোধমূলক ব্যৱস্থা পালন কৰিব নালাগে। মহামাৰীৰ এতিয়াও অন্ত পৰা নাই।'






## ইজৰাইলৰ প্ৰধানমন্ত্ৰী কৰ'না আক্ৰান্ত, ভাৰত ভ্ৰমণ স্থগিত

**নিউজ ব্যুৰ' জেৰুজালেম, ২৮ মাৰ্চ ঃ** ইজৰাইলৰ প্ৰধানমন্ত্ৰী নাফতালি বেনেটে প্ৰস্তাৱিত ভাৰত ভ্ৰমণ স্থগিত কৰিলে। প্ৰকাশিত বাতৰি অনুসৰি ৫০ বছৰীয়া বেনেট ক'ভিড-১৯ত আক্ৰান্ত হৈছে। ইজৰাইলৰ প্ৰধানমন্ত্ৰীয়ে অহা তিনি এপ্ৰিলৰ পৰা পাঁচ এপ্ৰিললৈকে ভ্ৰমণাৰ্থে ভাৰতত থকাৰ কথা আছিল। কিন্তু বেনেটৰ শৰীৰত ক'ভিড-১৯ৰ সংক্ৰমণ চিনাক্ত হোৱাৰ পাছত প্ৰধানমন্ত্ৰীজনে ভাৰত ভ্ৰমণ স্থগিত ৰাখিবলৈ সিদ্ধান্ত ল'লে। বেনেটৰ কাৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি ক'ভিডত সংক্ৰমিত হ'লেও প্ৰধানমন্ত্ৰী সম্পূৰ্ণৰূপে সুস্থ হৈ আছে আৰু তেওঁ সম্প্ৰতি ঘৰৰ পৰাই কাৰ্যালয়ৰ কাম-কাজ সম্পন্ন কৰিব।

# বিদেশৰ পৃষ্ঠপোষকতাত পাকিস্তানত চৰকাৰ পতনৰ ষড়যন্ত্ৰ ঃ অভিযোগ ইমৰানৰ

**নিউজ ব্যুৰ' ইছলামাবাদ, ২৮ মাৰ্চ ঃ** পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খানে ইছলামাবাদত লক্ষাধিক লোকৰ সন্মুখত অভিযোগ কৰি ক'লে যে তেওঁৰ দল পাকিস্তান তেহৰিক এ ইনছাফৰ চৰকাৰৰ পতন ঘটাবলৈ বিদেশী ৰাষ্ট্ৰই ষড়যন্ত্ৰ চলাইছে। দেওবাৰে পাকিস্তান তেহৰিক এ ইনছাফৰ জনসমাৰেশত অংশ লৈ ইমৰানে লগতে কয় যে বিদেশী ধনৰ জৰিয়তে পাকিস্তানত চৰকাৰ পৰিৱৰ্তনৰ ষড়যন্ত্ৰ চলোৱা হৈছে। পাক প্ৰধানমন্ত্ৰীৰ অভিযোগ অনুসৰি তেওঁৰ চৰকাৰে পাকিস্তানক স্বাধীন বৈদেশিক নীতিৰে পৰিচালিত কৰাত এক বিদেশী শক্তিয়ে ইয়াৰ বিৰুদ্ধে থিয় দিছে। লক্ষাধিক সমৰ্থকৰ সন্মুখত ভাষণ দি ইমৰানে কয়, 'বাহিৰৰ পৰা আমাৰ বৈদেশিক নীতিক প্ৰভাৱিত কৰাৰ অপচেষ্টা চলিছে।



বিগত কে'বামাহ ধৰি মই এই কথাটো অৱগত হৈছো। আমি এই কথাও জানো যে কোনে এইসকল লোকক একত্ৰিত কৰিছে, কিন্তু এতিয়া সময় সলনি হৈছে। এয়া জুলফিকৰ আলি ভূট্টোৰ যুগ নহয়। বিদেশী ধনৰ সাহায্যৰে পাকিস্তানত চৰকাৰ সলনিৰ ষড়যন্ত্ৰ চলিছে, এই কামত আমাৰ লোককো ব্যৱহাৰ কৰা হৈছে। পানীৰ দৰে ধন ব্যয় কৰা হৈছে। আমাক ভাবুকি দিয়া হৈছে। ইয়াৰ লিখিত প্ৰমাণ মোৰ হাতত আছে। কিন্তু মই দেশৰ স্বাৰ্থৰ হকে বুজাবুজি কৰিবলৈ শিকা নাই।'

## পঞ্জাৱবাসীক ঘৰতে ৰেচনৰ যোগান ধৰিব মান চৰকাৰে



**নিউজ ব্যুৰ', চণ্ডীগড়, ২৮ মাৰ্চ ঃ** পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে আজি এক বৃহৎ ঘোষণা কৰিলে। এতিয়াৰে পৰা পঞ্জাৱবাসীয়ে ঘৰতে থাকি চৰকাৰৰ সুলভ মূল্যৰ ৰেচন সামগ্ৰীৰ যোগান লাভ কৰিব। আপৰ নেতা তথা মুখ্যমন্ত্ৰী মানে এই ঘোষণা কৰি কয় যে তেওঁৰ চৰকাৰে পঞ্জাৱৰ দৰিদ্ৰ বাসিন্দাসকলক ঘৰে ঘৰে ৰেচনৰ যোগান ধৰিব। উল্লেখ্য যে আম আদমী পাৰ্টি (আপ)য়ে পঞ্জাৱ বিধানসভাৰ সদ্যসমাপ্ত নিৰ্বাচনত প্ৰতিশ্ৰুতি দিছিল যে দলে চৰকাৰ গঠন কৰিলে পঞ্জাৱবাসীক ঘৰতে চৰকাৰী ৰেচন যোগান ধৰা হ'ব। আজি মানে এই সিদ্ধান্তৰ কথা ঘোষণা কৰি কয় যে তেওঁৰ চৰকাৰে পঞ্জাৱৰ ৭৫ বছৰীয়া পুৰণি ৰেচন পদ্ধতি সলনি কৰিলে।



## দুই এপ্ৰিলৰ পৰা কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত আৰম্ভ হ'ব নামভৰ্তি প্ৰক্ৰিয়া

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৮ মাৰ্চ ঃ** দেশৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়সমূহে ২০২২-২৩ শিক্ষাবৰ্ষত বিভিন্ন পাঠ্যক্ৰমত কমন ইউনিভাৰ্ছিটি এনট্ৰেন্স টেষ্ট (চি ইউ ই টি)ৰ জৰিয়তে নামভৰ্তি সম্পন্ন কৰিব। চি ইউ আই টিৰ বাবে আবেদন প্ৰক্ৰিয়া দুই এপ্ৰিলৰ পৰা আৰম্ভ হ'ব আৰু ৩০ এপ্ৰিললৈকে অব্যাহত থাকিব। নেচনেল টেষ্টিং এজেন্সী (এন টি এ)ৰ দ্বাৰা কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত নামভৰ্তিৰ বাবে একক প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত কৰা হ'ব।



## বীৰভূম হিংসা কাণ্ডক লৈ বিধানসভা উত্তাল, শুভেন্দুসহ বিজেপিৰ পাঁচ বিধায়কক নিলম্বন

**নিউজ ব্যুৰ' কলকাতা, ২৮ মাৰ্চ ঃ** পশ্চিমবংগ বিধানসভাৰ বাজেট অধিৱেশনৰ আজি অন্তিম দিনা সদনত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। বীৰভূম জিলাৰ ৰামপুৰহাটত সংঘটিত হোৱা হিংসাত্মক ঘটনাক লৈ আজি সদনত তৃণমূল কংগ্ৰেছ আৰু মূল বিৰোধী বিজেপিৰ বিধায়কৰ মাজত সদনত হতাহতি আৰু প্ৰবল বাকবিতণ্ডা হৈছিল। তৃণমূল কংগ্ৰেছৰ বিধায়কে আনকি বিজেপি বিধায়কৰ পোছাকো ফালি পেলায়। ইয়াৰ পাছতে বিজেপিৰ বিধায়কে সদন ত্যাগ কৰে। বিধানসভাত সংঘটিত হোৱা এই ঘটনাৰ পাছতে বিধানসভাৰ অধ্যক্ষই বিজেপিৰ পাঁচজন বিধায়ক ক্ৰমে শুভেন্দু অধিকাৰী, মনোজ তিগ্গা, শংকৰ ঘোষ, দীপক বৰ্মন আৰু নৰহাৰি মহতোক নিলম্বন কৰে।

# টেছলাৰ মুৰব্বী মাস্কে ক'লে, 'মই মৃত্যুক ভয় নকৰো'

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ২৮ মাৰ্চ ঃ** বিশ্বৰ সবাতোকৈ সাম্প্ৰতিক সময়ৰ ধনাঢ্য ব্যক্তি তথা টেছলা আৰু স্পেচএক্সৰ মুৰব্বী এলন মাস্কে মৃত্যুক ভয় নকৰে। মাস্কৰ মতে মৃত্যুৰ যেতিয়া আগমন ঘটিব তেতিয়া ই এক সকাহ হিচাপে অগ্ৰসৰ হ'ব। এক সাক্ষাৎকাৰত বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তিজনে নিজৰ জীৱনসহ একাধিক বিষয়ত মুকলিকৈ আলোচনা কৰে। এই সাক্ষাৎকাৰত মাস্কে কয় যে জীৱন কিমান দীঘল হ'ব, তাক লৈ তেওঁ মুঠেও চিন্তিত নহয়। অৱশ্যে নিজক শাৰীৰিকভাৱে সম্পূৰ্ণ সুস্থ আৰু সক্ৰিয় ৰাখিবলৈ প্ৰয়োজন সচেতনতা অৱলম্বন কৰি অহা বুলি মাস্কে জানিবলৈ দিয়ে। মাস্কে কয় যে নিজকে তেওঁ সদায় সুস্বাস্থ্যবান কৰি ৰাখিব বিচাৰে যদিও মৃত্যুৰ প্ৰতি তেওঁ কোনো ভয় নাই। টেছলাৰ মুখ্য কাৰ্যবাহী বিষয়াজনে কয়, 'মই মৰিবলৈ ভয়



নকৰো। মই ভাবো যে মৃত্যু যেতিয়া আগমন হ'ব তেতিয়া ই মোক সকাহ দিবলৈকে উপস্থিত হ'ব।' দীৰ্ঘ জীৱন কামনা কৰে নে বুলি সাক্ষাৎকাৰত প্ৰশ্ন কৰাত বিশ্বৰ সাম্প্ৰতিক সময়ত সবাতোকৈ ধনৱন্ত ব্যক্তিজনে কয়, 'মই নাভাবো যে আমি বাস্তৱত দীৰ্ঘদিনলৈ জীয়াই থকাৰ চেষ্টা চলাব লাগে। এনে চিন্তা সমাজৰ স্বভাৱ বিৰোধী হ'ব। সত্য এইটোৱে যে সৰহ সংখ্যক লোকে নিজৰ ধাৰণা সলনি কৰিব নিবিচাৰে। সেয়েহে তেওঁলোকৰ কেৱল মৃত্যু হয়। যদিহে তেওঁলোকৰ মৃত্যু নহয়, তেন্তে আমি পুৰণি চিন্তাধাৰাতে আবদ্ধ থাকিম আৰু সমাজ আগবাঢ়িব নোৱাৰিব।' একেটা সাক্ষাৎকাৰতে মাস্কে ৰাছিয়া-ইউক্ৰেইনৰ সংকট, মহাকাশ গৱেষণা আৰু নিসংগতাৰ প্ৰসংগতো আলোচনা কৰে। মাস্কে কয় যে বিশ্বৰ প্ৰতিজন ব্যক্তিয়ে কেতিয়াবা নহয় কেতিয়াবা নিজকে অকলশৰীয়া অনুভৱ কৰাটো তেনেই স্বাভাৱিক। নিজৰ পোহনীয়া কুকুৰটোক স্মৰণ কৰি মাস্কে কয়, 'মই মোৰ পোহনীয়া কুকুৰটোৰ অবিহনে নিজকে যথেষ্ট অকলশৰীয়া অনুভৱ কৰো।' ৰাজনীতিত বৰ্ষীয়ান লোকৰ ভিৰৰ সন্দৰ্ভত সাক্ষাৎকাৰত নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি টেছলাৰ মুৰব্বীয়ে কয়, 'আমেৰিকাৰ প্ৰতিষ্ঠাপকে ৰাজনীতিত প্ৰৱেশ কৰাৰ ন্যূনতম বয়স নিৰ্ধাৰণ কৰিছিল, কিন্তু অধিকতম সীমা নিৰ্ধাৰণ নকৰিলে। হয়তো আমেৰিকাৰ প্ৰতিষ্ঠাপকে সেই সময়ত ভবা নাছিল যে কোনো ব্যক্তি ভৱিষ্যতে ইমান বছৰলৈকে জীয়াই থাকিব। ইফালে, ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধৰ প্ৰসংগত নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি বিশ্বৰ ধনাঢ্য ব্যক্তিজনে কয় যে আমেৰিকাৰ চৰকাৰে এই যুদ্ধখন প্ৰতিৰোধ কৰিবলৈ যথেষ্ট চেষ্টা চলাইছিল। মাস্কে কয়, 'আমি এইদৰে ৰাছিয়াক ইউক্ৰেইন দখল কৰিবলৈ দিব নোৱাৰো। আমেৰিকাই এই যুদ্ধ বন্ধ কৰিবলৈ যথেষ্ট চেষ্টা চলাইছে।' উল্লেখ্য যে বিগত ৩৩ দিন ধৰি ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত যুদ্ধ অব্যাহত আছে। আমেৰিকাই এই যুদ্ধত ৰাছিয়াক নিয়ন্ত্ৰণ কৰিবলৈ দেশখনৰ বিৰুদ্ধে একাধিক নিষেধাজ্ঞা আৰোপ কৰিছে যদিও বৰ্তমানলৈকে ৰাছিয়াক যুদ্ধৰ পৰা আঁতৰত ৰখাটো সম্ভৱ হোৱা নাই।

## ৰাজস্থানৰ বিজেপি নেতাই প্ৰিয়ংকালৈ পঠালে ৰেলৰ টিকট, কিন্তু কিয় ?

**নিউজ ব্যুৰ', জয়পুৰ, ২৮ মাৰ্চ ঃ** ৰাজস্থানৰ কংগ্ৰেছৰ বিধায়ক জৌহৰী লাল মীনাৰ পুত্ৰ দীপকসহ ছজন লোকৰ বিৰুদ্ধে দলবদ্ধ ধৰ্ষণৰ গোচৰ ৰুজু হৈছে। বিজেপিয়ে এই গোচৰত অভিযুক্তৰ গ্ৰেপ্তাৰ দাবী কৰিছে। কিন্তু বৰ্তমানলৈকে কংগ্ৰেছৰ বিধায়কৰ অভিযুক্ত পুত্ৰসহ ছয় অভিযুক্তক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা নাই। ইয়াৰ মাজতে বিজেপিৰ প্ৰাক্তন বিধায়ক জীতেন্দ্ৰ গুথৰালে কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ভদ্ৰালৈ ৰেলৰ টিকট প্ৰেৰণ কৰি ধৰ্ষণ পীড়িতাক সাক্ষাৎ কৰিবলৈ আহ্বান জনালে। বিজেপি নেতাজনে প্ৰিয়ংকাক টুইট কৰি কয় যে ধৰ্ষণ পীড়িতা নাবালিকাই বিধায়কৰ বাহুবলৰ বিৰুদ্ধে যুঁজ দিব পৰা নাই আৰু সেয়েহে জয়পুৰলৈ আহি প্ৰিয়ংকাই পীড়িতাৰ পক্ষত থিয় দিয়া উচিত।



টুইটত জীতেন্দ্ৰই কয়, 'নাবালিকাই আপোনালোকৰ বাহুবলী বিধায়কৰ সন্মুখত যুঁজ দিব পৰা নাই। প্ৰিয়ংকাজী, আপোনালৈ ৰেলৰ টিকট প্ৰেৰণ কৰিলো। সোনকালে জয়পুৰলৈ আহক। কিয়নো ৰাজস্থানৰ যুৱতীয়ে যুঁজ দিব পৰা নাই।' উল্লেখ্য যে উত্তৰ প্ৰদেশৰ সদ্যসমাপ্ত বিধানসভাৰ নিৰ্বাচনত প্ৰিয়ংকাই নেতৃত্বদান কৰি শ্ল'গান দি কৈছিল, 'লড়কী হু, লড় চকতি হু'।

# মহিলাক শিক্ষাৰ সুযোগ দিব লাগিব ঃ তালিবানক কঠোৰ বাৰ্তা ৰাষ্ট্ৰসংঘৰ

**নিউজ ব্যুৰ' কাবুল, ২৮ মাৰ্চ ঃ** আফগানিস্তানত ছাত্ৰীৰ বাবে মাধ্যমিক বিদ্যালয় পুনৰ মুকলি কৰাৰ কেইঘণ্টামানৰ পাছতে তালিবানে বিদ্যালয়সমূহ বন্ধ কৰি দিছিল। এই ঘটনাৰ তীব্ৰ নিন্দা কৰিব ৰাষ্ট্ৰসংঘই। এক বিবৃতিত ৰাষ্ট্ৰসংঘই কয় যে দেশৰ প্ৰতিটো শিশু আৰু কিশোৰ-কিশোৰীৰ শিক্ষাৰ অধিকাৰ সুনিশ্চিত কৰিব লাগিব তালিবানে। ৰাষ্ট্ৰসংঘই এক ভিডিঅ' টুইট কৰি এইদৰে কয়। ৰাষ্ট্ৰসংঘৰ মানৱাধিকাৰ আয়োগৰ মুৰব্বী মিছেল বেছলেটে আজি কয়, 'তালিবানৰ এই সিদ্ধান্তৰ ফলত আফগানিস্তানৰ কিশোৰীসকলৰ ভৱিষ্যৎ ধ্বংস হ'ব। দেশৰ উন্নতিত নাৰীৰ ভূমিকাও সমানে গুৰুত্বপূৰ্ণ।' আনহাতে, ই চি ডব্লিউৰ সঞ্চালক য়াছমিন শ্বৰিফে কয়, 'আমি বিচাৰো আফগানিস্তানৰ সকলো মানুহে যাতে শান্তিপূৰ্ণ আৰু সুস্থিৰ ভৱিষ্যৎ লাভ কৰে। ইয়াৰ বাবে তালিবানে পুৰুষ-মহিলা নিৰ্বিশেষে সকলো ছাত্ৰ-ছাত্ৰীক উপযুক্ত শিক্ষাৰ সুবিধা দিব লাগিব।'



## হিজাব প্ৰসংগত যুৱতীসকলক লক্ষ্য হিচাপে লোৱা হৈছে ঃ বিশ্বসুন্দৰী হৰনাজৰ অভিযোগ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৮ মাৰ্চ ঃ** হিজাব প্ৰসংগত এইবাৰ মন্তব্য প্ৰকাশ কৰিলে যোৱা বছৰৰ মিছ ইউনিভাৰ্ছ খিতাপ জয়ী হৰনাজ কৌৰ সান্ধুৱে। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত বিশ্বসুন্দৰীগৰাকীয়ে কয়, 'হিজাব বিতৰ্কত যুৱতীসকলক লক্ষ্য হিচাপে লোৱা হৈছে। যুৱতীসকলক জীয়াই থাকিব দিয়ক, তেওঁলোকে যেনেকৈ বিচাৰে তেনেকৈ থাকিবলৈ দিয়ক। পাখি মেলি উৰিবলৈ দিয়ক। তেওঁলোকৰ সেয়া নিজৰ পাখি। আপুনি কাটিবলৈ কোন? পাখি যদি কাটিব বিচাৰিছে তেন্তে নিজৰ পাখি কাটক।' বিদেশৰ ভূমিত মিছ ইউনিভাৰ্ছ ২০২১ প্ৰতিযোগিতাত জয়লাভৰ পাছত অলপতে হৰনাজ ভাৰতলৈ উভতি আহিছে। ইয়াৰ পাছতে সংবাদ মাধ্যমৰ সন্মুখীন হৈ হিজাব বিতৰ্কৰ প্ৰসংগত নিজৰ মত প্ৰকাশ কৰিলে সুন্দৰীগৰাকীয়ে। অৱশ্যে প্ৰথমতে হৰনাজে সাংবাদিকক কয় যে তেওঁ কোনো ৰাজনৈতিক প্ৰশ্নৰ উত্তৰ নিদিয়ে। ইয়াৰ পাছতো হিজাবক লৈ সাংবাদিকে প্ৰশ্ন কৰাত হৰনাজ কিছু বিব্ৰত হ'লেও পৰিস্থিতি নিয়ন্ত্ৰণ কৰি বিশ্বসুন্দৰীয়ে কয়, 'সত্য ক'বলৈ হ'লে সকলো সময়তে যুৱতীসকলক লক্ষ্য হিচাপে লোৱা হয়। চাওক এই মুহূৰ্তত মোক আপোনালোকে লক্ষ্য হিচাপে লৈছে। হিজাব বিতৰ্কতো যুৱতীসকলক লক্ষ্য হিচাপে লোৱা হৈছে।'

## মুখ্যমন্ত্ৰী কেজৰিৱালৰ বিৰুদ্ধে অপমানজনক মন্তব্য শিৰশ্ছেদৰ যোগ্য ঃ আপৰ বিধায়কৰ মন্তব্য



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৮ মাৰ্চ ঃ** দিল্লীৰ মুখ্যমন্ত্ৰী তথা আপৰ মুৰব্বী অৰবিন্দ কেজৰিৱালৰ বিৰুদ্ধে তথাকথিত অপমানজনক মন্তব্য প্ৰকাশৰ সন্দৰ্ভত দিল্লী বিজেপিৰ সভাপতি আদেশ গুপ্তাৰ বিৰুদ্ধে আজি দিল্লী বিধানসভাত তীব্ৰ বাক বিতণ্ডাৰ মাজতে গৰিহণাৰ প্ৰস্তাৱ গৃহীত হ'ল। এই ঘটনাৰ সন্দৰ্ভত আপৰ বিধায়কে আজি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে কেজৰিৱালৰ বিৰুদ্ধে এনে অপমানজনক মন্তব্য শিৰশ্ছেদৰ যোগ্য। উল্লেখ্য যে বিজেপিৰ বিধায়ক গুপ্তাই দিল্লীৰ মুখ্যমন্ত্ৰী কেজৰিৱালৰ বিৰুদ্ধে তথাকথিত আপত্তিজনক মন্তব্য প্ৰকাশ কৰিছিল। গুপ্তাৰ এই মন্তব্যৰ তীব্ৰ বিৰোধিতা কৰি আজি সদনত আপৰ বিধায়কসকলে গৰিহণা প্ৰস্তাৱ উত্থাপন কৰে আৰু এই প্ৰস্তাৱ গৃহীত হয়। ইয়াৰ পাছত আপৰ বিধায়ক মহিন্দৰ গোৱেলে কয়, 'আমি ভাল মানুহ, আমাৰ কৰ্মকৰ্তাসকল ভদ্ৰ। অন্যথা এনে মন্তব্য শিৰশ্ছেদৰ যোগ্য কাৰ্য।'






■ ঔতলাবাসীৰ দুৰ্ভোগ ■ ডাম্পাৰ চলাচল বন্ধৰ দাবী ■ উপায়ুক্তই স্মাৰকপত্ৰকো কাণসাৰ নিদিয়াৰ অভিযোগ ■ চকু মুদা কুলিৰ ভাওত সাংসদ- বিধায়ক

# ৰঙামাটি-কলাইগাঁও পথৰ বিধ্বস্ত ৰূপ

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ২৮ মাৰ্চ ঃ** স্বাধীনতাৰ পূৰ্বে তথা ব্ৰিটিছৰ দিনৰেই 'মেকেঞ্জী ৰোড' নামেৰে জনাজাত এটি গুৰুত্বপূৰ্ণ পথৰ শেহতীয়া দুৰৱস্থাই ৰাইজক জ্বলা-কলা খুৱাইছে। পথটো মেৰামতিৰ বাবে ৰাইজে দুবাৰকৈ উপায়ুক্তক স্মাৰকপত্ৰ দিয়াৰ পাছতো কোনো সুফল নোপোৱাৰ অভিযোগ উঠিছে। উল্লেখ্য যে দৰং আৰু ওদালগুৰি জিলাৰ অতি পুৰণি আৰু গুৰুত্বপূৰ্ণ ৰঙামাটি-কলাইগাঁও পথটো দীৰ্ঘদিন ধৰি বিধ্বস্ত হৈ আছে। বিশেষকৈ কলাইগাঁও বিধানসভা সমষ্টিৰ অকলিবাৰী 'মূৰফুলি' চ'কৰ পৰা মঙলদৈ বিধানসভা সমষ্টিৰ হলৌচৌকালৈ পথটো যাতায়াতৰ বাবে অনুপযোগী হৈ পৰিছে। প্ৰায় পাঁচ বছৰ আগৰে পৰা পথটোৰ ওপৰৰ পিট্‌চবোৰ বখলা-বখলে এৰি যোৱাত পথৰ মাজতে দ-দ গাঁতৰ সৃষ্টি হৈছে । এজাক বৰষুণতে সমগ্ৰ পথটো বোকা-পানীৰে একাকাৰ হৈ পৰে। ঠায়ে ঠায়ে একাঁঠু পৰ্যন্ত বোকা-পানী হয়। সেইদৰে শুকান বতৰত এখন গাড়ী গ'লেই ধূলি-বালিৰে ছানি ধৰি একো নেদেখা অৱস্থা হৈ পৰে। ধূলি-বালিৰ বাবে পথৰ কাষৰ আৱাসীসকল শ্বাস-প্ৰশ্বাসজনিত ৰোগত আক্ৰান্ত হৈছে। এই দুৰৱস্থাৰ সাংঘাতিক কুফল ভোগ কৰিবলগীয়া হৈছে কণ কণ শিশু আৰু বয়োবৃদ্ধসকলে। সুদীৰ্ঘ পাঁচ বছৰ পথটো বিধ্বস্ত হৈ থকাত বৃহত্তৰ ঔতলা অঞ্চলৰ বেঙাবৰা, অকলিবাৰী, মঠঙা, নেওগপাৰা, যোগীপাৰা, অহকা, কমাৰপাৰা, দুৰ্গাগাঁও, কপিলিসত্ৰকে ধৰি ১০ খন গাঁৱৰ ৰাইজৰ লগতে দূৰণিবটীয়া ৰাইজে যাতায়াতৰ নামত যমৰ যাতনা ভোগ কৰি আহিছে। বৃহত্তৰ অঞ্চলটোৰ বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল ভীষণ অসুবিধাৰ সন্মুখীন হৈছে । ইপিনে, কটা ঘাত নিমখ ছটিওৱাৰ দৰে বিধ্বস্ত পথটোৰেই প্ৰতিদিনে ৭০-৮০ খনকৈ শিল-বালি কঢ়িওৱা ১০-১৪ চকীয়া ডাম্পাৰ অহা-যোৱা কৰি থকাত পথটো মৰা সাপৰ জঁকাৰ দৰে হৈ পৰিছে। উল্লেখ্য যে তীব্ৰবেগী ডাম্পাৰৰ খুন্দাত যোৱা ২৪ ডিচেম্বৰত কলাইগাঁৱৰ পৰা উক্ত পথেৰে মটৰচাইকেলৰে ঘৰমুখী হৈ থকা অৱস্থাত ঔতলাৰ বেচিমাৰী গাঁৱৰ যুৱক তথা প্ৰাক্তন ছাত্ৰনেতা ধ্ৰুৱ প্ৰসাদ শইকীয়াৰ থিতাতে মৃত্যু হৈছিল। শইকীয়াৰ দুৰ্ঘটনাজনিত মৃত্যু আজিও অঞ্চলটোৰ বাবে দুঃস্বপ্ন হৈ আছে। তদুপৰি তীব্ৰবেগী ডাম্পাৰৰ দৌৰাত্ম্যত প্ৰায়ে গৰু-ছাগলীকে ধৰি পশুধন নিধন হৈ আহিছে। তৎসত্ত্বেও লোকনিৰ্মাণ বিভাগে বিগত পাঁচ বছৰে শিলগুটি এটাও নেপেলালে। তেনেদৰে পথটোত দৌৰাত্ম্য চলাই অহা ডাম্পাৰো নিয়ন্ত্ৰণলৈ অহা নাই। প্ৰকাশযোগ্য যে পথটোৰ এটা অংশ লোকনিৰ্মাণ বিভাগৰ মঙলদৈ আৰু দলগাঁও ক্ষেত্ৰীয় সংমণ্ডলৰ আৰু আনটো অংশ ছিপাঝাৰ আৰু কলাইগাঁও ক্ষেত্ৰীয় সংমণ্ডলৰ অধীনত পৰে। ইপিনে, পথটো শীঘ্ৰে মেৰামতি আৰু পকীকৰণৰ লগতে ডাম্পাৰৰ চলাচল বন্ধ কৰাৰ দাবী জনাই যোৱা ১৪ মাৰ্চত পাঁচজনীয়া এটি সঁজাতী দলে বৃহত্তৰ ঔতলাৰ ১৪খন অনুষ্ঠান- প্ৰতিষ্ঠানৰ মুৰব্বীসকলে স্বাক্ষৰ কৰা এখন স্মাৰকপত্ৰ দৰং জিলাৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাৰ হাতত প্ৰদান কৰিছিল। বিধ্বস্ত পথছোৱা শীঘ্ৰে মেৰামতি নকৰিলে আৰু ডাম্পাৰ চলাচল বন্ধ নহ'লে অঞ্চলটোৰ অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠনে ৰাইজৰ স'তে পথ অৱৰোধৰ কাৰ্যসূচী ল'বলৈ বাধ্য হ'ব বুলিও সকীয়াই দিয়ে। উল্লেখ্য যে ছয় মাহ পূৰ্বে তথা যোৱা ২২ ছেপ্টেম্বৰতো অনুৰূপ এখন স্মাৰকপত্ৰ তদানীন্তন উপায়ুক্ত প্ৰভাতী থাউচেনৰ হাতত প্ৰদান কৰিছিল যদিও উপায়ুক্তই বিষয়টোত কোনো কাণসাৰ নিদিয়াৰ অভিযোগেৰে ভুক্তভোগী ৰাইজ সেচ্ছাৰ হৈ উঠিছে। ইপিনে কলাইগাঁৱৰ বিধায়ক দুৰ্গাদাস বড়ো আৰু মঙলদৈৰ বিধায়ক বসন্ত দাসৰ উপৰি সাংসদ দিলীপ শইকীয়ায়ো চকু মুদা কুলিৰ ভাও ধৰি থকা বুলি ৰাইজে গৰিহণা দিছে।



## শিৱসাগৰ জিলাৰ তাই আহোম জাতীয় পৰিষদৰ সমিতি গঠন

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৮ মাৰ্চ ঃ** ঐতিহাসিক শিৱসাগৰ নগৰৰ ষ্টেছন চাৰিআলিস্থিত তাই আহোম সংস্কৃতি বিকাশ কেন্দ্ৰত আজি তাই আহোম জাতীয় পৰিষদৰ শিৱসাগৰ জিলা সমিতিখন পূৰ্ণাংগ ৰূপত গঠন কৰা হয়। নৱগঠিত সমিতিখনৰ সভাপতি হিচাপে নিৰ্বাচিত হয় শিৱসাগৰৰ সমাজ সচেতন যুৱক মন্টু চেতিয়া পাটৰ। সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হয় জনগোষ্ঠীটোৰ হকে মাত মাতি অহা আমগুৰিৰ সচেতন যুৱক আদিত্য ৰূচাও। যুটীয়া সম্পাদক হিচাপে নিৰ্বাচিত হয় অভিজিত বৰপাত্ৰগোহাঁই আৰু অভিশেষ দিহিংগীয়া। মুখপাত্ৰ হিচাপেও নিৰ্বাচিত হয় অভিজিত বৰপাত্ৰগোহাঁই। উল্লেখ্য যে সংগঠনটোৰ জন্ম হৈছিল ২০০৫ত ঐতিহাসিক শিমলুগুৰিত। সংগঠনটোৰ প্ৰতিষ্ঠাপক সভাপতি আছিল ড° যোগেন্দ্ৰনাথ ফুকন। কাৰ্যকৰী সভাপতি আছিল বিশিষ্ট সমাজকৰ্মী ডাঃ প্ৰবীণ কোঁৱৰ। প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক আছিল হীৰেন্দ্ৰ নাথ ফুকন। সংগঠনটোৰ স'তে জড়িত আছিল আহোম জনগোষ্ঠীক নেতৃত্ব দিয়া বহুকেইজন বিশিষ্ট ব্যক্তি। সেইসকলৰ ভিতৰত আটাছুৰ উপদেষ্টা প্ৰয়াত অশ্বিনী কুমাৰ চেতিয়া, আটাছুৰ প্ৰাক্তন নেতা লক্ষ্য কোঁৱৰো অন্যতম। জ্ঞান-বিজ্ঞান একাডেমীৰ অধ্যক্ষ জ্যোতি ফুকনক উপদেষ্টা হিচাপে লৈ ২৫ জনীয়া পূৰ্ণাংগ কমিটী গঠন কৰা হয়। সভাত উপস্থিত আছিল বিশিষ্ট বুৰঞ্জীবিদ ডাঃ অতুল বৰগোহাঁই, কেন্দ্ৰীয় কমিটীৰ সাধাৰণ সম্পাদক অমৰজ্যোতি আৰন্ধৰা, কেন্দ্ৰীয় কমিটীৰ সাংগঠনিক সম্পাদক যোগেশ বিকাশ চেতিয়া, ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি ৰাজকুমাৰ চেতিয়া, তাই আহোম সংস্কৃতি বিকাশ কেন্দ্ৰৰ সাধাৰণ সম্পাদক তথা শিক্ষাবিদ ৰাজেন বুঢ়াগোহাঁই।

## কাজিৰঙাৰ পৰা আহি মাজুলীত সন্ত্ৰাস সৃষ্টি কৰা গঁড় উভতি গ'ল

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ২৮ মাৰ্চ ঃ** কাজিৰঙাৰ পৰা খাদ্যৰ সন্ধানত অহা কে'বাটাও গঁড়ে মাজুলীত সন্ত্ৰাসৰ সৃষ্টি কৰাৰ পাছত বন বিভাগৰ কৰ্মচাৰীয়ে গঁড়কেইটা খেদি পঠাবলৈ অপাৰগ হোৱাৰ বাবে প্ৰশিক্ষণপ্ৰাপ্ত দুটা হাতী আনি গঁড়কেইটা খেদি পঠাবলৈ সক্ষম হৈছিল। কিন্তু গঁড় উভতি গ'ল যদিও মাজুলীতে থাকি গ'ল দুয়োটা হাতী। স্থানীয় লোকে সদৰী কৰা মতে, এটা সময়ত হাতী দুটা নিয়ন্ত্ৰণ কৰিব নোৱাৰাত কাজিৰঙাৰ পৰা মুখ্য মাউট আহি নিয়ন্ত্ৰণ কৰে যদিও হঠাতে ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পোৱাৰ বাবে হাতী দুটা কাজিৰঙালৈ নিব নোৱাৰিলে। ফলত নামনি মাজুলীৰ কৰদৈগুৰি অঞ্চলত আৱদ্ধ হৈ ৰ'ল হাতী দুটা। এতিয়া স্থানীয় ৰাইজে হাতী দুটাক খাদ্যৰ যোগান ধৰি মৰমেৰে ৰাখিছে। হাতী দুটা ক্ৰমাৎ শান্ত হৈ পৰিছে।

## স্বাস্থ্য পৰীক্ষা শিবিৰ



**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ২৮ মাৰ্চ ঃ** বিহপুৰীয়াৰ জাপজুপ মজলীয়া বিদ্যালয়ত কালি সংস্কাৰ ৰুৰেল ছ'চিঅ' ইকন'মিক ডেভলপমেণ্ট ছ'চাইটিৰ উদ্যোগত আৰু লখিমপুৰ ম'বাইল মেডিকেল ইউনিটৰ সহযোগত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰৰ সমান্তৰালকৈ স্থানীয় ৰাইজৰ মাজত বিভিন্ন ৰোগৰ ঔষধ বিতৰণ কৰা হয়। উক্ত স্বাস্থ্য পৰীক্ষা শিবিৰ আৰু বিনামূলীয়া ঔষধ বিতৰণ কাৰ্যসূচীত প্ৰায় শতাধিক স্থানীয় পুৰুষ-মহিলাই স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে বিনামূলীয়া ঔষধ গ্ৰহণ কৰে। বিহপুৰীয়াৰ জাপজুপ মজলীয়া বিদ্যালয়ত অনুষ্ঠিত কৰা আজিৰ কাৰ্যসূচীত উপস্থিত থাকে স্বাস্থ্য বিষয়া সপ্তৰ্ষি শৰ্মা, স্বাস্থ্য কৰ্মী গুৰিস্মীতা গগৈ, নৱনীতা ভূঞা, ছাইদুল ইছলাম, কবিতা পাঁচনি, স্থানীয় আশা কৰ্মী বুলু ফুকন, হেমপ্ৰভা বৰা আৰু সংস্কাৰ ৰুৰেল ছ'চিঅ' ইকন'মিক ডেভলপমেণ্ট ছ'চাইটিৰ সম্পাদক ৰূপমজ্যোতি চেতিয়া, সদস্য নৱজ্যোতি বৰা, গোবিন্দ কলিতা, অৰুণ নাটকে, জিণ্টু গগৈ, ৰাজেশ নেওগ আৰু বিদ্যুৎ শইকীয়া।

## মানৱ সৰবৰাহৰ সজাগতা সৃষ্টিৰ উদ্দেশ্যেৰে চাইকেল ৰেলী

■ তামুলপুৰ জিলা আৰক্ষী প্ৰশাসনৰ উদ্যোগ

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২৮ মাৰ্চ ঃ** ভাৰতবৰ্ষৰ স্বাধীনতাৰ ৭৫ বছৰ পূৰ্তি উপলক্ষে 'আজাদী কা অমৃত মহোৎসৱ'ৰ স'তে সংগতি ৰাখি কালি তামুলপুৰ জিলা আৰক্ষী প্ৰশাসনৰ উদ্যোগত তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ দৰংগামেলাৰ পৰা তামুলপুৰ জিলা সদৰ আৰক্ষী থানালৈ এক চাইকেল ৰেলী উলিওৱা হয়।



সমাজত ঘটি থকা মানৱ সৰবৰাহ, বাল্য বিবাহ, শিশু শ্ৰমিক, ড্ৰাগছ আৰু নিচা জাতীয় সামগ্ৰীৰ বিৰুদ্ধে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যেৰে আৰু যান-বাহন আইনৰ নিয়ম-নীতিৰ বিষয়ে ৰাইজৰ মাজত সজাগতা অনাৰ বাবে চাইকেল ৰেলী উলিওৱা হয়। ভাৰতীয় সেনাৰ ২৯ নম্বৰ পঞ্জাব ৰেজিমেণ্ট, ৬৪ বাহিনী এছএছবি, স্থানীয় জেট টিম, ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় দল-সংগঠনৰ সহযোগত এই চাইকেল ৰেলীৰ ফ্লেগ অফ কৰে তামুলপুৰ জিলা আৰক্ষী অধীক্ষক পংকজ যাদৱে । ৰেলী মুকলি কৰি আৰক্ষী অধীক্ষকজনে কয় যে সাম্প্ৰতিক সময়ত সীমান্ত অঞ্চলত মানৱ সৰবৰাহৰ ঘটনাৰ লগতে বাল্য বিবাহ, শিশু শ্ৰমিকৰ লগতে যুৱ প্ৰজন্মৰ মাজত ড্ৰাগছ, নিচা জাতীয় সামগ্ৰীৰ প্ৰতি আসক্তি বাঢ়িছে। সমান্তৰালভাৱে যান-বাহন আইন অমান্য কৰাৰ ফলত দুৰ্ঘটনা বৃদ্ধি পাইছে। এই চাইকেল ৰেলীটোৰ জৰিয়তে সমাজলৈ শিশু শ্ৰমিক, বাল্যবিবাহ, মানৱ সৰবৰাহ আৰু ড্ৰাগছৰ বিৰুদ্ধে সজাগতা অনা আৰু ৰাইজৰ মাজত যান-বাহনৰ নীতি-নিয়মৰ বিষয়ে ৰাইজক সজাগ কৰি সমাজলৈ শুভবাৰ্তা প্ৰেৰণ কৰিবলৈ প্ৰচেষ্টা চলোৱা হৈছে বুলি কয়। তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীয়ে কয় যে সমাজৰ একাংশ দৰিদ্ৰ তথা অশিক্ষিত মানুহৰ সৰলতাৰ সুযোগ লৈ একাংশ অসাধু মানুহে বাল্য বিবাহকে ধৰি কেতবোৰ অসামাজিক কাৰ্যকলাপত জড়িত হৈ আহিছে। ইয়াৰ বিৰুদ্ধে সজাগতা সৃষ্টি কৰিবলৈ এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। মহকুমা আৰক্ষী বিষয়া ৰূপজ্যোতি কলিতা, ৬৪ নম্বৰ এছএছবি বাহিনীৰ কমাণ্ডেণ্ট নন্দ কিশোৰ টামটা, ডেপুটি কমাণ্ডেণ্ট সন্দীপ পুণীয়া, দৰংগামেলা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া গোপাল দলে আদিয়ে অংশগ্ৰহণ কৰে।

## জাঁজীত জয়মতী স্মৃতি দিৱসৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**জাঁজী, ২৮ মাৰ্চ ঃ** বৃহত্তৰ জাঁজী মৰাণছিগা মহিলা সমাজৰ উদ্যোগত আৰু সমূহ মৰাণছিগাবাসী ৰাইজৰ সহযোগত এদিনীয়া কাৰ্যসূচীৰে অহা তিনি এপ্ৰিলত জয়মতীৰ স্মৃতি দিৱসৰ আয়োজন কৰা হৈছে। মৰাণছিগাৰ ক্ৰীড়া আৰু সাংস্কৃতিক বিকাশ কেন্দ্ৰত অনুষ্ঠিত হ'ব লগা অনুষ্ঠানত পতাকা উত্তোলন কৰিব সমাজকৰ্মী অনু চেতিয়াই। স্মৃতি তৰ্পণ কৰিব গীতাঞ্জলী শইকীয়াই। আনহাতে, দুপৰীয়া সমাজসেৱক অনিল বৰুৱাৰ পৌৰোহিত্যত অনুষ্ঠিত হ'ব লগা মুকলি সভাত আটাছুৰ শিৱসাগৰ জিলাৰ প্ৰাক্তন সভাপতি তথা প্ৰধান শিক্ষক প্ৰদীপ গগৈ বিশিষ্ট অতিথি আৰু লখিমী বৰুৱা নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকিব। শিশুসকলৰ প্ৰতিভা বিকাশৰ এক অনুষ্ঠান অনুষ্ঠিত হোৱাৰ পাছতে বিশিষ্ট নাট্যকৰ্মী দেৱবিকাশ দত্তৰ পৰিচালনাত প্ৰদৰ্শিত হ'ব 'মহাসতী জয়মতী' নাট। নাট উদ্বোধন কৰিব অভিনেতা বিমলা প্ৰসাদ বৰুৱাই।

## মহাপুৰুষীয়া ধৰ্মালোচনী সভাৰ শতবৰ্ষ উদ্‌যাপনৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ২৮ মাৰ্চ ঃ** মহাপুৰুষীয়া ধৰ্মালোচনী সভা শ্ৰীশ্ৰীশংকৰদেৱ মন্দিৰ শুৱালকুছিৰ প্ৰতিষ্ঠাৰ শতবৰ্ষ উদ্‌যাপনৰ প্ৰস্তুতি চলাইছে। এই লৈ কালি শ্ৰীশ্ৰীশংকৰদেৱ মন্দিৰত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। ধৰ্মালোচনী সভাৰ সভাপতি সদানন্দ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত হাতী সত্ৰৰ ডেকা সত্ৰীয়া ৰাজীৱ লোচন সন্তক সভাপতি, যচপাল কলিতাক প্ৰধান সম্পাদক, ড° ভূপেন ভড়ালী, নাৰায়ণ ডেকা আৰু কংকন কলিতাক সহকাৰী সম্পাদক হিচাপে লৈ এখন শতবৰ্ষ উদ্‌যাপন সমিতি গঠন কৰাৰ উপৰি ১২খন উপ-সমিতি গঠন কৰা হয়। ১৯২৪ত জন্ম লাভ কৰি মহাপুৰুষীয়া ধৰ্মালোচনী শ্ৰীশ্ৰীশংকৰদেৱ মন্দিৰে বিগত এশ বছৰে বৃহত্তৰ অসমত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ-মাধৱদেৱৰ গুণ-গৰিমা প্ৰচাৰ আৰু প্ৰসাৰ কৰি গুৰু দুজনাক অসমীয়া জাতিৰ প্ৰাণ প্ৰতিস্থাতাৰূপে পৰিচিত কৰাইছিল।

## হেৰাই যাবলৈ ধৰা সংস্কৃতিক উদ্ধাৰ কৰিব লাগিব

■ গোৰেশ্বৰত ৰংজালী বৈশাগু উৎসৱৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**গোৰেশ্বৰ, ২৮ মাৰ্চ ঃ** 'বড়ো জাতিৰ সাহিত্য-সংস্কৃতি লুপ্ত হ'বলৈ ধৰিছে। বিশেষকৈ চেৰজা, চিফুং ইত্যাদি প্ৰতিযোগিতা নোহোৱাৰ ফলত পাছৰ প্ৰজন্মই এইবোৰৰ ওপৰত একেবাৰেই জ্ঞান নোহোৱা হৈছে। সেয়েহে ৰংজালী বৈশাগুৰ জৰিয়তে হেৰাই যাব ধৰা সংস্কৃতিক ৰক্ষা কৰিব লাগিব, এই বক্তব্য ৩০ নম্বৰ গোৰেশ্বৰ পৰিষদীয় সমষ্টিৰ সদস্য পৱিত্ৰ কুমাৰ বড়োৰ। কালি তামুলপুৰ জিলাৰ গোৰেশ্বৰ বিৰগৌশ্ৰী হাৰিমু আফাদৰ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া ৰংজালী বৈশাগু কাৰ্যালয় উদ্বোধন কৰি বড়োৱে কয় যে বড়ো জনগোষ্ঠীৰ হেৰাই যাব বিচৰা কলা, সংস্কৃতিক জীয়াই ৰাখিবলৈ হ'লে ৰংজালী বৈশাগু পালন কৰিব লাগিব। ৰংজালী বৈশাগুৰে সাহিত্য, সংস্কৃতিকৰ লগতে জাতিৰ একতা গঢ়ি তোলে বুলিও গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায় বড়োৱে। উল্লেখ্য যে বিগত কেইবছৰৰ দৰে এইবেলিও অহা ১৮, ১৯ এপ্ৰিলত ২১ সংখ্যক বড়ো হাৰিনী ৰংজালী বৈশাগু পৰ্ব বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি, ১৮ এপ্ৰিলত পুৱা পতাকা উত্তোলন, ছহিদ বেদীত পুষ্পাঞ্জলি অৰ্পণৰ পাছতে কবিতা আবৃত্তি, চেৰজা, চিফুং প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ইয়াৰ পাছতে সন্ধিয়া বৈশাগু, বৈশাগু চিখলা, বৈশাগু চেংগেৰা, আধুনিক নৃত্য, গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দ্বিতীয় দিনা তথা ১৯ এপ্ৰিলত ৰাতিপুৱা ন বজাৰ পৰা মুকলি বৈশাগু প্ৰতিযোগিতাৰ আৰু আবেলি তিনি বজাত মুকলি, বঁটা বিতৰণী সভা অনুষ্ঠিত হ'ব। উল্লেখ্য যে মুকলি সভাত বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। সন্ধিয়া আঠ বজাত বিশেষ সাংস্কৃতিক সন্ধিয়াৰে গোৰেশ্বৰ ৰংজালী বৈশাগু পৰ্বৰ সামৰণি পৰিব। দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ৰংজালী বৈশাগু পৰ্ব পৰিচালনাৰ বাবে ইতিমধ্যে সভাপতি মিলনিয়াৰ বড়ো, কাৰ্যকৰী সভাপতি দেৱহাছাৰ নাৰ্জাৰী, সম্পাদক লক্ষেশ্বৰ বড়োক লৈ পাঁচখন উপ-সমিতিৰে এখন শক্তিশালী আদৰণি সমিতি গঠন কৰা হৈছে।

## অঞ্চলৰ ঐতিহ্য বহন কৰে অভিনন্দন গ্ৰন্থই ঃ খতিৱাৰা

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ২৮ মাৰ্চ ঃ** 'অভিনন্দন গ্ৰন্থ এটা অঞ্চলৰ ইতিহাস। ব্যক্তি বিশেষৰ লগতে এটা অঞ্চলৰ ঐতিহ্য বহন কৰে অভিনন্দন গ্ৰন্থই। ভৱিষ্যত প্ৰজন্মৰ বাবে সমল সংগ্ৰহৰ এটা পথ।' এই মন্তব্য অসম নেপালী সাহিত্য সভাৰ সভাপতি দুৰ্গা খতিৱাৰাৰ। বাগ্‌সা জিলাৰ ভাৰত-ভূটান সীমান্তৰ ভূটানখুঁটিত কালি এক অভিনন্দন গ্ৰন্থ উন্মোচনী সভাত খতিৱাৰাই কয় যে এজন ব্যক্তিৰ ৭০ বছৰ হ'লেই একোখন অভিনন্দন গ্ৰন্থ প্ৰকাশ কৰিব লাগে। কাৰণ অভিনন্দন গ্ৰন্থ নৱপ্ৰজন্মৰ ইতিহাসৰ সমল বিচৰা এক পথ। তেওঁ পুনৰ কয় যে ভাৰত-ভূটান সীমান্তৰ এই অঞ্চলটোত এনে গ্ৰন্থ প্ৰকাশে নতুন নতুন সাহিত্যকৰ্মীৰো সৃষ্টি কৰিব। ভাষা-সাহিত্যৰ প্ৰতি মানুহৰ আগ্ৰহ বাঢ়িব। নতুন নতুনৰ লেখকৰ জন্ম হ'ব।

উল্লেখ্য যে জিলাখনৰ ভূটানখুঁটিৰ সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত শিক্ষক ইন্দ্ৰ প্ৰসাদ গুৱাগাঞীক সম্বৰ্ধনাৰ বাবে কালি হিমালী সাহিত্য সমিতিৰ উদ্যোগত এখন অভিনন্দন গ্ৰন্থ উন্মোচন কৰা হয়। অভিনন্দন গ্ৰন্থ সম্পাদনা সমিতিৰ মুখ্য সম্পাদক বদ্ৰী গুৱাগাঞী আঁত ধৰা সভাত অভিনন্দন গ্ৰন্থ উন্মোচন কৰে নেপালী সাহিত্যিক নৱ সাপকোটাই। গ্ৰন্থ উন্মোচন কৰি সাহিত্যিক নৱ সাপকোটাই সমাজকৰ্মী তথা সাংগঠনিককৰ্মী ইন্দ্ৰ প্ৰসাদ উপাধ্যায় গুৱাগাঞীৰ জীৱন আৰু কৰ্মৰ সম্পৰ্কে আলোকপাত কৰি তেওঁৰ জীৱন দৰ্শনেৰে সমাজৰ উন্নয়ন সাধন কৰিবলৈ আহ্বান জনায়। উক্ত সভাত অসম নেপালী সাহিত্য সভাৰ সভাপতি দুৰ্গা খতিৱাৰা, ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত কৃতী শিক্ষক,



শিশু সাহিত্যিক মুননী সাপকোটা, বাগ্‌সা জিলা সাহিত্য সভাৰ সভাপতি কামদেৱ দাস, অসম নেপালী সাহিত্য সভাৰ শিক্ষা উপদেষ্টা সোমনাথ পৰাজুলি, অসম নেপালী সাহিত্য সভাৰ বিটিআৰ ক্ষেত্ৰীয় সমিতিৰ সম্পাদক চন্দ্ৰ প্ৰসাদ ঘিমিৰে উপস্থিত থকা অনুষ্ঠানটোত আগছু, মহিলা সমিতি, সাহিত্য সভা, গাঁও উন্নয়ন সমিতি, বিভিন্ন বিদ্যালয়, সামাজিক অনুষ্ঠান, সংঘ আদিৰ লগতে ব্যক্তিয়ে ইন্দ্ৰ প্ৰসাদ উপাধ্যায় গুৱাগাঞীক সম্বৰ্ধনা জ্ঞাপন কৰে।

## বিহুনাচ-ঢোলবাদন কৰ্মশালাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**ৰাজগড়, ২৮ মাৰ্চ ঃ** সমাগত অসমীয়াৰ বাপতি-সাহোন ৰঙালী বিহু। পেঁপা-ঢোলৰ গুমগুমনিত প্ৰতিখন গাঁও ৰজনজনাই উঠিছে। এতিয়া হেঁপাহৰ ব'হাগ বিহুটিৰ প্ৰতি থকা প্ৰতিজন অসমীয়াৰ ৰঙিয়াল মনোভাব সুন্দৰকৈ ফুটি উঠিছে। জেতুকা, থেৰেজু, বৰ্হমথুৰিৰে ৰং সানি চ'ত মাহতেই সাজু হৈছে ৰাজ্যবাসী। সেয়ে নগৰ-চহৰ, গাঁৱৰ চুকে চুকে এতিয়া ৰঙালী বিহুক আদৰিবলৈ ব্যাপক প্ৰস্তুতি চলিছে। অনুষ্ঠিত হৈছে বিহু নাচ, ঢোল বাদনৰ কৰ্মশালা। সমান্তৰালকৈ ৰাজগড়ৰ সমীপৰ ঔফুলীয়া গাঁৱতো অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী তথা টিংখাং সমষ্টিৰ বিধায়ক বিমল বড়াৰ উদ্যোগত বিহু নাচ আৰু ঢোল বাদন কৰ্মশালাৰ আয়োজন কৰা হৈছে। পিঠাগুটি জিলা পৰিষদ, ঔফুলীয়া গাঁও পঞ্চায়ত আৰু আৰতী যুৱক সংঘৰ সহযোগত অহা একৰ পৰা ১১ এপ্ৰিল পৰ্যন্ত ঔফুলীয় উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া কৰ্মশালাত বিহু নাচৰ প্ৰশিক্ষণ দিব বিহুৱতী পাহাৰীকন্যা গগৈয়ে। আনহাতে, ঢোলবাদনৰ প্ৰশিক্ষণ দিব প্ৰশিক্ষক সুশান্ত চাংমাই আৰু দেৱজিৎ চাংমাইয়ে। কৰ্মশালাত সকলো শ্ৰেণীৰ ৰাইজৰ দিহা-পৰামৰ্শৰ লগতে পূৰ্ণ-সহযোগিতা কামনা কৰিছে উদ্‌যাপন সমিতিয়ে।

## দিব্যাংগৰ সজাগতাৰ বাবে বাটৰ নাট প্ৰদৰ্শন

**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ২৮ মাৰ্চ ঃ** দৰং জিলাৰ এটি স্বেচ্ছাসেৱী অনুষ্ঠান 'আশাজ্যোতি'ৰ উদ্যোগত জিলাখনৰ ৰূপৰীকাষৰ সাপ্তাহিক বজাৰত কালি দিব্যাংগ লোকসকলৰ প্ৰতি সমাজৰ দৃষ্টিভংগী পৰিবৰ্তন আৰু সজাগতা উদ্দেশ্যেৰে ৰাইজৰ মাজত বাটৰ প্ৰদৰ্শন কৰা হয়। হেমন্ত কুমাৰ চহৰীয়াই পৰিচালনা কৰা নাটখনত খনিন্দ্ৰ নাথ, চয়নিকা শৰ্মা আৰু নিচান চহৰীয়াই অভিনয় কৰি ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰা পৰিলক্ষিত হোৱা দেখা যায়।

## পীড়াকটাত কৃষি উৎপাদন গোট গঠন

**অগ্ৰদূত বাৰ্তা**

**কাকজান, ২৮ মাৰ্চ ঃ** টীয়কৰ পীড়াকটাত ভৰলুৱাত যোৱা ২৬ মাৰ্চত নৱশক্তি যুৱ সংঘৰ প্ৰেক্ষাগৃহত মধ্য যোৰহাট উন্নয়ন খণ্ডৰ চিপাহীখোলাৰ অন্তৰ্গত কৃষক বন্ধুসকলৰ মাজত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত 'অসমী ফাইনেন্স গ্ৰুপৰ মহাপ্ৰৱন্ধক কংকন বৰাৰ উদ্যোগত এটা কৃষি উৎপাদন কোম্পানী গঠন কৰা হয়। এশ গৰাকী কৃষকক অন্তৰ্ভুক্ত কৰি কোম্পানীটোৰ পৰিচালনাৰ বাবে মোহন বৰাক অধ্যক্ষ আৰু শ্যাম বৰাক পৰিচালন সঞ্চালকৰূপে লৈ এখন ১০ জনীয়া সমিতি গঠন কৰা হয়। সভাত মধ্য যোৰহাট উন্নয়ন খণ্ডৰ চিপাহীখোলা কৃষি উন্নয়ন বিষয়া ৰাজা ফুকন আৰু কৃষি পৰিদৰ্শক বিপুল শইকীয়া, সাংবাদিক মানৱজ্যোতি বৰদলৈ উপস্থিত থাকে। উল্লেখ্য যে বৰ্তমান কৃষকসকলৰ বাবে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনিসমূহ অৱগত কৰাৰ লগতে যি কোনো সময়তে কৃষকসকলক সহায় কৰাৰ আশ্বাস প্ৰদান কৰে।

## সাৰ চুৰি কাণ্ডত আৰক্ষীৰ পক্ষপাতমূলক ভূমিকাত জাতীয় পৰিষদৰ গৰিহণা

**নামৰূপ, ২৮ মাৰ্চ ঃ** বিগত বৰ্ষৰ ২৮ আগষ্টত পোহৰলৈ অহা নামৰূপ সাৰ কাৰখানাৰ সাৰ কেলেংকাৰিৰ তদন্তত আৰক্ষীয়ে পক্ষপাতমূলক ভূমিকা গ্ৰহণ কৰা বুলি অভিযোগ তুলিছে অসম জাতীয় পৰিষদৰ নামৰূপ আঞ্চলিক সমিতিয়ে। কালি অজাপৰ কেন্দ্ৰীয় সমিতিৰ সদস্য শোভাকৰণ কোহাঞি আৰু নামৰূপ আঞ্চলিক সমিতিৰ সভাপতি-সম্পাদক ক্ৰমে দীপাঞ্জল গগৈ আৰু প্ৰস্তুতি ফুকনে এক বিবৃতিত এই কথা সদৰী কৰিছে। বিজ্ঞপ্তিত উল্লেখ কৰা মতে, নামৰূপৰ আৰক্ষীয়ে বহু চৰ্চিত সাৰ চুৰি কাণ্ডৰ তদন্ত আৰু বিচৰা প্ৰক্ৰিয়াত পক্ষপাতমূলক ভূমিকা গ্ৰহণ কৰিছে। মূল অভিযুক্তক গ্ৰেপ্তাৰ নকৰি পুঁঠি-খলিহনা সদৃশ অপৰাধীকহে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। অজাপ নামৰূপ সমিতিয়ে কোনো ব্যক্তিৰ নামপ্ৰকাশ নকৰাকৈ স্থানীয় বিধায়কৰ লগত ঘনিষ্ঠ হোৱাৰ বাবে সাক্ষী প্ৰমাণ থকাৰ পাছতো সাৰ কেলেংকাৰিৰ লগত জড়িত অভিযুক্ত ব্যক্তি গ্ৰেপ্তাৰ কৰা নাই বুলি অভিযোগ কৰে।

## গ্ৰেটাৰ বঙাইগাঁও প্ৰেছ ক্লাবত 'আমাৰ পৃথিৱী আমাৰ পৰিৱেশ' উন্মোচন



**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২৮ মাৰ্চ ঃ** বঙাইগাঁও চহৰৰ গ্ৰেটাৰ বঙাইগাঁও প্ৰেছ ক্লাবত কালি লেখিকা যামিনী দেৱীৰ 'আমাৰ পৃথিৱী আমাৰ পৰিৱেশ' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰা হয়। এই উপলক্ষে গ্ৰেটাৰ বঙাইগাঁও প্ৰেছ ক্লাবত অনুষ্ঠিত এক অনুষ্ঠানত প্ৰেছ ক্লাবৰ সভাপতি ৰঞ্জিত কুমাৰ শৰ্মাই গ্ৰন্থখন উন্মোচন কৰে। উল্লেখ্য যে বইটামাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৰ্থবিজ্ঞানৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী তথা লেখিকা যামিনী দেৱীৰ 'আমাৰ পৃথিৱী, আমাৰ পৰিৱেশ' গ্ৰন্থখন মূলতঃ এখন পৰিৱেশ ভিত্তিক সংকলিত পুথি। গ্ৰন্থখনত পাঠকে আমাৰ চৌপাশৰ পৰিৱেশৰ ওপৰত বৰ্তমানে আহি পৰা বিভিন্ন ধৰণৰ ভাবুকিৰ উমান পাব। পৰিৱেশৰ ওপৰত সংক্ৰমণ হোৱা বিয়োগাত্মক প্ৰভাৱবোৰৰ পৰা পৰিৱেশক কেনেকৈ ৰক্ষা কৰিব পাৰি সেই বিষয়ে আন্তৰ্জাতিক পৰ্যায়ত গোটেই বিশ্বজুৰি চলি থকা প্ৰয়াসবোৰৰো এক চমু আভাস লেখিকাই দাঙি ধৰিছে। প্ৰতিটো পৰিচ্ছেদতে ৰজিতা খোৱাকৈ তথ্য আৰু চিত্ৰৰ সমাহাৰ ঘটিছে । এক কথাত এইখন এখন তথ্যভিত্তিক সচিত্ৰ সকলো শ্ৰেণীৰ পঢ়ুৱৈৰ বাবে সময়োপযোগী পৰিৱেশ সম্পৰ্কীয় পুথি। ইয়াৰ উপৰি পৰিৱেশ সচেতনতা বৃদ্ধিৰ বাবে বিশ্বৰ বিভিন্ন সংস্থাসমূহে কেতিয়াৰ পৰা কিদৰে চিন্তা-চৰ্চা কৰি আছে আৰু এইক্ষেত্ৰত ভাৰতৰ ভূমিকা কি সেই সম্পৰ্কেও গ্ৰন্থখনত আলোচনা কৰা হৈছে। বঙাইগাঁৱৰ চিলাৰায় অফছেট প্ৰিণ্টত ছপা কৰা গ্ৰন্থখন লেখিকাৰ স্বামী তথা ধুবুৰী জিলাৰ ভোলানাথ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক বংকিমচন্দ্ৰ চক্ৰৱৰ্তীয়ে প্ৰকাশ কৰি উলিয়াইছে। উল্লেখ্য যে গ্ৰেটাৰ বঙাইগাঁও প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক প্ৰণৱ কুমাৰ ডেকাই উদ্দেশ্য ব্যাখ্যা কৰা গ্ৰন্থ উন্মোচনী অনুষ্ঠানত সভাপতিত্ব কৰে প্ৰেছ ক্লাবৰ সভাপতি ৰঞ্জিত কুমাৰ শৰ্মাই। অনুষ্ঠানত গ্ৰন্থখনৰ প্ৰকাশক বংকিম চন্দ্ৰ চক্ৰৱৰ্তী, জ্যেষ্ঠ সাংবাদিক তেজেশ ত্ৰিপাঠীয়ে বক্তব্য ৰাখে। অনুষ্ঠানত চিলাৰায় অফছেট প্ৰিণ্টৰ স্বত্বাধিকাৰী গৌতম মজুমদাৰো উপস্থিত থাকে।

■ বঙাইগাঁৱত আশা অভিবৰ্তন ■ আশাকৰ্মীৰ লগতে চিকিৎসা বিভাগৰ সকলো বিষয়ববীয়াক উপহাৰ প্ৰদান

# আশাকৰ্মীয়ে স্বাস্থ্য বিভাগৰ কামৰ মুখ্য ভূমিকা গ্ৰহণ কৰে



অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২৮ মাৰ্চ ঃ** কালি বঙাইগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে আশা অভিৰৰ্তন অনুষ্ঠিত কৰা হয়। বঙাইগাঁও জিলাৰ উপায়ুক্ত ডাঃ এম এছ লক্ষ্মী প্ৰিয়া (আইএএছ)ই আশা অভিৰৰ্তনত মুখ্য অতিথিৰূপে উপস্থিত থাকি আশাকৰ্মীসকলক উৎসাহিত কৰে। ভাষণ প্ৰসংগত উপায়ুক্ত ডাঃ লক্ষ্মী প্ৰিয়াই কয় যে আশাকৰ্মীসকলে স্বাস্থ্য বিভাগৰ সকলো কামতে সহায়-সহযোগিতা আগবঢ়াই কামসমূহ সম্পন্ন কৰাত মুখ্য ভূমিকা গ্ৰহণ কৰি আহিছে।

উদাহৰণ স্বৰূপে ক'ভিডৰ সংক্ৰমণৰ সময়ত আশাকৰ্মীসকলে উল্লেখযোগ্য ভূমিকা লৈ সংক্ৰমণ প্ৰতিৰোধত সহযোগিতা আগবঢ়াইছিল। তেনেদৰে শিশুৰ মৃত্যুৰ হাৰ আৰু প্ৰসূতি মাতৃৰ মৃত্যুৰ হাৰ হ্ৰাস কৰাতো বিশেষ ভূমিকা লৈ আছে। জিলাখনত জটিলতা থকা গৰ্ভৱতী মহিলাৰ বাবে উপায়ুক্তগৰাকীৰ উদ্যোগত লোৱা জিলাভিত্তিক প্ৰকল্প 'প্ৰকল্প সৌভাগ্য' ৰূপায়ণত গুৰুত্বপূৰ্ণ ভূমিকা লৈ আছে আশাকৰ্মীসকলে। আশাকৰ্মীসকলৰ সকলো ধৰণৰ সহায়-সহযোগিতাৰ বাবে তেওঁলোকক উপায়ুক্তগৰাকীয়ে বিশেষভাৱে প্ৰশংসা কৰে আৰু ধন্যবাদ জনায়। তেওঁ ভাষণৰ অংশ হিচাপে এটি গীতো পৰিৱেশন কৰে। কালি আশা অভিবৰ্তনত অতিৰিক্ত উপায়ুক্ত (স্বাস্থ্য) শ্যামল ক্ষেত্ৰ গগৈ, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ ভূপেন বৈশ্যৰ লগতে সকলো চিকিৎসক, নাৰ্ছ আৰু আন আন স্বাস্থ্য বিভাগৰ লগত জড়িত বিষয়ববীয়া উপস্থিত থাকে। আশা অভিৰৰ্তনৰ অংশ হিচাপে জিলাখনৰ মুঠ ৭৩৯গৰাকী আশাকৰ্মীক একোটাকৈ ছাতি, এখন বেগ, একোটা ৱাল ঘড়ী আৰু একোটাকৈ কফি মগ উপহাৰ হিচাপে প্ৰদান কৰা হয়। আৰু বিভাগটোৰ অন্তৰ্গত বঙাইগাঁৱৰ ১৫০০ ৰো অধিক বিষয়ববীয়াক এই উপহাৰসমূহ প্ৰদান কৰা হয়। এগৰাকী প্ৰয়াত আশাকৰ্মীৰ ছোৱালীলৈ আৰ্থিক সহায় হিচাপে চেক প্ৰদান কৰে জিলা উপায়ুক্ত ডাঃ লক্ষ্মী প্ৰিয়াই।

## মৈৰাবাৰী থানাৰ কাষতে অস্ত্ৰধাৰী যুৱকৰ সন্ত্ৰাস ঃ ঘটনাক লৈ প্ৰতিক্ৰিয়া

অগ্ৰদূত বাৰ্তা

**ভূৰাগাঁও ২৮ মাৰ্চ ঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰী থানাৰ পৰা ৫০ মিটাৰ নিলগত আজি পুৱা ৯.৩০ মান বজাত এখন চাহৰ দোকানত চাৰিজনীয়া যুৱকৰ দল এটাই পুৰি-তৰকাৰী বিচাৰি নাপাই মালিকক মাৰণাস্ত্ৰ দেখুৱাই মৃত্যুৰ ভাবুকি প্ৰদান কৰাৰ ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰত্যক্ষদৰ্শীৰ মতে যুৱকৰ দলটোৱে পুৱা ভাগৰ পৰা টয়'টা ইটিঅএছ কাৰ এখনৰে মৈৰাবাৰী বজাৰৰ সমীপত টহল দি থকাৰ লগতে কে'বাবাৰো অহা যোৱা কৰে। তাৰ পাছতে মৈৰাবাৰী থানাৰ নিচেই কাষতে থকা 'এম এছ বি এম ছাৰ্ভিছ ষ্টেচন' নামৰ পেট্ৰ'ল পাম্পৰ কাষৰ এখন চাহৰ দোকানৰ সন্মুখত গাড়ী ৰাখি চাৰিজন অচিনাক্ত যুৱকে চাহৰ দোকানখনত প্ৰৱেশ কৰে। চাহ দোকানখনত বহিয়ে যুৱকৰ দলটোৱে পুৰি খাব বুলি কৈ হোটেলৰ ল'ৰাজনক পুৰি আনিবলৈ দিয়ে। হোটেলৰ ল'ৰাজনে তেওঁ পুৰি বিক্ৰী নকৰে বুলি কোৱাত কিয় বিক্ৰী নকৰে বুলি অচিনাকি যুৱক কেইজনে পুনৰ সোধাত কয়, 'মোৰ হোটেলত পুৰি বেচিব ইচ্ছা নাই মই নেবেচো।' ইয়াতে খঙত অগ্নিশৰ্মা হৈ চাৰি যুৱকৰ এজন আগবাঢ়ি গৈ চাহৰ দোকানৰ যুৱকজনক ডিঙিত ধৰি কথা ভালকৈ ক'বি নহ'লে ইয়াতে শেষ কৰি দিম বুলি ক'কালৰ পৰা এটি পিষ্টল উলিয়ায়। আতংকিত যুৱকজনে মোক মাৰি কি কৰিব বুলি কোৱাত অস্ত্ৰধাৰী যুৱকজনে ল'ৰাজনক এৰি দিয়ে।' পাছত দোকানৰ পৰা চাৰি যুৱক ওলাই নগাঁও অভিমুখে গাড়ী লৈ গুচি যায়। লগে লগে হোটেলৰ যুৱকজনে পিতৃৰ স'তে মৈৰাবাৰী থানালৈ গৈ ঘটনা বিবৰি কয়। মৈৰাবাৰী থানাৰ পৰা দুজন আৰক্ষী জোৱানে এখন মটৰ চাইকেল লৈ গাড়ীখনক অনুসৰণ কৰে যদিও কিছুদূৰ যোৱাৰ পাছতে তেল শেষ হোৱাত দুয়ো মটৰ চাইকেলখন ঠেলি ঠেলি থানালৈ উভতি আহে। আৰক্ষী কেইজনৰ এনে পুতৌলগা অৱস্থা দেখি সকলো আচৰিত হয়। বৰ্তমান ঘটনাৰ সন্দৰ্ভত মৈৰাবাৰী আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে যদিও অস্ত্ৰধাৰী যুৱক কেইজনৰ সন্দৰ্ভত একো সম্ভেদ পোৱা নাই।

## তুলসীবিলত অংগনৱাড়ী কৰ্মী-সহায়িকাৰ অৱস্থান ধৰ্মঘট



অগ্ৰদূত বাৰ্তা

**দোতমা, ২৮ মাৰ্চ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে আজি গোসাঁইগাঁও মহকুমাৰ তুলসীবিলতো অংগনৱাড়ী কৰ্মী-সহায়িকাই অৱস্থান ধৰ্মঘটৰ লগতে কৰ্মবিৰতি পালন কৰে। প্ৰতিবাদী কৰ্মীসকলে অংগনৱাড়ী কৰ্মী-সহায়িকাক মাননিৰ সলনি মজুৰি প্ৰদান, নিয়মীয়া কৰ্মচাৰীৰূপে স্বীকৃতি প্ৰদান, মিনি কেন্দ্ৰসমূহক পূৰ্ণাংগ কেন্দ্ৰলৈ ৰূপান্তৰ কৰা, ৰাজ্যৰ আন কেন্দ্ৰসমূহৰ দৰে বিটিআৰৰ কেন্দ্ৰসমূহক সমান সুবিধা প্ৰদান, খালী হৈ থকা পদত কৰ্মৰত সহায়িকাক কৰ্মী পদলৈ পদোন্নতি, অৱসৰ কৰ্মীসকলৰ বয়স বৃদ্ধি এই ছয়দফীয়া দাবী উত্থাপন কৰি বিভিন্ন প্ৰতিবাদী শ্ল'গানেৰে আকাশ-বতাহ উত্তাল কৰে। চৰকাৰে তেওঁলোকৰ দাবীসমূহ মানি নল'লে ভৱিষ্যতে জংগী আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে।

## বিশ্বজ্যোতি মইনা পাৰিজাতৰ নতুন সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ২৮ মাৰ্চ ঃ** সদৌ অসম মইনা পাৰিজাতৰ অন্তৰ্ভুক্ত বদতি জামুগুৰিৰ বিশ্বজ্যোতি মইনা পাৰিজাতৰ নতুন সমিতিখন যোৱা ২৭ মাৰ্চত গঠন কৰা হয়। এই উদ্দেশ্যে কালি বিয়লি বদতি জামুগুৰি নাট্য সমাজৰ প্ৰেক্ষাগৃহত নাট্য সমাজৰ সভাপতি পৰমানন্দ বৰুৱাৰ সভাপতিত্বত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। নাট্য সমাজৰ সম্পাদক তথা বিশ্বজ্যোতি মইনা পাৰিজাতৰ প্ৰাক্তন সম্পাদক জগত বৰাই আঁত ধৰা সভাখনত নামনি লখিমপুৰ জিলা মইনা পাৰিজাতৰ সভাপতি দীননাথ বড়া, নামনি লখিমপুৰ আঞ্চলিক মইনা পাৰিজাতৰ সভাপতি-সম্পাদক ক্ৰমে প্ৰফুল্ল শইকীয়া, ৰিপুন বৰা, আঞ্চলিকৰ সাংগঠনিক সম্পাদক অতুল বৰুৱা আৰু ক্ৰীড়া সম্পাদক বকুল শইকীয়াই অংশগ্ৰহণ কৰি মইনা পাৰিজাতৰ সাংগঠনিক দিশ সম্পৰ্কত বক্তব্য আগবঢ়ায়। সভাত বিপিন শইকীয়াক সভাপতি, নৱকুমাৰ বৰুৱা আৰু গোলাপ বৰুৱাক উপ-সভাপতি, ৰুমা বৰাক সম্পাদিকা, মীনাক্ষী বৰা আৰু সঞ্জীৱ দত্তক সহকাৰী সম্পাদক, অৰুণ শইকীয়াক কোষাধ্যক্ষ, নিলমণি শৰ্মাক মুখ্য পৰিচালক, জিনামণি শইকীয়া আৰু গীতাঞ্জলি হাজৰিকাক সহকাৰী পৰিচালক, ৰুণু বৰদলৈক কৃষ্টি বিভাগৰ পৰিচালক, বিউটি বৰুৱাক সাহিত্য বিভাগৰ পৰিচালক আৰু হিমাংশু ৰঞ্জন বৰাক ক্ৰীড়া বিভাগৰ পৰিচালকৰূপে লৈ বিশ্বজ্যোতি মইনা পাৰিজাতৰ নতুন সমিতিখন গঠন কৰা হয়। সভাত সমাজকৰ্মী পূৰ্ণ খাটনিয়াৰ, অৱসৰপ্ৰাপ্ত অধ্যক্ষদ্বয় প্ৰফুল্ল বৰদলৈ, যুগল চন্দ্ৰ কলিতা, প্ৰধান শিক্ষক ক্ৰমে যাদৱ বৰুৱা, দিগন্ত বৰুৱা, অৱসৰপ্ৰাপ্ত শিক্ষক কৃষ্ণ বৰদলৈ, ভৱেন হাজৰিকা, সমাজকৰ্মী ৰাজেন্দ্ৰ প্ৰসাদ শইকীয়া, নবীন কলিতা, অনুপম বৰদলৈ, ৰিণী শইকীয়া, গাঁওপ্ৰধান প্ৰফুল্ল কলিতাই অংশগ্ৰহণ কৰি বক্তব্য আগবঢ়ায়।

## ৰতিমোহন নাথক ভাৰতৰত্ন ড° ভূপেন হাজৰিকা সমন্বয় বঁটা প্ৰদান

বিশেষ সংবাদদাতা

**নগাঁও, ২৮ মাৰ্চ ঃ** বিশিষ্ট সাহিত্যিক ৰতিমোহন নাথক লংকাৰ শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰই 'ভাৰতৰত্ন ড° ভূপেন হাজৰিকা সমন্বয় বঁটা' ২০২২ প্ৰদান কৰা হ'ব। হোজাই জিলাৰ শংকৰদেৱ নগৰস্থ শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰই অলপতে অনুষ্ঠিত কৰা এক অনুষ্ঠানত সাহিত্যিক ৰতিমোহন নাথক এই বঁটা প্ৰদান কৰে। অসমীয়া সাহিত্যলৈ উল্লেখনীয় বৰঙণি আগবঢ়োৱাৰ লগতে ভাৰতৰত্ন ড° হাজৰিকাৰ ৰচনা সমগ্ৰ সম্পাদনাৰে কৃতিত্ব অৰ্জন কৰাৰ বাবে নাথক এই বঁটা প্ৰদান কৰা হয়। নগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰতিমোহন নাথে বহুকেইখন গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্য ভঁৰাললৈ উল্লেখনীয় বৰঙণি আগবঢ়াইছে।

## হোজাইৰ যমুনাপৰীয়া শাখা সাহিত্য সভাৰ সাধাৰণ সভা

অগ্ৰদূত বাৰ্তা

**হোজাই, ২৮ মাৰ্চ ঃ** হোজাই জিলাৰ সাহিত্য সভাৰ অন্তৰ্গত যমুনাপৰীয়া শাখা সাহিত্য সভা (স্বৰ্ণ)ৰ কালি পুৱা ১১ বজাত মোৱাঝাৰ গাইডেন্স ছেকেণ্ডাৰী স্কুল (ৰোহিনী পথাৰ)ত সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত শাখাৰ সভাপতি ছাবিৰ আহমেদে সভাপতিত্ব কৰে আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে শাখাৰ সম্পাদক ছাদিকুজ জামানে। উক্ত সভাত বাৰ্ষিক প্ৰতিবেদন আৰু হিচাপ পাঠ শাখাৰ সম্পাদকে পাঠ কৰাৰ অন্তত সম্পাদকীয় প্ৰতিবেদনত অনুমোদন জনায়। সভাখনত শাখাৰ কাম-কাজ পৰ্যলোচনা কৰাৰ লগতে গুৰুত্বপূৰ্ণ আলোচনা কৰি ভৱিষ্যত কিছু পৰিকল্পনা হাতত লোৱা হয়। সভাৰ সাংবিধানিক নিয়ম অনুসৰি কাৰ্যকাল সমাপ্ত হোৱাত পুৰণা কমিটীয়ে পদত্যাগ কৰে আৰু নতুন কমিটী গঠন হয়। শাখাৰ ২০২২-২০২৪ৰ কাৰ্যকালৰ বাবে কবি মোজাম্মিল আলীক সভাপতি, উপ-সভাপতি আবু ছুফিয়ান, সম্পাদক ছাদিকুজ জামান, সহ সম্পাদক নুৰ আহমেদ চৌধুৰী, মুজিবুৰ ৰহমান, কোষাধ্যক্ষ কমৰুল ইছলাম, সাংগঠনিক সম্পাদক আইনুল হক, পত্ৰিকা সম্পাদক-মিচবাহ উদ্দিন, শ্বফিকুৰ ৰহমান, আজমল হক বৰভূঞা, ইফতিকাৰ আহমেদক সদস্য হিচাপে লৈ ১৩ জনীয়া এখন নতুন কমিটী গঠন কৰা হয়।

## পাঁচ এপ্ৰিলত দৰঙত নাগাৰা নামৰ মহাসন্মিলন

বিশেষ সংবাদদাতা

**মঙলদৈ, ২৮ মাৰ্চ ঃ** দৰঙীয়া লোক কলা-কৃষ্টিসমূহৰ অন্যতম দৰঙী নাগাৰা নামক গৱেষণাৰ জৰিয়তে শুদ্ধ ৰূপত অধিক প্ৰচাৰমুখী কৰি ইয়াৰ স'তে জড়িত লোকশিল্পীসকলক একত্ৰীকৰণৰ লক্ষ্যৰে অহা পাঁচ এপ্ৰিলত অনুষ্ঠিত হ'ব দৰঙী নাগাৰা নামৰ মহাসন্মিলন। দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ উদ্যোগত ছিপাঝাৰস্থিত দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ ভৱনত সেইদিনা দিনৰ ১১ বজাত অনুষ্ঠিত হ'বলগীয়া মহাসন্মিলন পৰিচালনাৰ বাবে নাগাৰা নামৰ প্ৰবীণ শিল্পী জিলাখনৰ পশ্চিম প্ৰান্তৰ ভেৰুৱাৰ নৰেশ্বৰ কলিতা, বাহমোল্লাৰ বসন্ত চহৰীয়া, ছিপাঝাৰৰ হৰেন ডেকা, ছপাইৰ হেমকান্ত ডেকা আৰু কুৰুৱাৰ ধৰ্মকান্ত ডেকাক লৈ এখন আহ্বায়ক সমিতি গঠন কৰা হৈছে। সমাজকৰ্মী কুলদ্বীপ বৰুৱাই বন্তি প্ৰজ্বলন আৰু মঙলদৈ এছআৰডি গ্ৰুপৰ সঞ্চালক অনুপম ডেকাই উদ্বোধন কৰিবলগীয়া নাগাৰা নামৰ মহাসন্মিলনত লোককৃষ্টিৰ গৱেষক তৰুণ আজাদ ডেকা, চলচ্চিত্ৰ প্ৰযোজক হবিবুৰ ৰহমান আৰু নাগাৰা নামৰ বিশিষ্ট শিল্পী বলোৰাম বৈশ্য অতিথি হিচাপে উপস্থিত থাকিব। লোকশিল্পীৰ বাবে গুৰুত্বপূৰ্ণ এই দৰঙী নাগাৰা নামৰ মহাসন্মিলনত অবিভক্ত জিলাখনৰ প্ৰতিটো নাগাৰা নামৰ পাঠকক এগৰাকী সহযোগী শিল্পীৰ স'তে উপস্থিত থাকিবলৈ দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ সভাপতি কুলেন্দ্ৰ নাথ ডেকা আৰু সাধাৰণ সম্পাদক নৱ কুমাৰ শইকীয়াই আহ্বান জনাইছে।

## ইতিহাস সমাজ সংস্কাৰৰ জৰিয়তে বৰ্তমানৰ পথ প্ৰদৰ্শক



অগ্ৰদূত বাৰ্তা

■ ককলাবাৰী ছোৱালী হাইস্কুলত 'জ্ঞান' উন্মোচন

**জালাহ, ২৮ মাৰ্চ ঃ** বাগ্‌সা জিলাৰ ককলাবাৰী ছোৱালী হাইস্কুলত বিদ্যালয়খনৰ জন্মলগ্নৰে পৰা বৰ্তমানলৈ ইতিহাস সম্বলিত এখন আলোচনী যোৱা ২৭ মাৰ্চৰ বিদ্যালয়খনৰ সভাগৃহত আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। বিদ্যালয় প্ৰধানৰ কৰ্তব্য সফলতাৰে সম্পাদন কৰি অহা ৩১ মাৰ্চত অৱসৰ গ্ৰহণ কৰিব লগা কৃতী প্ৰধান শিক্ষক বিনোদ কুমাৰ ব্ৰহ্মৰ উদ্যোগত প্ৰকাশিত বিদ্যালয়ৰ ইতিহাস সমৃদ্ধ 'জ্ঞান' নামৰ আলোচনীখন প্ৰাক্তন প্ৰধান শিক্ষক সৰ্বেশ্বৰ ডেকাই উন্মোচন কৰে। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি প্ৰেমানন্দ ডেকাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত উন্মোচনী ভাষণত সৰ্বেশ্বৰ ডেকাই বিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ কালৰে পৰা সাম্প্ৰতিক কাললৈ ইতিহাসৰ চমু ব্যাখ্যা আগবঢ়ায়। উক্ত সভাত সাহিত্য অকাডেমীৰ অনুবাদ বঁটা প্ৰাপক গোবিন্দ ব্ৰহ্ম প্ৰমুখ্যে বক্তাই এই সন্দৰ্ভত ভাষণ আগবঢ়ায়। প্ৰধান শিক্ষকৰ ঐকান্তিক প্ৰচেষ্টা আৰু শৈক্ষিক উন্নয়নৰ পৰিকল্পনাত সহকাৰী শিক্ষকৰ সহযোগিতাই বিদ্যালয় এখনৰ শৈক্ষিক মান উন্নত কৰে বুলি মন্তব্য কৰি প্ৰধান শিক্ষকৰ স'তে সহযোগ কৰি শিক্ষাদানত ব্ৰতী হ'বলৈ হৰিহৰ দাসে শিক্ষক সমাজলৈ আহ্বান জনায়। প্ৰধান শিক্ষক বিনোদ কুমাৰ ব্ৰহ্মই তেওঁৰ কাৰ্যকালত আন্তঃগাঁথনিত আৰু শৈক্ষিক উন্নয়নৰ ব্যাখ্যা আগবঢ়াই বিদ্যালয়ৰ ইতিহাস সম্বলিত আলোচনী প্ৰকাশ সন্দৰ্ভত কয় যে ইতিহাস সমাজ সংস্কাৰৰ জৰিয়তে বৰ্তমানৰ পথ প্ৰদৰ্শক। নৱ প্ৰজন্মৰ বাবে ইতিহাস সংস্কাৰ আৰু অনুপ্ৰেৰণাৰ উৎস। তেওঁ কয় যে উপযুক্ত লিখনিৰ অভাৱতে হওক বা অধ্যয়নৰ অভাৱতে হওক; অতীতৰ কথালৈ গুৰুত্ব নিদিয়াৰ ফলতে সমাজত বিশৃংখল সৃষ্টি হোৱা দেখা যায়। প্ৰাক্তন প্ৰধান শিক্ষক বাণীকান্ত বড়ো, প্ৰাক্তন শিক্ষক অনিল ঠাকুৰীয়া, দিবাকৰ বড়ো, সৰ্বেশ্বৰ দাস, চক্ৰপাণি বড়ো প্ৰমুখ্যে কে'বাগৰাকী প্ৰাক্তন শিক্ষকৰ লগতে কৰ্মৰত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰীসকলৰ লগতে বিদ্যালয়খনৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সদস্য-সদস্যাসকল সভাত উপস্থিত থাকে।

## হাতেলিখা আলোচনী উন্মোচন

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ২৮ মাৰ্চ ঃ** গোলাঘাট উত্তৰ প্ৰাথমিক শিক্ষা খণ্ড (দেৰগাঁও)ৰ অন্তৰ্গত বৰটিকা আৰু ৰাঙলীটিং মণ্ডল সমল কেন্দ্ৰৰ বিদ্যালয়সমূহৰ পৰিচালনা সমিতিৰ প্ৰশিক্ষণৰ যোৱা ২৭ মাৰ্চত অন্তিম দিনা পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলৰ মনৰ অনুভৱখিনি একগোট কৰি এখন হাতে লিখা আলোচনী উন্মোচন কৰা হয়।'অনুভৱ' শীৰ্ষক আলোচনীখন মিছামৰাৰ দুলিয়া গাঁও উচ্চ বুনিয়াদী বিদ্যালয়ৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি জয়ন্ত মাধৱ বৰাই উন্মোচন কৰাৰ বিষয়ে উক্ত মণ্ডল সমল কেন্দ্ৰ দুটাৰ সমন্বয়ক মৌচম কৌশিকে জানিবলৈ দিছে।

## সকলোকে সূৰ্যমুখী হোৱাৰ আহ্বান মুখ্যমন্ত্ৰীৰ ঃ আঙুৰলতা

■ বাগ্‌সাৰ জালাহত বিজেপিৰ মহিলা মৰ্চাৰ সভা

অগ্ৰদূত বাৰ্তা

**জালাহ, ২৮ মাৰ্চ ঃ** বাগ্‌সা জিলাৰ জালাহত বিজেপিৰ ককলাবাৰী মণ্ডল কাৰ্যালয়ত কালি বিজেপিৰ বাগ্‌সা জিলা মহিলা মৰ্চাৰ এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হৈ যায়।বাগ্‌সা জিলা মহিলা মৰ্চাৰ সভানেত্ৰী সৰলা নাথৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিজেপিৰ ৰাজ্যিক মহিলা মৰ্চাৰ সভানেত্ৰী আঙুৰলতা ডেকাই মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি কয়, 'মুখ্যমন্ত্ৰীয়ে সকলোকে এক মুখী অৰ্থাৎ সূৰ্যমুখী হোৱাৰ বাবে আহ্বান জনাইছে যাতে



আমাৰ চাৰিওফালৰ পৰা সাৰ্বজনীন বিকাশ হয়। সেয়ে মুখ্যমন্ত্ৰীৰ আহ্বানত ভাৰতীয় জনতা পাৰ্টি আৰু মিত্ৰ জোঁটৰ প্ৰাৰ্থী দুয়োগৰাকীয়ে জয়লাভ কৰি ওলাই আহিব। সকলোৱে বিকাশৰ স্বাৰ্থত আমাৰ প্ৰাৰ্থীকে জয় কৰোৱাব। এইবোৰ অসমৰ বৃহত্তৰ স্বাৰ্থত নিশ্চিতভাৱে সকলোৱে একগোট হৈ থাকিব। উক্ত সভাত ৰাজ্যিক মহিলা মৰ্চাৰ সম্পাদিকা আশা বৰদলৈ, মহিলা মৰ্চাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্যা দীপালী বৰ্মন, ভাৰতীয় জনতা পাৰ্টিৰ বাগ্‌সা জিলা সমিতিৰ সভাপতি শৰৎ শৰ্মাই অংশগ্ৰহণ কৰে।

## চৰকাৰে ক্ষুধাক লৈ ৰাজনীতি কৰা উচিত নহয়

■ টিহুৰ ৰণাকুছিত প্ৰয়াত সাংবাদিক-বাঁওপন্থী নেতা দীন কলিতাক স্মৰণ



অগ্ৰদূত বাৰ্তা

**টিহু, ২৮ মাৰ্চ ঃ** টিহুৰ ৰণাকুছিত যোৱা ২৭ মাৰ্চত প্ৰয়াত সাংবাদিক তথা বাঁওপন্থী নেতা প্ৰয়াত দীন কলিতাৰ ৩৯ সংখ্যক মৃত্যুবাৰ্ষিকী চিপিআইএমৰ টিহু আঞ্চলিক সমিতিৰ উদ্যোগত পালন কৰা হয়। এই উপলক্ষে ৰণাকুছি প্ৰাথমিক বিদ্যালয় প্ৰাংগণত অৱসৰী অভিযন্তা কুলেশ চন্দ্ৰ শৰ্মাৰ সঞ্চালনাত 'কৃষি-কৃষকৰ সংকট আৰু আমাৰ কৰ্তব্য' শীৰ্ষক আলোচনাচক্ৰ এখন অনুষ্ঠিত কৰা হয়। চিপিআইএমৰ টিহু আঞ্চলিক সমিতিৰ সম্পাদক কৰুণা কলিতাই আঁত ধৰা আৰু বিষয়বস্তু উত্থাপন কৰা আলোচনাচক্ৰখনত আলোচক হিচাপে অংশগ্ৰহণ কৰি কৃষি বিজ্ঞানী ড° মৃণাল বৰ্মনে কয় যে চৰকাৰে ক্ষুধাক লৈ ৰাজনীতি কৰা উচিত নহয়। কৃষকৰ সমস্যাক চৰকাৰে অধিক গুৰুত্ব দিয়া উচিত বুলি মন্তব্য কৰে। আন এগৰাকী আলোচক চিপিআইএমৰ নলবাৰী জিলা সমিতিৰ সম্পাদক উমেশ দত্তই কাশ্মীৰ ফাইল সন্দৰ্ভত চৰকাৰৰ ভূমিকাক সমালোচনা কৰে আৰু চৰকাৰে কৃষকক দিয়া কোনো প্ৰতিশ্ৰুতি পালন কৰা নাই বুলি অভিযোগ উত্থাপন কৰে। উক্ত অনুষ্ঠানত অংশগ্ৰহণ কৰি ঢকুৱাখনা মহাবিদ্যালয়ৰ অৱসৰী উপাধ্যক্ষ দশৰথ পাঠকে প্ৰয়াত দীন কলিতাৰ কালোত্তীৰ্ণ কৰ্ম আৰু আদৰ্শ সম্পৰ্কে আলোকপাত কৰে। আলোচনাচক্ৰৰ পূৰ্বে দলীয় পতাকা উত্তোলন কৰে চিপিআই(এম)ৰ জ্যেষ্ঠ সদস্য খগেন কলিতাই আৰু ৰণাকুছিস্থ স্থায়ী স্মৃতিবেদীত মাল্যাৰ্পণ কৰে প্ৰয়াত কলিতাৰ সহধৰ্মিণী অৱসৰী শিক্ষয়িত্ৰী লিলি কলিতাই।

## শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ সমিতিৰ সোণালী জয়ন্তী

অগ্ৰদূত বাৰ্তা

**আজাৰা, ২৮ মাৰ্চ ঃ** গুৱাহাটীৰ বৰঝাৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ দাঁতিতে থকা শ্ৰীমন্তশংকৰদেৱৰ কৃষ্টি বিকাশ সমিতিৰ সোণালী জয়ন্তী অনুষ্ঠানৰ স'তে সংগতি ৰাখি কালি সমিতিৰ সভা ভৱনত এক অন্তৰংগ আলাপ অনুষ্ঠানৰ আয়োজন কৰা হয়। সমিতিৰ উপদেষ্টা ড° নলীন কুমাৰ মহনৰ সঞ্চালনাত তথা সভাপতি ধীৰেন্দ্ৰনাথ চৌধুৰীৰ সহযোগত অনুষ্ঠিত অন্তৰংগ আলাপ অনুষ্ঠানৰ আৰম্ভণিতে সম্পাদক মহীধৰ কলিতাই উল্লেখ কৰি কয় যে শ্ৰীমন্ত শংকৰদেৱৰ কৃষ্টি বিকাশ সমিতিয়ে ৫০ বছৰত ভৰি দিয়াত স্মৃতি সজীৱ কৰি ৰাখিবলৈ সোণালী জয়ন্তী উৎসৱৰ আয়োজন কৰা হৈছে আৰু বিগত ১৫ জানুৱাৰীত সোণালী জয়ন্তী উৎসৱৰ আৰম্ভ কৰি বছৰজোৰা কাৰ্যসূচী হাতত লোৱা হৈছে। অন্তৰংগ আলাপ অনুষ্ঠানত অংশগ্ৰহণ কৰি ড° হংসধৰ চৌধুৰী, হৰগোবিন্দ পাঠক, জ্যোতিষ চন্দ্ৰ মালাকাৰ, নৃপেন ৰাজবংশী আদি কৰি কে'বাগৰাকী জ্যেষ্ঠ সদস্যই অতীতৰ স্মৃতি ৰোমন্থন কৰি অনুষ্ঠানটোৰ লগত জড়িত হৈ শান্তি তথা আপ্লুত হোৱাৰ কথা ব্যক্ত কৰে।

## সুতাৰগাঁৱত হাতীৰ আক্ৰমণত আহত

অগ্ৰদূত বাৰ্তা

**পুৰুণিগুদাম, ২৮ মাৰ্চ ঃ** নগাঁও জিলাৰ খাটোৱাল আৰক্ষী থানাৰ অন্তৰ্গত সুতাৰ ডেকাচুক গাঁৱত পোহনীয়া হাতীৰ আক্ৰমণত এটি কেঁচুৱাসহ আন এজন লোক গুৰুতৰভাৱে আহত হয়। কালি পুৱা ১০-৩০ বজাত সুতাৰ ডেকাচুক গাঁৱত দুজন মাউতে এটা পোৱালি হাতীসহ এজনী মাখুন্দী হাতীক ফুৰাবলৈ আনিছিল। হাতী অহাৰ উমান পাই ফজৰ আলী নামৰ লোকজনে নিজৰ দুমহীয়া কেঁচুৱাটিক লৈ ঘৰৰ সন্মুখৰ পথৰ দাঁতিত ৰৈ আছিল। সেই সময়তে মাখুন্দী হাতীজনীয়ে আক্ৰমণ কৰাত কেঁচুৱাসহ ফজৰ আলী গুৰুতৰভাৱে আহত হয়। গুৰুতৰভাৱে আহত ফজৰক স্থানীয় লোকে চিকিৎসাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰে। আনহাতে, ঘটনা সংঘটিত কৰি মাউতদ্বয় ঘটনাস্থলীৰ পৰা পলায়ন কৰে। ইপিনে, উক্ত ঘটনাটো সন্দৰ্ভত খাটোৱাল আৰক্ষী থানাত ফজৰৰ পৰিয়ালৰ লোকে এজাহাৰ দাখিল কৰে।

## চিনামৰা মহাবিদ্যালয়ত শিক্ষাবিদ প্ৰফুল্ল ৰাজগুৰু সোঁৱৰণী কোঠাৰ নিৰ্মাণ আৰম্ভ



অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ২৮ মাৰ্চ ঃ** যোৰহাট জিলাৰ অগ্ৰণী শিক্ষানুষ্ঠান চিনামৰা মহাবিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত বিশিষ্ট শিক্ষাবিদ, সাংবাদিক, দেৱীচৰণ বৰুৱা ছোৱালী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, 'আমাৰ অসম' কাকতৰ যোৰহাট সংস্কৰণৰ প্ৰাক্তন আৱাসিক সম্পাদক, দৈনিক জনমভূমি কাকতৰ এসময়ৰ সাংবাদিক প্ৰফুল্ল ৰাজগুৰুৰ স্মৃতিত মহাবিদ্যালয়ত এটা কোঠা নিৰ্মাণৰ কামৰ কালি আৰম্ভ কৰা হয়। সেই উপলক্ষে তেওঁৰ তৃতীয় মৃত্যু দিৱসৰ দিনা মহাবিদ্যালয়খনৰ প্ৰাংগণত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° অঞ্জন শইকীয়াই আঁত ধৰা অনুষ্ঠানটোত বন্তি প্ৰজ্বলন কৰি গৃহ নিৰ্মাণকাৰ্যৰ মুকলি কৰা হয়। প্ৰয়াত প্ৰফুল্ল ৰাজগুৰুৰ সহধৰ্মিণী, বিশিষ্ট শিক্ষাবিদ কবিতা ৰাজগুৰু, বিশিষ্ট সমাজকৰ্মী গিৰীশ বৰদলৈ, চিনামৰা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ, শিক্ষাবিদ আনন্দ শইকীয়া, মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী নিপুল শইকীয়া, সাংস্কৃতিক কৰ্মী বিকাশজ্যোতি মহন্ত, শিক্ষয়িত্ৰী ৰুবী বৰা বৰদলৈ আদিয়ে বন্তি প্ৰজ্বলন অনুষ্ঠানটোত অংশগ্ৰহণ কৰে। উল্লেখ্য যে ৰাজগুৰুৰ সহধৰ্মিণী, অৱসৰপ্ৰাপ্ত অধ্যাপিকা কবিতা ৰাজগুৰুৱে চিনামৰা মহাবিদ্যালয়ৰ মহিলা কোষলৈ এক লাখ টকা আগবঢ়ায়। ৰাজগুৰুৰ পৰিয়াল আৰু শুভাকাংক্ষীৰ সহযোগত এই নতুন গৃহটোৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিব। মহাবিদ্যালয় মহিলা কোষৰ সদস্যা তথা অধ্যাপিকা ড° বৰ্ণালী বৰঠাকুৰে শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানটোত অতিথিসকলৰ উপৰি চিনামৰা মহাবিদ্যালয়ৰ মহিলা কোষৰ সদস্যাসকলৰ লগতে শিক্ষক গোট, কৰ্মচাৰী গোট, ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকি প্ৰয়াত প্ৰফুল্ল ৰাজগুৰুৰ তৃতীয় মৃত্যু দিৱসত তেওঁৰ স্মৃতিচাৰণ কৰা হয়।

## ৰঙিয়াৰ নামদলক খোল-তাল বিতৰণ

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া ২৮ মাৰ্চ ঃ** ৰঙিয়া সমষ্টিৰ বিধায়ক তথা অসম ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই কালি বৈদ্যগড় গাঁও পঞ্চায়তৰ সাতটা মহিলা নামদলক একোযোৰাকৈ নাগৰা আৰু দুটা এক নাম কীৰ্তন কৰা পুৰুষ দলক খোল বিতৰণ কৰে। তেওঁ কালি ৰঙিয়া বিধানসভা সমষ্টিৰ বৈদ্যগড় গাঁও পঞ্চায়তৰ অন্তৰ্গত তুলসীবাৰীৰ পালবস্তিৰ শ্ৰীশ্ৰীকালী মন্দিৰ প্ৰাংগণত স্থানীয় ৰাইজৰ স'তে মত বিনিময় কৰি ৰাইজৰ সমস্যাৰ বুজ লয়। উক্ত অনুষ্ঠানৰ স'তে সংগতি ৰাখি বিধায়ক কলিতাই স্থানীয় ৰাইজৰ লগত কেন্দ্ৰীয় আৰু ৰাজ্য



চৰকাৰৰ বিভিন্ন জনকল্যাণমূলক আঁচনি সন্দৰ্ভত আলোচনা কৰাৰ লগতে আঁচনিপ্ৰাপ্ত হিতাধিকাৰীসকলৰ স'তে অন্তৰংগ আলাপ কৰে। আগন্তুক দিনবোৰত যিসকল দুখীয়া লোকে চৰকাৰী আঁচনিসমূহৰ পৰা বঞ্চিত হৈছে তথা আঁচনি লাভ কৰিব পৰা নাই সেইসকলক যথা সময়ত পোৱাৰ ব্যৱস্থা কৰা হব বুলি তেওঁ আশ্বাস দিয়ে। বিধায়ক কলিতাই স্থানীয় ৰাইজে চৰকাৰৰ উন্নয়নমূলক কামত সহায়-সহযোগিতা আগবঢ়োৱাৰ আশা প্ৰকাশ কৰে।






## কবি-ছাত্ৰ নেতা বিকাশ মিলিৰ বিয়োগ

*১২ পৃষ্ঠাৰ পৰা* ওতঃপ্ৰোতভাৱে জড়িত হৈ সাহিত্য ক্ষেত্ৰখন আগবঢ়াই নিছিল। তদুপৰি, বিকাশ মিচিং জনগোষ্ঠীৰ ধৰ্মীয় আৰু সাংস্কৃতিক দিশটোৰ লগতো এৰাব নোৱাৰাকৈ জড়িত আছিল। পাছলৈ দৰিদ্ৰতাই কোঙা কৰা বিকাশে দিন হাজিৰা কৰি পেট প্ৰৱৰ্তাইছিল যদিও কাব্য চৰ্চা অব্যাহত ৰাখিছিল। শেহতীয়াকৈ তেওঁৰ কে'বাটাও কবিতা অসমৰ কে'বাখনো কাকত-আলোচনীত প্ৰকাশ পাইছিল। মৃত্যুৰ সময়ত পত্নীসহ পাঁচজনকৈ টিএমপিকে, এম এমকে, টি এম এম কে, মিচিং আগম কেবাং, দিৰবৃ কেবাং, আঞ্চলিক ছাত্ৰ সন্থা, অগপৰ দিখৌমুখ আঞ্চলিক সমিতি, মণ্ডল কংগ্ৰেছকে ধৰি বহু দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

## স্বচ্ছ ভাৰত মিছন জল জীৱন মিছনৰ

*১২ পৃষ্ঠাৰ পৰা* বিষয়াসকলে প্ৰশিক্ষণ প্ৰদান কৰি আছে। ইটিচিৰ অধ্যক্ষ লালৰেম চিয়ামি গামলায়ে সদৰী কৰা অনুসৰি ইটিচি চৌহদৰ উপৰি গোৱালপাৰা জিলাৰ বালিজানাৰ ডিপিআৰচি কেন্দ্ৰ, মৰিগাঁও জিলাৰ জিলা পৰিষদৰ সভাগৃহত প্ৰশিক্ষণ অনুষ্ঠিত কৰি অহা হৈছে। ইয়াৰ উপৰি মৰিগাঁও জিলাৰ প্ৰশিক্ষণ কাৰ্যসূচীত উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়া, অতিৰিক্ত উপায়ুক্ত অৰুন্ধতী নৰহ মিপুন, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ক্ষীতিশ চন্দ্ৰ পেগু আৰু লাহৰীঘাট ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মানসজ্যোতি বৰা, গোৱালপাৰা জিলাৰ প্ৰশিক্ষণ কাৰ্যসূচীত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া নৰেন দাসেও প্ৰশিক্ষাৰ্থীসকলৰ স'তে মত বিনিময় কৰে।

## চাবুৱাত দোকান আবন্টনত বিসংগতি

*১২ পৃষ্ঠাৰ পৰা* আকাৰতকৈ সৰু ঠেক জোখৰ দোকান লাভ কৰাৰো অভিযোগ উত্থাপিত হৈছে। আনহাতে, এই সন্দৰ্ভত ২০১৭ত জিলা আদালতত বঞ্চিত ২৭ গৰাকী দোকানীয়ে আবেদন জনাইছিল আৰু দোকানীসকলৰ ক্ষেত্ৰত পৌৰসভাই অগ্ৰাধিকাৰ ভিত্তিত বিবেচনা কৰিবলৈ আদালতে জনোৱা দিশটোৰ সন্দৰ্ভতো চাবুৱা পৌৰসভা নীৰৱ হৈ থকা বুলি অভিযোগ উত্থাপন কৰিছে ব্যৱসায়ী বাবুল তিৱাৰীয়ে। তদুপৰি, পূৰ্বৰ এখলপীয়া বজাৰ গৃহত থকা দোকানীসকলে তিনিমহলীয়া বজাৰ গৃহটোৰ ওপৰৰ কোনো দোকান গ্ৰহণ কৰিবলৈ প্ৰস্তুত নহয় বুলিও জনাইছে। এনে আহুকলীয়া পৰিস্থিতিত চাবুৱা পৌৰসভাৰ অধীনৰ নৱনিৰ্মিত বজাৰ গৃহটোত বঞ্চিত দোকানীসকলে কিদৰে ন্যায় সংগতভাৱে ব্যৱসায়িক প্ৰতিষ্ঠানৰ ঠাই লাভ কৰিব সেয়া এতিয়া অনিশ্চয়তাই দেখা দিছে।

## ইছলামৰ মূল তত্ত্ব নামাজ বা জেহাদ

*১২ পৃষ্ঠাৰ পৰা* কাছিমীয়ে এইদৰে কয়। শিৱসাগৰৰ ভাৰপ্ৰাপ্ত সদৰকাজী মৌলানা আতিকুৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত সভাত নাজিৰাৰ সমাজকৰ্মী ধীৰেন ফুকনে কে'বাটাও জিকিৰ গীতৰ উদ্ধৃতিৰে অসমৰ বিশেষকৈ উজনি অসমৰ হিন্দু-মুছলমানৰ শতাব্দী প্ৰাচীন সম্প্ৰীতি স্বতঃস্ফূৰ্ত আৰু মজ্জাগত বুলি মন্তব্য কৰে। দুয়োটা সম্প্ৰদায়ৰ পুৰাতন সম্প্ৰীতিৰ সন্দৰ্ভত বিভিন্ন বাতৰি কাকতত প্ৰকাশিত সংবাদ পাঠ কৰি ফুকনে লগতে কয় যে সকলো ধৰ্মৰ নিৰ্যাস হ'ল মানৱতা আৰু মানৱতাবাদ বৰ্জিত কোনো বস্তুৱেই মানুহৰ হৃদয়ত স্থান ল'ব নোৱাৰে। জলচা কমিটীৰ মুখ্য পৰিচালক হজত মহবুব আলীয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত মৌলানা ফাইজুল হকে নাটে ৰছুল আৰু মৌলানা কাৰী ইদ্ৰিছ ইৰফানী চাহাবে কোৰানৰ আয়াত আবৃত্তি কৰে। সভাৰ অন্তত মৌলানা নুৰুল আমিন কাছিমী চাহাবে বিশ্ব শান্তিৰ বাবে দোৱা কৰে। দুদিনীয়া কাৰ্যসূচীত ধৰ্মালোচনাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ইছলামিক প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে এই বৰ্ষৰ হজলৈ যাব লগা স্থানীয় হজযাত্ৰীসকলক সম্বৰ্ধনা জনোৱা হয়।

## বিহু অসমীয়াৰ প্ৰাণ ঃ ৰূপক শৰ্মা

*১২ পৃষ্ঠাৰ পৰা* পৰিবেশৰ সৃষ্টি কৰিছে। কৰ্মশালাৰ আয়োজক সমিতিৰ সভাপতি অমিয় কুমাৰ ডেকা, মুখ্য উপদেষ্টা হৰিচৰণ ডেকা, কাৰ্যকৰী সভাপতি তথা কাছমাৰী গাঁও পঞ্চায়তৰ সভাপতি পংকজ বৰা, জিলা পৰিষদৰ সদস্যা কাঞ্চন পাটৰ বৰদলৈ, আঞ্চলিক পঞ্চায়তৰ সদস্যা দিপাঞ্জলী কোঁৱৰ, অঞ্চলৰ বিশিষ্ট ব্যক্তি তিলক ডেকা, চহিদুল ইছলাম, মৃদুল ইছলাম, মুজ্জামিল হক, কণ্ঠি ৰাজা, চন্দ্ৰমোহন ডেকা, বৰুণ বৰদলৈ আদি জ্যেষ্ঠসকল, উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদক ৰাজেশ কোঁৱৰ, সম্পাদক বসন্ত দুৱৰা, সাংস্কৃতিক সম্পাদকদ্বয় পংকজ বৰদলৈ, পৰাগ কুমাৰ বৰদলৈ, প্ৰচাৰ সম্পাদক পৰেশ কোঁৱৰ, প্ৰাঞ্জল শইকীয়া, বিষয়ববীয়া সমীৰ বৰদলৈ, বসন্ত বৰদলৈ, মনোৰঞ্জন ডেকা, ৰাজু নাথ, কল্যাণ বৰা আদি এইসকলৰ ঐকান্তিক প্ৰচেষ্টাত বৃহৎ এখন বিহু কৰ্মশালা নিতৌ নিয়াৰিকৈ চলি আছে। বিহু সাধক বীৰেন ডেকা,বৰ বিহুৱতী জাগৃতি কলিতা, বৰ ঢুলীয়া যুৱত ডেকাই প্ৰশিক্ষণ আগবঢ়াই গুৰুদায়িত্ব পালন কৰিছে। উল্লেখ্য যে বিহু কৰ্মশালাখন অহা ৩০ মাৰ্চত সামৰণি পৰিব বুলি উদ্যোক্তাসকলে জনাইছে।

## কাঠৰ দলঙৰ বাবেই যাতায়াত ব্যাহত

*১২ পৃষ্ঠাৰ পৰা* পৰা বৃহৎ সংখ্যক স্কুল- কলেজীয়া ছাত্ৰ-ছাত্ৰীয়ে সুতাৰপাৰা হাইমাদ্ৰাছা আৰু ফকৰউদ্দিন আলী আহমেদ কনিষ্ঠ মহাবিদ্যালয়লৈ অহা যোৱা কৰিব লাগে। কেৱল ছাত্ৰ- ছাত্ৰীয়েই নহয় কঠালবাৰীৰ সৰ্বসাধাৰণ ৰাইজে ক্ৰয় বিক্ৰয়ৰ নামত সদায় জৰাজীৰ্ণ কাঠৰ দলংখনৰ ওপৰেৰে সুতাৰপাৰা দৈনিক আৰু সপ্তাহিক বজাৰলৈ বিপদসংকুল অৱস্থাত যাতায়াত কৰিবলগীয়া হৈছে। এই সন্দৰ্ভত বগুৱান-কঠালবাৰী গাঁও পঞ্চায়তৰ সভাপতি জাকিৰ হুছেইনে কয় যে পথছোৱাৰ দুৰৱস্থাৰ বাবেই বৃহত্তৰ অঞ্চলবাসী ৰাইজে বিভিন্ন সমস্যাৰ সন্মুখীন হৈ আহিছে। পথছোৱাত থকা একমাত্ৰ কাঠৰ দলংখনৰ বিধ্বস্ত ৰূপৰ বাবেই বহিঃ জগতৰ লগত একপ্ৰকাৰ যোগাযোগ বিচ্ছিন্ন হৈ পৰিছে। কাঠৰ দলংখন মেৰামতিৰ নামত মাজে সময়ে বিভাগীয় কৰ্তৃপক্ষই পুঁজিৰ আবন্টন দি আহিছে। কিন্তু একাংশ বিভাগীয় বিষয়া-কৰ্মচাৰী আৰু ঠিকাদাৰৰ দুৰ্নীতিৰ বাবেই ৰাইজে আশানুৰূপ সুফল পোৱা নাই। বৃহত্তৰ স্বাৰ্থৰ খাতিৰতে অতি শীঘ্ৰেই পথছোৱা পকীকৰণ কৰাৰ লগতে কাঠৰ দলংখন আৰচিচিকৈ নিৰ্মাণ কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনাইছে পঞ্চায়ত সভাপতিজনে। ইপিনে সুতাৰপাৰাৰ সচেতন যুৱক মনোৱাৰ হুছেইনে কয় যে দুটাকৈ সমষ্টিৰ সংযোগস্থল হোৱা বাবেই দলংখনৰ লগতে পথছোৱাৰ উন্নয়ন হোৱা নাই। প্ৰতিবাৰে নিৰ্বাচনৰ সময়ত কাঠৰ দলংখন আৰচিচিকৈ নিৰ্মাণৰ লগতে পথছোৱাৰ পকীকৰণ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে প্ৰাৰ্থীসকলে। কিন্তু নিৰ্বাচনত জয়ী হোৱাৰ পাছতে পাহৰি যোৱাটো এক পৰম্পৰাত পৰিণত হৈছে। সেয়ে বৃহত্তৰ স্বাৰ্থৰ খাতিৰতে মাহী আইৰ দৃষ্টিৰে চোৱাৰ বিপৰীতে অন্যান্য অঞ্চলৰ স'তে ফেৰ মাৰি চলিব পৰাকৈ সুদৃষ্টি দিবলৈ চৰকাৰক দাবী জনাইছে হুছেইনে।

## টংলাত ওদালগুৰি জিলা বিহু সুৰক্ষা

*১২ পৃষ্ঠাৰ পৰা* কথাৰ প্ৰতি গুৰুত্ব দিব লাগে সেই বিষয়ে আলোকপাত কৰাৰ লগতে বিচাৰকসকলে সততে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ বিষয়েও আলোচনা কৰা হয়। জিলা সমিতিৰ উপদেষ্টা বিশিষ্ট বিচাৰক মনোৰঞ্জন শৰ্মাই সঞ্চালন কৰা সভাত উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক অপূৰ্ব ডেকাই। সমল ব্যক্তিৰূপে বক্তব্য ৰাখে কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক মিঠু বড়ো আৰু জিলাৰ উপদেষ্টা দুলাল কুমাৰ বৰুৱাই। বিচাৰকসকলৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ দিয়াৰ লগতে মতামত প্ৰদান কৰে জিলাৰ উপদেষ্টা ৰঞ্জিত দাস আৰু জিলাৰ সভাপতি নৰজিৎ দাসে। সভাত বিহু সুৰক্ষা সমিতিৰ নিয়মাৱলী অনুসৰি বিহু নাচৰ প্ৰধান ভংগিমাসমূহ প্ৰদৰ্শন কৰে জিলাৰ সাংস্কৃতিক সম্পাদক প্ৰাঞ্জল ডেকা আৰু প্ৰশিক্ষণপ্ৰাপ্ত বিহুৱতী দিশামণি বৰ্মনে। শলাগৰ শৰাই আগবঢ়াই জিলাৰ সহকাৰী সম্পাদক দেৱজিৎ ৰাভাই। সভাত সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি জয়ন্ত কুমাৰ ভট্টাচাৰ্যও উপস্থিত থাকে।

## জিলা উপায়ুক্তৰ এজাৰগুৰিত

*১২ পৃষ্ঠাৰ পৰা* কৰি নদন-বদন হোৱা প্ৰচুৰ সম্ভাৱনাময় অঞ্চলটোৰ সীমান্ত গগৈ, অনুজ বৰুৱা, গোপাল বৰাকে আদি কৰি প্ৰায় ২৮জন যুৱকে আজি চাৰি-পাঁচ বছৰে জলকীয়া খেতি কৰি স্বাৱলম্বী হৈ এক নিদৰ্শন দাঙি ধৰিছে। পৰিদৰ্শকৰ দলটোৱে কৃষকসকলৰ কৃষিভূমি পৰিদৰ্শন কৰি কৃষি ক্ষেত্ৰত থকা সমস্যা সন্দৰ্ভত বুজ লয়। কৃষকসকলৰ সকলো সমস্যা অৱগত কৰে পৰিদৰ্শকৰ দলটোক। ইতিমধ্যে জিলা উপায়ুক্তই অতি সোনকালে এনে শিক্ষিত কৃষকসকলৰ সমস্যাবোৰৰ সমাধানৰ নিৰ্দেশ দিয়ে বিভাগীয় কৰ্তৃপক্ষক। ইফালে, কৃষি বিভাগৰ স্বীকৃতিপ্ৰাপ্ত সংগঠন এছ'চিয়েটেড টি এণ্ড এগ্ৰ' মেনেজমেণ্ট ছাৰ্ভিচেছ প্ৰাইভেট লিমিটেডৰ উদ্যোগত তথা জাঁজী এগ্ৰ' প্ৰডিউচাৰ কোম্পানীৰ সহযোগত এজাৰগুৰি গড়মূৰ মধ্য ইংৰাজী বিদ্যালয়ত আজি এটি কৃষি প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। টীয়কৰ কৃষি সম্প্ৰসাৰণ বিষয়া ৰিচবি হাজৰিকা, সহকাৰী কৃষি পৰিদৰ্শক নগেন কলিতা প্ৰমুখ্যে কে'বাজনো কৃষি বিভাগৰ বিষয়াই কৃষকক মাটিৰ গুণাগুণ পৰীক্ষা, ক'ত কেতিয়া কৰিব লাগে এনে পৰীক্ষাৰ ফলত কৃষকসকল কিদৰে লাভান্বিত হ'ব তাৰ ওপৰত আলোকপাত কৰে। এটিএএমএছৰ প্ৰকল্প পৰিচালক যুৱৰাজ বৰুৱাই আঁত ধৰা প্ৰশিক্ষণত বিদ্যালয়ৰ প্ৰধান শিক্ষক দিপাংকৰ হাজৰিকা, জাঁজীৰ এগ্ৰ' প্ৰডিউচাৰ কোম্পানীৰ পৰিচালক শান্তনু শৰ্মাকে ধৰি কৃষি বিভাগৰ কে'বাজনো বিষয়ববীয়া উপস্থিত থাকে। উল্লেখ্য যে কৃষি প্ৰধান অঞ্চলটোৰ উন্নয়নৰ স্বাৰ্থত অনুষ্ঠিত প্ৰশিক্ষণ শিবিৰটোত কাৱৈমাৰী, এজাৰগুৰিকে ধৰি কে'বাটাও কৃষিপ্ৰধান অঞ্চলৰ প্ৰায় তিনি শতাধিক কৃষকে অংশগ্ৰহণ কৰে। এনে ধৰণৰ প্ৰশিক্ষণে অনাগত দিনত কৃষকসকলক উপকৃত কৰিব বুলি আশা প্ৰকাশ কৰিছে প্ৰশিক্ষকসকলে।

## দৰঙৰ বৰঙাবাৰী উচ্চ মাধ্যমিক

*১২ পৃষ্ঠাৰ পৰা* বৃক্ষৰোপণ আদি কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। বিয়লি মঙলদৈৰ সাংবাদিক গণেশ দত্তই উদ্বোধন কৰিবলগীয়া ন-পুৰণি সতীৰ্থ সন্মিলন আৰু অন্তৰংগ আলাপ অনুষ্ঠান সঞ্চালনা কৰিব দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক সংৰাম ডেকাই। এই আলাপত প্ৰাক্তন ছাত্ৰ বুলবুল হুছেইন, সাহিত্যিক কমলাকান্ত ডেকা, ঔতলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ হৰেশ্বৰ বৰা অতিথিৰূপে উপস্থিত থাকিব। সন্ধিয়া শোভন চন্দ্ৰ বৰুৱা সোঁৱৰণী সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব অভিনেতা পুলিন নাথে। সেইদৰে দুই এপ্ৰিলত পৰিৱেশ নিকাকৰণ, বন্তি প্ৰজ্বলনৰ অন্তত কাৰ্যকৰী সভাপতি অৱনী কুমাৰ বড়াৰ সঞ্চালনাত হ'বলগীয়া সম্বৰ্ধনা অনুষ্ঠান উদ্বোধন কৰিব বাৰ্তাজীৱী সংঘ, অসমৰ সম্পাদক মুকুটৰাজ শৰ্মাই। এই অনুষ্ঠানত দৰং জিলা সাহিত্য সভাৰ সম্পাদক গৌতমানন্দ গোস্বামী, জনস্বাস্থ্য কাৰিকৰী বিভাগ মঙলদৈ সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা সঞ্জীৱ কুমাৰ শৰ্মা আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকিব। বিয়লি প্ৰধান শিক্ষক আনোৱাৰ হুছেইনৰ সঞ্চালনাত হ'বলগীয়া 'বৰ্তমান শিক্ষা ব্যৱস্থা, বিদ্যালয় তথা অভিভাৱকৰ দায়িত্ব' শীৰ্ষক আলোচনাচক্ৰ উদ্বোধন কৰিব শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° বিজয় কুমাৰ শৰ্মাই। আলোচনা চক্ৰত বিদ্যা ভাৰতী মহাবিদ্যালয়ৰ অধ্যাপক ড° দুলাল হাজৰিকা, ৰাষ্ট্ৰীয় বঁটাপ্ৰাপ্ত শিক্ষক শশাংক হাজৰিকা, খাৰুপেটীয়া মহাবিদ্যালয়ৰ অধ্যাপক জ্যোতিষ চন্দ্ৰ চহৰীয়া, ওদালগুৰিৰ শিশু সুৰক্ষা বিষয়া গৌতম চহৰীয়া, অৱসৰপ্ৰাপ্ত শিক্ষক মহেন্দ্ৰ ডেকা, প্ৰাক্তন ছাত্ৰী মিনু বড়া, সাহিত্যসেৱী ছহিৰ ভূঞা আলোচক হিচাপে উপস্থিত থাকিব। সন্ধিয়া প্ৰাক্তন প্ৰধান শিক্ষক অৰ্জুন ৰায় বৰা সোঁৱৰণী সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব শিল্পী প্ৰেমানন্দ বৰুৱাই। তিনি এপ্ৰিলত পৰিৱেশ নিকাকৰণ, বন্তি প্ৰজ্বলনৰ পাছতে সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব অভিনেত্ৰী আশা বৰদলৈয়ে। দিনৰ এক বজাত সভাপতি গুৰুজ্যোতি দাসৰ সভাপতিত্বত হ'বলগীয়া মুকলি সভা উদ্বোধন কৰিব প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক ভূমিধৰ চলিহাই। সভাত শিক্ষামন্ত্ৰী ৰণোজ পেগু, জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা, অসম চৰকাৰৰ শিক্ষা উপদেষ্টা ড° ননীগোপাল মহন্ত, বিধায়কদ্বয় বসন্ত দাস, ড° পৰমানন্দ ৰাজবংশী, শিক্ষাবিদ ড° নগেন্দ্ৰনাথ শৰ্মা, কৰুণাধাৰাৰ সাধাৰণ সম্পাদক ডাঃ নৰেশ্বৰ শৰ্মা, উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মা, অতিৰিক্ত সহকাৰী আয়ুক্ত মণিকা বৰগোহাঞি অতিথিৰূপে উপস্থিত থাকিব। সন্ধিয়া হ'বলগীয়া বিদ্যালয়ৰ ভূমিদাতা সৰুৰাম বৰা সোঁৱৰণী সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব বিশিষ্ট সাংস্কৃতিক কৰ্মী তৰুণ আজাদ ডেকাই।

## কেন্দুকোনাত মৃত্যু বাৰ্ষিকী উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**কমলপুৰ, ২৮ মাৰ্চ ঃ** কামৰূপ জিলাৰ কমলপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত কেন্দুকোনাত অসম শিক্ষক-কৰ্মচাৰী ঐক্যমঞ্চৰ প্ৰাক্তন সাধাৰণ সম্পাদক দিগন্ত কুমাৰ শৰ্মাৰ পঞ্চম মৃত্যু বাৰ্ষিকী উদ্‌যাপন কৰা হয়। স্থানীয় জৱাহৰলাল নেহেৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত অনুষ্ঠানটিত উপস্থিত থাকে অসম শিক্ষক-কৰ্মচাৰীৰ ঐক্যমঞ্চৰ সম্পাদক ভুৱনেশ্বৰ লহকৰ, প্ৰাক্তন সম্পাদক আলিমুদ্দিন আহমেদ। কামৰূপ জিলা সমিতিৰ সভাপতি উমেশ কলিতাই আঁত ধৰা অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰে জ্যেষ্ঠ শিক্ষক হেমেন কলিতাই। প্ৰয়াত শৰ্মাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে মানবেন্দ্ৰ শৰ্মা মহাবিদ্যালয়ৰ প্ৰবক্তা মৃদুলজিৎ পাটোৱাৰীয়ে।

# নগাঁৱৰ ঐতিহ্যমণ্ডিত বুঢ়াগোহাঁই থানত চুৰি

## চোৰে লুটি নিলে সোণ-ৰূপৰ বহু অলংকাৰ-সামগ্ৰী

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৮ মাৰ্চ ঃ** নগাঁও সদৰ আৰক্ষী থানাৰ অন্তৰ্গত হাতীগড়ৰ ইতিহাসপ্ৰসিদ্ধ বুঢ়াগোহাঁই থানত যোৱা নিশা এক চুৰিকাণ্ড সংঘটিত হয়। নিশা ইতিহাসপ্ৰসিদ্ধ থানখনত চোৰে লুটপাট চলাই লুটি লৈ যায় প্ৰায় আঢ়ৈ ভৰি সোণেৰে নিৰ্মিত এটা মুকুট, ৩২ ভৰি ৰূপ, তিনি ভৰি ৰূপেৰে নিৰ্মিত এডাল সাপ, আঠখন পিতলৰ থাল, তামৰ ঘটিকে ধৰি বিভিন্ন সা-সামগ্ৰীৰ লগতে বুজন পৰিমাণৰ নগদ ধন। বুঢ়াগোহাঁই থানৰ প্ৰৱেশদ্বাৰৰ তলা ভাঙি নিশা চোৰৰ দলে প্ৰৱেশ কৰি এই চুৰিকাৰ্য সংঘটিত কৰে। পুৱা ধৰ্মীয় অনুষ্ঠানটোৰ পূজাৰীয়ে থানখনলৈ অহাৰ পাছতহে চুৰিৰ ঘটনাটো পোহৰলৈ আহে। থান পৰিচালনা সমিতিৰ মতে, চুৰি হোৱা সামগ্ৰীখিনিৰ মূল্য প্ৰায় চাৰি লক্ষাধিক টকা। মূল মন্দিৰৰ দুৱাৰৰ তলা কাটি চোৰৰ দলে প্ৰৱেশ কৰিছিল। থান পৰিচালনা সমিতিয়ে এই বিষয়ে আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত নৈশ আৰক্ষী চকীৰ আৰক্ষীৰ এটা দল উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। লক্ষ্যণীয়ভাৱে নগাঁও জিলাৰ বিভিন্ন প্ৰান্তত চোৰে ধৰ্মীয় অনুষ্ঠানত লুটপাত চলাই আছে যদিও নগাঁও আৰক্ষীয়ে চুৰি হোৱা সামগ্ৰী উদ্ধাৰ কৰাটো দূৰৰে কথা, চোৰক কৰায়ত্তও কৰিবলৈ সক্ষম হোৱা নাই।

উল্লেখ্য যে যোৱা ২৮ ফেব্ৰুৱাৰীৰ নিশাও নগাঁও জিলাৰ জাজৰী আৰক্ষী থানাৰ অন্তৰ্গত বৃহত্তৰ ৰাইদঙীয়া অঞ্চলত চোৰৰ দলে অঞ্চলটোৰ সোণাইচুক বৰনামঘৰ, নাহৰকটীয়া বৰনামঘৰ আৰু কহুৱাতলী বৰনামঘৰত প্ৰৱেশ কৰি লুটপাত চলাইছিল। চোৰৰ দলে ৰাজহুৱা নামঘৰ কেইটাৰ পৰা কাঁহ-পিতলৰ পুৰণি বাচন-বৰ্তন, শৰাই, বৰতাল আদি চুৰি কৰি নিছিল। আনকি চোৰৰ দলে বৰনামঘৰ কেইটাৰ দানপাত্ৰৰ তলা ভাঙি তাত জমা থকা অৰিহণাৰ ধনো লুট কৰি নিছিল। ইপিনে, সেই নিশাই বৃহত্তৰ ৰাইদঙীয়া অঞ্চলত চোৰে আন ছঘৰ লোকৰ ব্যক্তিগত গোসাঁই ঘৰতো লুটপাত কৰি তাল, শৰাই, বাচন-বৰ্তন আৰু নগদ ধন লুটি লৈ গৈছিল।

## ২৫ মাহে দৰমহাৰ পৰা বঞ্চিত মৰিগাঁৱৰ পৌৰ কৰ্মচাৰী

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ২৮ মাৰ্চ ঃ** ৰাজ্যত পৰিৱৰ্তনকামী বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰৰ কাৰ্যকালত মৰিগাঁৱত অস্থায়ী পৌৰ কৰ্মচাৰীয়ে ২৫ মাহে দৰমহা নোপোৱাত দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ দুজনকৈ পৌৰ কৰ্মচাৰীয়ে বিনা চিকিৎসাৰে জীৱন মৰণ সমস্যাক লৈ ছটফটাই থকা কৰুণ কাহিনীয়ে মৰিগাঁৱৰ বিভিন্ন মহলত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আজি মৰিগাঁও পৌৰসভাৰ কাৰ্যালয়ত মৰিগাঁৱৰ স্বেচ্ছাসেৱী সংগঠন 'সহায়'ৰ সভাপতি তথা মৰিগাঁও পৌৰসভাৰ কৰ্মচাৰী ৰাজু মহন্তৰ নেতৃত্বত পৌৰসভাৰ কাৰ্যালয়ত পৌৰ কৰ্মচাৰীসকলৰ ন্যায্য প্ৰাপ্তিৰ দাবীত এক সংবাদমেল সম্বোধন কৰি মৰিগাঁও পৌৰসভাত কৰ্মৰত অস্থায়ী পৌৰ কৰ্মচাৰীসকলে ২৫ মাহ ধৰি দৰমহাৰ পৰা বঞ্চিত হৈ থকা বুলি সংবাদমেলতেই উচুপি এক আৱেগিক হৈ পৰে কৰ্মচাৰীসকলে। আৰ্থিক অনাটনত জৰ্জৰিত পৌৰ কৰ্মচাৰীসকলে কয় যে তেওঁলোকৰ এতিয়া ঘৰত চৰম আৰ্থিক দুৰৱস্থা। পৌৰসভাৰ প্ৰায় সংখ্যক কৰ্মচাৰীয়েই অতি দুখ-কষ্টৰ মাজেৰে জীৱন নিৰ্বাহ কৰি থকা বুলি সংবাদমেলত উত্থাপন কৰাৰ লগতে চৰকাৰে যদিহে অতি সোনকালে তেওঁলোকৰ প্ৰাপ্য ধন মোকলাই নিদিয়ে তেনেহ'লে চৰমপন্থা হাতত ল'বলৈ কুণ্ঠাবোধ নকৰিব বুলি সংবাদমেলত সকীয়াই দিয়ে পৌৰ কৰ্মচাৰী ৰাজু মহন্তই। উল্লেখ্য যে মৰিগাঁও পৌৰসভাৰ দুই কৰ্মচাৰী জিতু কলিতা আৰু বাবুল নাথ সম্প্ৰতি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ চিকিৎসালয়ত ভৰ্তি হৈ থকা বেদনাদায়ক ঘটনাই পৌৰসভাৰ ভিতৰে-বাহিৰে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

## সদ্যপ্ৰয়াত উত্তৰা ৰাম দাসৰ স্মৃতিত গ্ৰন্থ উন্মোচন



**সৰভোগ, ২৮ মাৰ্চ ঃ** উত্তৰ বৰনগৰ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক সদ্যপ্ৰয়াত উত্তৰা ৰাম দাসৰ নটা কবিতা, এটা চুটি গল্প আৰু এটা নিৱন্ধৰ লগতে তেওঁৰ গুণমুগ্ধ কেইজনমানে লিখা স্মৃতিচাৰণ লেখাৰে সমৃদ্ধ স্মৃতিগ্ৰন্থখন আজি তেওঁৰ বাসগৃহত উন্মোচন কৰা হয়। অক্ষেন্দ্ৰ কুমাৰ সিংহই সম্পাদনা কৰা গ্ৰন্থখন উন্মোচন কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বৰনগৰ আঞ্চলিক শাখাৰ প্ৰতিষ্ঠাপক সভাপতি ভগবান চন্দ্ৰ উজীৰে। উক্ত সভাত সভাপতিত্ব কৰে স্বাধীন চক্ৰৱৰ্তীয়ে।

## পথ দুৰ্ঘটনাত উন্নয়ন খণ্ডৰ কৰ্মচাৰী সৌৰভজ্যোতি শৰ্মাৰ অকাল বিয়োগ

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ২৮ মাৰ্চ ঃ** নগাঁও জিলাৰ জাজৰি--ধিং সংযোগী গড়কাপ্তানী পথৰ বতাবাৰীত কালি সন্ধিয়া সংঘটিত এক পথ দুৰ্ঘটনাত দলংঘাট উন্নয়ন খণ্ডৰ কম্পিউটাৰ সহায়ক সৌৰভজ্যোতি শৰ্মা (৪০)ই অকাল মৃত্যুক সাবটি লয়। তথ্য মতে ধিঙৰ শহুৰেকৰ ঘৰৰ পৰা মাজগাঁৱৰ নিজৰ বাসগৃহলৈ স্কুটীৰে আহি থকা অৱস্থাত এটা কেঁকুৰিত তেওঁ দুৰ্ঘটনাত পতিত হয়। বহু সময় ধৰি মুমূৰ্ষ অৱস্থাত দুৰ্ঘটনাস্থলীতে পৰি থকা যুৱকজনক পাছত উদ্ধাৰ কৰি ধিং এফআৰইউত ভৰ্তি কৰা হয় যদিও তাতে তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। অতি নম্ৰ আৰু অমায়িক স্বভাৱৰ সৰলমনা শৰ্মাৰ অকাল বিয়োগত মাজগাঁৱকে ধৰি বৃহত্তৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। আজি দুপৰীয়া নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ পৰা তেওঁৰ নশ্বৰদেহ পোনে পোনে কৰ্মস্থলী দলংঘাট উন্নয়ন খণ্ডৰ কাৰ্যালয়লৈ নিয়া হয় আৰু তাতে খণ্ড উন্নয়ন বিষয়া সমীপ ডেকা, জ্যেষ্ঠ অভিযন্তা হৰমোহন হালৈ, গাণনিক গোপী শইকীয়াকে ধৰি সহকৰ্মীসকলে অশ্ৰুসিক্ত নয়নেৰে তেওঁক বিদায় জনায়। তাৰ পৰা শৰ্মাৰ নশ্বৰদেহ গৃহলৈ অনাৰ পাছত পত্নী, পিতৃহাৰা হোৱা পাঁচ বছৰীয়া কন্যাৰ লগতে বৰপুত্ৰক হেৰুৱাই নিথৰুৱা হোৱা পিতৃ-মাতৃৰ হিয়াভঙা কান্দোনে এক অবৰ্ণনীয় শোকাকুল পৰিৱেশৰ সৃষ্টি কৰে। সৌসিদিনা মাজ জাজৰি দৌল উৎসৱত কৃষ্ণ গোসাঁইক কান্ধত লৈ গোসাঁই ফুৰোৱা উৎসৱত অংশ লোৱা, অঞ্চলৰ দুৰ্গাপূজাকে ধৰি সকলো অনুষ্ঠানৰ আগৰণুৱা যুৱকজন অকালতে হেৰাই যোৱাত সমগ্ৰ অঞ্চলবাসী শোকত ভাগি পৰে। চাকৰি নিয়মীয়াকৰণ হোৱাৰ আশা বুকুত লৈয়ে হেৰাই যোৱা গ্ৰামোন্নয়ন বিভাগৰ কম্পিউটাৰ সহায়ক শৰ্মাৰ বিয়োগত সদৌ অসম এমজি এনৰেগা কৰ্মচাৰী উন্নয়ন পৰিষদে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালৰ প্ৰতি গভীৰ সমবেদনা জ্ঞাপন কৰিছে। চকলাঘাট শাখা সাহিত্য সভা, জাজৰি শতদল শাখা সাহিত্য সভা, হাতীচোং পটুৱৈ চ'ৰা, মাজ জাজৰিৰ বিভিন্ন অনুষ্ঠানে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

## হোজাইত পথ দুৰ্ঘটনাত এজন নিহত

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ২৮ মাৰ্চ ঃ** যোৱা নিশা হোজাইৰ উদয়পুৰত হোৱা এক পথ দুৰ্ঘটনাত এজন লোক নিহত হোৱাৰ লগতে দুজন লোক আহত হয়। নিশা প্ৰায় আঠ বজাত এখন দ্ৰুতবেগী মটৰ চাইকেলে মহটিয়াই নিয়ে এজন চাইকেল আৰোহীক। তীব্ৰবেগী ০২ ৬৯১৫ ছুপাৰ স্পেপ্লেণ্ডাৰ মটৰ চাইকেলখনে হোজাইৰ গোচৰা বস্তিৰ শৰৎ সিংহ নামৰ প্ৰায় ৫০ বছৰীয়া চাইকেল আৰোহীজনক মহটিয়াই নিয়াত থিতাতে নিহত হোৱাৰ লগতে মটৰচাইকেল আৰোহী দুজন আহত হয় । ইফালে, আহত মটৰ চাইকেল আৰোহী শানু সাহা আৰু গোবিন্দ সাহা চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে।

## কানাডাৰ চিনেমা মহোৎসৱত কৌতুক অভিনেতা অতুল পাচনীৰ শ্ৰেষ্ঠ অভিনেতাৰ বঁটা লাভ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২৮ মাৰ্চ ঃ** কানাডাত অনুষ্ঠিত চিনেমা মহোৎসৱত অসমৰ জনপ্ৰিয় কৌতুক অভিনেতা অতুল পাচনীয়ে শ্ৰেষ্ঠ অভিনেতাৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। চুটী ছবি শিতানত 'মোৰ ঘোঁৰাৰ দুৰন্ত গতি'ত কৰা অভিনয়ৰ বাবে তেওঁ শ্ৰেষ্ঠ অভিনেতাৰ লগতে ছবিখনেও শ্ৰেষ্ঠ ছবিৰ বঁটা লাভ কৰিছে। উল্লেখ্য যে কলকাতাৰ সত্যজিৎ ৰায়ৰ ফিল্ম ষ্ট'ৰৰ মহৰ্ষিৰ নিৰ্মিত ছবিখনত অভিনেতা পাচনীয়ে এটা লীড চৰিত্ৰত অভিনয় কৰিছে। যোৱা নিশা বিশ্বনাথ চাৰিআলিত বৰ্ণম নাট মহোৎসৱত উপস্থিত থকা অভিনেতা পাচনীয়ে এই কথা সদৰী কৰে।

## বালিজানাৰ দেউলীত চোৰাং বালিভৰ্তি ট্ৰাক জব্দ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২৮ মাৰ্চ ঃ** গোৱালপাৰা আঞ্চলিক বন বিভাগে যোৱা নিশা ৯-৩০ বজাত বালিজানাৰ দেউলীৰ পৰা এখন চোৰাং বালিভৰ্তি ট্ৰাক জব্দ কৰে। এএছ ০১ টি ৬৮২৯ নম্বৰৰ ট্ৰাকখনে চালানবিহীনভাৱে বালিসৰবৰাহ কৰাৰ সময়তে বন কৰ্মীয়ে জব্দ কৰি গোৱালপাৰা বন সংমণ্ডল প্ৰাধিকাৰী বিষয়াৰ কাৰ্যালয়লৈ আনে।

## বিটিচি-কেএচিৰ মুছলমানক ৰাজনৈতিক অধিকাৰৰ পৰা বঞ্চিত কৰাৰ ব্লুপ্ৰিণ্ট

### সংখ্যালঘু প্ৰগতিশীল মঞ্চৰ ক্ষোভ

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ২৮ মাৰ্চ ঃ** বড়োলেণ্ড স্বায়ত্তশাসিত পৰিষদ আৰু কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ সংখ্যালঘু মুছলমানসকলক কুটিল চক্ৰান্ত আৰু কৌশলীভাৱে সাংবিধানিক তথা ৰাজনৈতিক অধিকাৰৰ পৰা বঞ্চিত কৰি ৰাখিছে বুলি অভিযোগ কৰিছে সংখ্যালঘু প্ৰগতিশীল মঞ্চ অসমে। আজি কোকৰাঝাৰত অনুষ্ঠিত মঞ্চৰ প্ৰথমখন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাত মঞ্চৰ অধ্যক্ষ আব্দুৰ ৰেজ্জাকৰ সভাপতিত্বত অনুষ্ঠিত দুয়োখন স্বায়ত্তশাসিত পৰিষদে মুছলমান জনসংখ্যা অধিক হোৱাৰ পাছতো এগৰাকীও প্ৰতিনিধি নথকা বিষয়টোত গভীৰ উদ্বেগ প্ৰকাশ কৰে। একেদৰে মঞ্চৰ সাধাৰণ সম্পাদকদ্বয় ছামচুল হক মণ্ডল আৰু মৃদুল হকেও কে এ চিত ২০ জনকৈ সদস্য কোচ ৰাজবংশীৰ বাবে সংৰক্ষিত থকাৰ বিপৰীতে পাঁচগৰাকী মহিলাৰ আৰু কেৱল মাত্ৰ এগৰাকী সদস্যহে সংৰক্ষণৰ বাহিৰত ৰখাত ক্ষোভ প্ৰকাশ কৰে। আনহাতে, চাৰিগৰাকী সদস্যক ৰাজ্যপালে মনোনীত কৰিব যদিও তাত মুছলমান সম্প্ৰদায়ৰ লোকক অন্তৰ্ভুক্ত কৰিব নে নাই সেয়া উল্লেখ নাই বুলি সদৰী কৰে। তদুপৰি ৪৬ খন আসন বিশিষ্ট বিটিচিত মুছলমান শূন্য হোৱা বিষয়টোত উদ্বেগ প্ৰকাশ কৰি অচিৰে মঞ্চই ৰাজ্যপাল, মুখ্যমন্ত্ৰী আৰু দুয়োখন স্বায়ত্তশাসিত পৰিষদৰ মুৰব্বীক সাক্ষাৎ কৰি স্মাৰকপত্ৰ প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰে।

## হাজোৰ বৰম্বৈ পাহাৰত ভয়াবহ অগ্নিকাণ্ড ঃ দুস্কৃতিকাৰীয়ে অগ্নিসংযোগৰ সন্দেহ

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২৮ মাৰ্চ ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত বৰম্বৈ পাহাৰত আজি দিনৰ প্ৰায় ১১ বজাতে সংঘটিত হয় ভয়াবহ অগ্নিকাণ্ড। এই অগ্নিকাণ্ডৰ লেলিহান শিখাই নিমিষতে পাহাৰখনৰ চৌপাশে বিয়পি পৰে আৰু জুইৰ লেলিহান শিখাই পাহাৰৰ বুকুত থকা গছ-গছনি এফালৰ পৰা ভস্মীভূত কৰে। অগ্নিকাণ্ডৰ ফলশ্ৰুতিত পাহাৰৰ দাঁতিকাষৰীয়া বসতিপ্ৰধান জনসাধাৰণ স্তম্ভিত হৈ পৰাৰ লগতে পাহাৰৰ শিখৰত থকা আশ্ৰম, বৰম্বৈ পাহাৰৰ দাঁতিত অৱস্থিত বৰম্বৈ দুৰ্গা পূজা মন্দিৰলৈও ভাবুকি কঢ়িয়াই আনে। তেনেসময়তে হাজো অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী ঘটনাস্থলীত উপস্থিত হৈ পাহাৰৰ নামনিত অগ্নিকাণ্ড নিৰ্বাপণ কৰিবলৈ চেষ্টা কৰে যদিও বিফল হয়। ক্ৰমশঃ জুইৰ লেলিহান শিখাই সমগ্ৰ পাহাৰ বেৰি ধৰে। যাৰ ফলত পাহাৰৰ বুকুত থকা সৰু-বৰ গছ-গছনি ভস্মীভূত হয়। অৱশেষত বিয়লিৰ ভাগত আগমন হোৱা বৰষুণ এজাকতহে অগ্নিকাণ্ড নিৰ্বাপিত হয়। স্থানীয় ৰাইজে এই অগ্নিকাণ্ড কোনো দুস্কৃতিকাৰীয়ে সংঘটিত কৰাৰ সন্দেহ প্ৰকাশ কৰে। এনে ঘটনাত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এচাম প্ৰকৃতিপ্ৰেমী জনসাধাৰণে দুস্কৃতিকাৰীক চিনাক্ত কৰি উচিত শাস্তি বিহিবলৈ দাবী উত্থাপন কৰিছে। উল্লেখ্য যে প্ৰতি বছৰে কোনো দুস্কৃতিকাৰীয়ে এনেদৰে পাহাৰৰ বুকুত অগ্নি সংযোগ কৰি অবাধ হাৰত বন ধ্বংস কৰি আহিছে।

## ধোবাতাৰীৰ পুৰৱী নগৰত মাটিৰ পট্টা লাভৰ পৰা বঞ্চিত জালুকবাৰীৰ ভোটাৰ

**অগ্ৰদূত বাৰ্তা**

**বাইহাটা চাৰিআলি, ২৮ মাৰ্চঃ** কামৰূপ জিলাৰ উত্তৰ গুৱাহাটী ৰাজহ চক্ৰৰ অধীনৰ চাংসাৰীৰৰ চিলা কাটামুৰ সংলগ্ন পাহাৰখনৰ পুৰবী নগৰ অঞ্চলত বিগত তিনি-চাৰিটা দশক ধৰি বসবাস কৰি অহা একাংশ স্থানীয় লোকক মাটিৰ পট্টা প্ৰদানৰ ক্ষেত্ৰত চৰম বৈষম্য-অনিয়ম তথা স্বজনপ্ৰীতি হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে ভূমিহীন একাংশ লোকে ৪০ বছৰ পূৰ্বৰে পৰা পাহাৰখনৰ চিলা কাটামুৰ অঞ্চলত বসবাস কৰি আহিছে। জালুকবাৰী বিধানসভা সমষ্টিৰ ভোটাৰ উক্ত পৰিয়ালবোৰক নিৰ্ধাৰিত পৰিমাণৰ মাটিৰ পট্টা প্ৰদানৰ বাবে বিজেপি চৰকাৰৰ প্ৰথমটো কাৰ্যকালৰ সময়তে সিদ্ধান্ত লোৱা হৈছিল। উক্ত সিদ্ধান্তৰ ভিত্তিতে পূৰ্বৰ বিত্ত-স্বাস্থ্যমন্ত্ৰী তথা জালুকবাৰী সমষ্টিৰ বিধায়ক তথা বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এক নিৰ্দেশনা জাৰি কৰিছিল। সেইমতে পাহাৰখনত বসবাস কৰি অহা লোকসকলে সংশ্লিষ্ট গাঁওবুঢ়াৰ যোগেদি যাৱতীয় নথিপত্ৰসহ উত্তৰ গুৱাহাটী ৰাজহ চক্ৰত মাটিৰ পট্টাৰ বাবে আবেদন কৰে। উক্ত আবেদনৰ ভিত্তিতে পাহাৰখনত বসবাস কৰা বহুসংখ্যক পৰিয়ালে মাটিৰ পট্টা লাভ কৰিবলৈ সক্ষম হয়। কিন্তু আশ্চৰ্যজনকভাৱে একাংশ মধ্যভোগী লোক তথা একাংশ লাটমণ্ডল তথা দালালেৰে মিলি কৰা ষড়যন্ত্ৰৰ ফলত পাহাৰখনত বসবাস কৰি অহা বহু ভূমিহীন পৰিয়ালে মাটিৰ পট্টা লাভৰ পৰা বঞ্চিত হয়। অভিযোগ অনুসৰি পাহাৰখনৰ পশ্চিম দিশৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ পানীটেংকিৰ সমীপৰ দুকঠা মাটিত বিগত ৩০ বছৰ ধৰি বসবাস কৰি অহা দিলীপ ব্ৰহ্মাই সংশ্লিষ্ট ৰাজহ চক্ৰ কাৰ্যালয়ত সকলো নথিপত্ৰ দাখিল কৰাৰ পাছতো মাটিদৰাৰ পট্টাৰ পৰা বঞ্চিত হয়। উত্থাপিত অভিযোগ অনুসৰি মাটিৰ পট্টা প্ৰদানৰ নামত কোনো কোনোৱে উক্ত ভূমিহীন লোকজনৰ পৰা টকা সৰকোৱাৰ পাছতো লাভ কৰিবলৈ সক্ষম হোৱা নাই মাটিৰ পট্টা। একেদৰে একেখন পাহাৰৰে আন এটা প্ৰান্তৰ ৰবীন বড়ো, অঞ্জনা শৰণীয়া আদিকে ধৰি বহু দৰিদ্ৰ পৰিয়ালে এতিয়াও ভূমিপট্টা লাভ কৰিবলৈ সক্ষম হোৱা নাই। স্থানীয় ভূমিহীন বাসিন্দা জুৰি ডেকা, নিভৰছা আলী, মোহচেন আলী আদি দৰিদ্ৰ কৃষক তথা শ্ৰমজীৱি মহিলাসকল শিলভৰাল গাঁৱৰে বাসিন্দা। শিলভড়াল গাঁৱৰ উক্ত স্থানীয় বাসিন্দাসকলে গাঁওবুঢ়াৰ প্ৰমাণ পত্ৰ লৈ যাৱতীয় নথিপত্ৰ যথা সময়ত উত্তৰ গুৱাহাটী ৰাজহ চক্ৰত আবেদন কৰাৰ পাছতো এই পৰ্যন্ত মাটিৰ পট্টা পাবলৈ সক্ষম হোৱা নাই। উল্লেখ যে উক্ত মাটিৰ পট্টা প্ৰদানৰ নামত একাংশ দালালে ধনৰ লেনদেন কৰাৰো অভিযোগ উঠিছে। গুৰুত্বপূৰ্ণ কথাটো হ'ল তিনি-চাৰিটা দশক ধৰি পাহাৰখনত বসবাস কৰি অহা একাংশ ভূমিপুত্ৰ তথা খিলঞ্জীয়াক বঞ্চিত কৰি অহাৰ বিপৰীতে একেইখন পাহাৰতে আমেৰিকাত কৰ্মৰত চিকিৎসকৰ পৰা আৰম্ভ কৰি ৰাজ্যখনৰ শিল্পীৰ লগতে আঢ্যৱন্ত একাংশ লোকক মাটিৰ পট্টা দিয়া বিষয়টোৱে ৰাইজৰ চকু কপালত তুলিছে । উল্লেখ্য যে মাটিৰ পট্টাৰ পৰা বঞ্চিত লোকসকলে বিষয়টো তদন্ত কৰি উপযুক্ত লোকক মাটিৰ পট্টা দিবলৈ স্থানীয় বিধায়ক তথা মুখ্যমন্ত্ৰী ড° শৰ্মাক দাবী জনাইছে ।

## মাধপুৰৰ প্ৰিয়ংকা ফুকনলৈ

*১২ পৃষ্ঠাৰ পৰা* হিচাপেও নিযুক্তি লাভ কৰি পাঁচ বছৰ শিক্ষা ক্ষেত্ৰখনৰ অভিজ্ঞতা বুটলিছিল ফুকনে। বৰ্তমান মাধপুৰ চেন্ট্ৰেল ক্লাবৰ উপ-সভানেত্ৰী আৰু টিপমীয়া বৰপাচিৰ পিপি ক্ৰীড়া আৰু সাংস্কৃতিক কেন্দ্ৰৰ সভানেত্ৰীৰূপে সুচাৰুৰূপে দায়িত্ব পালন কৰি আছে। ইয়াৰ মাজতে বৃহত্তৰ বৰহোলা, তিতাবৰ, মাধপুৰ, ৰজাবাহৰ আদি অঞ্চলৰ বিভিন্ন সামাজিক কাৰ্যসূচী, অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে ফুকন। শেহতীয়াকৈ ফুকনে এই বঁটা লাভ কৰাত আগন্তুক দিনত তেওঁ আৰু অধিক উদ্যমেৰে কাম কৰি যাবলৈ প্ৰেৰণা পাব বুলি সচেতন মহলে ব্যক্ত কৰিছে।

## তেজপুৰত এছএছবিৰ দীক্ষান্ত সমাৰোহ ঃ মহিলা সৱলীকৰণত গুৰুত্ব

# চীনক প্ৰতিহত কৰিবলৈ এছ এছ বি সক্ষম



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৮ মার্চ ঃ** মহিলা সৱলীকৰণৰ ওপৰত সর্বাধিক গুৰুত্ব দিছে সশস্ত্ৰ সীমা বল চমুকৈ এছএছবিয়ে। তদুপৰি আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ সুৰক্ষাতো নিয়োজিত বাহিনীটোৱে যিকোনো পৰিস্থিতিৰ সফলতাৰে মুখামুখি হ'ব পৰাকৈ সক্ষম হৈ আছে। আজি তেজপুৰত এই মন্তব্য কৰে এছএছবিৰ মহানির্দেশক সঞ্জয় আৰোৰাই। উল্লেখ্য যে তেজপুৰ শালনিবাৰীস্থিত এছএছবিৰ প্ৰশিক্ষণ কেন্দ্ৰত আজি ২৫৮ সংখ্যক দীক্ষান্ত সমাৰোহ অনুষ্ঠিত হয়। পুৰা শালনিবাৰীৰ পেৰেড গ্ৰাউণ্ডত অনুষ্ঠিত অনুষ্ঠানত ভাৰতীয় আৰক্ষী সেৱাৰ জ্যেষ্ঠ বিষয়া তথা এছএছবিৰ সঞ্চালক প্ৰধান আৰোৰাই অংশগ্ৰহণ কৰি প্ৰশিক্ষণ সম্পূর্ণ কৰা পুৰুষ-মহিলা জোৱানসকলে প্ৰদৰ্শন কৰা কুচকাৱাজৰ অভিবাদন গ্ৰহণ কৰে। আনহাতে, প্ৰশিক্ষণ সম্পূর্ণ কৰি আজিৰ দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰা ৮৩৫গৰাকী জোৱানৰ ভিতৰত ৪৮৬গৰাকী মহিলা বুলি উল্লেখ কৰি মহিলা সৱলীকৰণৰ ওপৰত এছএছবিয়ে গুৰুত্ব আৰোপ কৰাৰ কথা দোহাৰে। পুৰুষৰ সমানে মহিলাসকলেও কঠোৰ প্ৰশিক্ষণ সফলতাৰে সমাপ্ত কৰাত সন্তোষ প্ৰকাশ কৰে বিষয়াজনে। সঞ্চালক প্ৰধানজনে সংবাদ মাধ্যমৰ আগত কয় যে ভাৰত-ভূটান আৰু ভাৰত-নেপাল বন্ধু ৰাষ্ট্ৰৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তত নিৰাপত্তাৰ দায়িত্ব পালন কৰাৰ লগতে দেশৰ আভ্যন্তৰীণ নিৰাপত্তাৰ কামতো সশস্ত্ৰ সীমা বল জড়িত থাকি আজি যিকোনো পৰিস্থিতিতে মোকাবিলা কৰিবলৈ সক্ষম। তদুপৰি চিৰবৈৰী ৰঙা চীনকো সময়ত প্ৰতিহত কৰিব পৰাকৈ এছএছবি সক্ষম বুলি তেওঁ দাবী কৰে। তেজপুৰ শালনিবাৰীৰ এছএছবি প্ৰশিক্ষণ কেন্দ্ৰৰ উপ-মহাপৰিদর্শক সুমিত যোশীৰ লগতে বহু বিশিষ্ট ব্যক্তিৰ উপস্থিতিত অনুষ্ঠিত ২৫৮ সংখ্যক দীক্ষান্ত সমাৰোহত ২০খন ৰাজ্যৰ ৩৪৯ জন পুৰুষ আৰু ৪৮৬গৰাকী মহিলাই অংশগ্ৰহণ কৰাৰ উপৰি ৪৪ সপ্তাহৰ কঠোৰ প্ৰশিক্ষণ সম্পূর্ণ কৰা জোৱানসকলৰ ভিতৰত ৭৫ গৰাকী স্নাতকোত্তৰ, পাঁচশগৰাকী স্নাতক আৰু ২০৮গৰাকী উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীর্ণ বুলিও প্ৰকাশ কৰা হয়। দীক্ষান্ত সমাৰোহৰ আনুষ্ঠানিক কুচকাৱাজৰ পাছতেই জোৱানসকলে শাৰীৰিক দক্ষতাৰ বিভিন্ন কৌশল তথা সামৰিক কৌশল প্ৰদৰ্শন কৰে। এছএছবিৰ তেজপুৰ ফ্ৰণ্টিয়াৰৰ মহাপৰিদর্শক প্ৰদীপ কুমাৰ গুপ্তায়ো অংশগ্ৰহণ কৰা দীক্ষান্ত সমাৰোহত মুখ্য অতিথি তথা সশস্ত্ৰ সীমা বলৰ সঞ্চালক প্ৰধানে প্ৰশিক্ষণৰ বিভিন্ন ক্ষেত্ৰত পাৰদর্শিতা প্ৰদৰ্শন কৰা জোৱানসকলক চলন্ত বঁটা প্ৰদান কৰে।

## জামুগুৰিহাটৰ বৰপুখুৰী পাৰৰ মুকলি বিহুৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ২৮ মার্চ ঃ** জামুগুৰিহাটৰ বৰপুখুৰী পাৰৰ মুকলি বিহু প্ৰতিযোগিতাখন অহা ১৯ এপ্ৰিলত অনুষ্ঠিত হ'ব। ইতিমধ্যে প্ৰতিযোগিতাখনৰ বাবে বিধায়ক পদ্ম হাজৰিকাক মুখ্য পৃষ্ঠপোষক হিচাপে লৈ এখন উদ্‌যাপন সমিতি গঠন কৰা হৈছে। উদ্‌যাপন সমিতিৰ সভাপতি মাধৱ ওজা, কার্যকৰী সভাপতি নিত্যানন্দ দাস আৰু যুটীয়া সম্পাদকদ্বয় ৰূপজ্যোতি দাস আৰু ৰাজেশ শর্মাই সদৰী কৰা মতে, মুকলি বিহু প্ৰতিযোগিতাখনত মুখ্য অতিথিৰূপে সাংস্কৃতিক কৰ্মী পবিত্ৰ মাৰ্ঘেৰিটা আৰু বিশিষ্ট অতিথিৰূপে সাংসদ পল্লৱলোচন দাস উপস্থিত থাকিব। উল্লেখ্য যে জামুগুৰিহাটৰ বৰপুখুৰী পাৰৰ মুকলি বিহুৱে এইবাৰ ৫৫ সংখ্যক বৰ্ষত পদাৰ্পণ কৰিলে।

# বৰপেটাৰ বাঘমাৰাচৰত বিবাহত অসন্মতি দি নির্যাতিত কিশোৰ


■ পিতৃ-মাতৃক প্ৰহাৰ কৰিলে কইনা পক্ষৰ লোকে ■ নগদ ধন লুট কৰি নিয়াৰ অভিযোগ



**আলোপতি, ২৮ মার্চ ঃ** কিশোৰ পুত্ৰই বিবাহত সন্মতি নিদিয়াৰ বাবেই তেওঁক পিতৃ-মাতৃক কইনা পক্ষৰ লোকে প্ৰহাৰ কৰা ঘটনা সংঘটিত হৈছে বৰপেটা জিলাত। জিলাখনৰ বাঘবৰৰ আলোপতি আৰক্ষী থানাৰ অন্তৰ্গত তিনি নম্বৰ বাঘমাৰাচৰ গাঁৱত সংঘটিত হৈছে এই ঘটনা। ঘটনা সন্দৰ্ভত ভুক্তভোগী পৰিয়ালটোৱে অভিযোগ কৰা মতে, গাঁওখনৰ বাক্কাৰ আলীৰ ১৬ বছৰীয়া কিশোৰ পুত্ৰৰ স'তে একেখন গাঁৱৰে এটা পৰিয়ালে তেওঁলোকৰ ১৬ বছৰীয়া কিশোৰী কন্যাৰ বলপূর্বক বিয়া ঠিক কৰে। অৱশ্যে এই বিয়াত সন্মতি প্ৰদান কৰা নাছিল কিশোৰজনৰ লগতে তেওঁৰ পিতৃ-মাতৃয়ে। ইয়াতে খৰ্গহস্ত হৈ কিশোৰীগৰাকীৰ পৰিয়ালৰ একাংশ লোকে যোৱা নিশা কিশোৰজনৰ পিতৃ আলী আৰু মাতৃ হামিদা খাতুনক গুৰুতৰভাৱে মাৰপিট কৰে। ভুক্তভোগীয়ে জনোৱা মতে, হানিফ আলীৰ নেতৃত্বত প্ৰায় ১০-১২ জনীয়া এটা দলে নিশা তেওঁলোকৰ ঘৰত প্ৰৱেশ কৰে। তাৰ পাছতে ঘৰৰ দুৱাৰ ভিতৰৰ পৰা বন্ধ কৰি তেওঁলোক মাৰপিট কৰাৰ উপৰি ঘৰৰ বয়-বস্তু লণ্ডভণ্ড কৰাৰো অভিযোগ উত্থাপন কৰিছে। ইয়াৰোপৰি অভিযুক্তসকলে আলীৰ ঘৰৰ পৰা বৃহৎ পৰিমাণৰ নগদ ধনো লুট কৰি নিয়াৰ অভিযোগ কৰিছে ভুক্তভোগীয়ে। ঘটনা সন্দৰ্ভত ইতিমধ্যে ভুক্তভোগীয়ে আলোপতি আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। এই ঘটনাই সমগ্ৰ অঞ্চলটোতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সমগ্ৰ বিষয়টো আৰক্ষী প্ৰশাসনে গুৰুত্বসহকাৰে লৈ দোষীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে ভুক্তভোগীৰ লগতে স্থানীয় সচেতন লোকে।


# নগৰবেৰাত প্ৰতিষ্ঠিত ব্যৱসায়ীৰ গৃহত অগ্নিকাণ্ড

### কোটি টকাৰ সা-সম্পত্তি জুইত জাহ গ'ল



**আলোপতি, ২৮ মার্চ ঃ** কামৰূপ জিলাৰ নগৰবেৰাত আজি পুৱা ভাগত সংঘটিত হয় এক ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা। নগৰবেৰাৰ প্ৰতিষ্ঠিত ব্যৱসায়ী দুলাল সাহাৰ ঘৰত সংঘটিত ভয়ংকৰ অগ্নিকাণ্ডত পুৱাই হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয় অঞ্চলটোত। এই ঘটনাত প্ৰায় এক কোটি টকাৰ সা-সম্পত্তি ভস্মীভূত হয়। ভয়ংকৰ জুয়ে তৎক্ষণাত ঘৰৰ লগতে আন আন আচবাব, দোকানৰ সামগ্ৰী, নগদ ধন, আ-অলংকাৰ আদি পুৰি ছাৰখাৰ কৰে। জুইৰ প্ৰকোপ ইমানেই প্ৰৱল আছিল যে সামান্য সময়ৰ ভিতৰতে অঞ্চলটো ক'লা ধোঁৱাই আবৰি ধৰি এক ভয়াৱহ ৰূপ ধাৰণ কৰে। স্থানীয় লোকে দীৰ্ঘ সময় ধৰি জুই নুমুৱাবলৈ চেষ্টা কৰে যদিও জুইয়ে ইতিমধ্যে সম্পূর্ণৰূপে গ্ৰাস কৰি পেলায় বাসগৃহটো। নগৰবেৰা বজাৰৰ প্ৰতিষ্ঠিত ব্যৱসায়ী সাহাৰ ঘৰত সংঘটিত এই ভয়ংকৰ অগ্নিকাণ্ডত পৰিয়ালটোৰ পাঁচ -ছটা কোঠালীযুক্ত বৃহৎ বাসগৃহৰ লগতে মূল্যবান আচবাব, বহু সংখ্যক নগদ ধন, অলংকাৰ, কাপোৰ আদি জাহ যায়। দুৰ্ভাগ্যজনকভাৱে পৰিয়ালটোৱে ঘৰৰ এপদ সামগ্ৰীও উলিয়াবলৈ সক্ষম নহ'ল। আনহাতে, ঘটনাস্থলীত বহু সময় পলমকৈ বকো অগ্নিনির্বাপক বাহিনীৰ দল উপস্থিত হৈ জুই নুমুৱাবলৈ সক্ষম হয়। বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ ফলত এই ঘটনা সংঘটিত হোৱাৰ সন্দেহ পৰিয়ালৰ লগতে স্থানীয় লোকৰ। উল্লেখ্য যে পূৰ্বেও অঞ্চলটোত একাধিকবাৰ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হৈছিল। ৰাইজে অঞ্চলটোত শীঘ্ৰে এখন অগ্নিনির্বাপক বাহিনীৰ গাড়ীৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে।

# শোণিতপুৰৰ চাৰিখন চাহ বাগিচাত কৰ্মচাৰীৰ অনশন



**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ২৮ মার্চ ঃ** ৰঙাপৰাৰ চাৰিখন চাহ বাগিচাত আজি কৰ্মচাৰীসকলে ৰূপায়ণ কৰে অনশন কার্যসূচী। ধূলাপাদুং চাহ বাগিচাত কৰ্মচাৰৰীসকলে প্ৰাপ্য মজুৰি আদায়ৰ দাবীত ধূলাপাদুং চাহ বাগিচাত কৰ্মৰত কৰ্মচাৰীসকলে নঘণ্টীয়া অনশন কার্যসূচী ৰূপায়ণ কৰে। এম্প্ৰেয়াৰ কোম্পানীৰ অধীনত থকা শোণিতপুৰ জিলাৰ ধূলাপাদুং, চেঁচা, ঘইৰালি, বৰজুলি চাহ বাগিচাত কৰ্মৰত কৰ্মচাৰীসকলে দৰমহা বিচাৰি প্ৰতিবাদী কার্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে কৰ্মচাৰীসকলে ফেব্ৰুৱাৰী আৰু মার্চৰ দৰমহা লাভ নকৰাত কৰ্মচাৰীসকলৰ অৱস্থা পানীত হাঁহ নচৰা হৈছে। প্ৰাপ্য দৰমহাৰ দাবীত অসম চাহ কৰ্মচাৰী সংঘৰ সদস্য-সদস্যাসকলে কাৰ্যালয়ৰ সন্মুখত অনশন কার্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে সমগ্ৰ ৰাজ্যখনত এম্প্ৰেয়াৰ কোম্পানীৰ ১৬খন চাহ বাগিচা আছে। ইফালে, কৰ্মচাৰীসকলৰ প্ৰাপ্য ফেব্ৰুৱাৰীৰ দৰমহা মালিক পক্ষই অহা ১৮ এপ্ৰিলত দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰাত জাঙুৰ খাই উঠিছে।

# বিধ্বংসী অগ্নিকাণ্ডত জাহ গ'ল তেজপুৰৰ কৃষ্ণা হুণ্ডাইৰ ডিলাৰ-শ্ব'ৰূম

■ ১৫খন বিলাসী বাহন, বিপুল পৰিমাণৰ নগদ ধন ভস্মীভূত



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৮ মার্চ ঃ** আজি পুৱতি নিশা প্ৰায় ২-১৫ বজাত তেজপুৰত এক বিধ্বংসী অগ্নিকাণ্ডত বিলাসী বাহনৰ এটা শ্ব'ৰূমসহ ১৫খন বাহন ভস্মীভূত হয়। তেজপুৰৰ মাজগাঁও গাঁও পঞ্চায়তৰ অন্তৰ্গত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথৰ কাষতে থকা কৃষ্ণা হুণ্ডাইৰ ডিলাৰ তথা শ্ব'ৰূমত অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱাত ১১খন ক্ৰেটা বাহনৰ লগতে আন চাৰিখন বাহন ভস্মীভূত হয়। অৱশ্যে অগ্নিকাণ্ডত আন দুখন বিলাসী বাহন জাঁহ যোৱাৰ পৰা কথমপি ৰক্ষা পৰে। উল্লেখ্য যে এক জনবসতিপূর্ণ অঞ্চলত থকা উক্ত শ্ব'ৰূমৰ জুই দাউ-দাউকৈ জ্বলি উঠাত পাছতে অঞ্চলটোত হুৱাদুৱা লাগে। নিশাই অগ্নিনির্বাপক বাহিনীৰ ছখন গাড়ীয়ে ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বাহিনীৰ সহযোগত এই জুই নির্বাপনৰ চেষ্টা চলাই চাৰি ঘণ্টাৰ মূৰত জুই নির্বাপন কৰিবলৈ সক্ষম হয়। অৱশ্যে ইয়াৰ ভিতৰত অগ্নিনির্বাপক বাহিনীৰ এখন গাড়ীয়ে পুৱা আঠ বজালৈকে এই বিধ্বংসী অগ্নি সম্পূর্ণৰূপে নির্বাপন কৰিবলৈ ব্যস্ত থাকিবলগীয়া হয়। উল্লেখ্য যে বাহনৰ লগতে শ্ব'ৰূমটোত থকা বহু পৰিমাণৰ যন্ত্ৰাংশ, আচবাব, নথিপত্ৰৰ উপৰি প্ৰায় দুই লাখ ৭০ হেজাৰ নগদ ধনো জুইত জাহ যায়। কে'বাকোটি টকাৰ সা-সম্পত্তি জাহ যোৱা এই অগ্নিকাণ্ডৰ কাৰণ বৈদ্যুতিক বিজুতি বুলিয়েই প্ৰাথমিক অৱস্থাত আশংকা কৰা হৈছে যদিও সেয়া এইপৰ্যন্ত নিশ্চিত নহয়। অগ্নিকাণ্ডৰ বিষয়ে জানিব পাৰি ডিলাৰটোৰ কৰ্মচাৰীয়ে ঘটনাস্থলীত উপস্থিত হৈ কিছু নথিপত্ৰ উদ্ধাৰো চেষ্টা চলায়। এই ভীষণ অগ্নিকাণ্ডৰ বিষয়ে আজি পুৱাই বিযপি পৰাত ঘটনাস্থলীত বহুসংখ্যক লোক উপস্থিত হয়হি। উল্লেখ্য যে ভস্মীভূত হোৱা ১৫খন বাহনৰ ভিতৰত ১১খন বাহনৰ একোখনৰ ন্যূনতম মূল্য প্ৰায় ১৪ লাখ টকা।

# শোণিতপুৰত ড্ৰাগছসহ ধৃত দুই

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৮ মার্চ ঃ** শোণিতপুৰৰ চাৰিদুৱাৰ আৰক্ষী থানাৰ অন্তৰ্গত খনামুখত আজি দিনৰ তিনি বজাত আৰক্ষীয়ে দুজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। এজন কিশোৰসহ দুজনক ২.৫৩০ গ্ৰাম ড্ৰাগছসহ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে উল্লেখ কৰা মতে, খনামুখৰ আমনিত এখন মটৰ চাইকেলত অহা যুৱক দুজনক সন্দেহজনক অৱস্থাত দেখি স্থানীয় একাংশ লোকে আৰক্ষীক খবৰ দিয়ে। পাছত চাৰিদুৱাৰ আৰক্ষীয়ে দুয়োকে সোধপোছ কৰাত তেওঁলোকৰ পৰা দুটা প্লাষ্টিক কণ্টেইনাৰত ড্ৰাগছখিনি উদ্ধাৰ কৰে। চাৰিদুৱাৰ থানাৰ আৰক্ষীয়ে সোধ-পোছ অব্যাহত থকা ধৃত দুজনৰ ভিতৰত এজনে নিজকে লেইকিথিং চিৰিং (২০) বুলি পৰিচয় দিয়াৰ বিপৰীতে আনজনৰ বয়স ১৭ বছৰ হোৱা বাবে তেওঁৰ পৰিচয় ৰাজহুৱা কৰাৰ পৰা বিৰত থাকে। উক্ত ঘটনা সন্দৰ্ভত অধিক অনুসন্ধান অব্যাহত ৰখা আৰক্ষীয়ে কয় যে নাবালকজনৰ ক্ষেত্ৰত সেই আইন অনুসৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব। উল্লেখ্য যে শোণিতপুৰত শেহতীয়াকৈ ভালেসংখ্যক ড্ৰাগছ সৰবৰাহকাৰী তথা ড্ৰাগছ ব্যৱসায়ীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। কিন্তু ইয়াৰ পাছতো এনে ঘটনা সংঘটিত হৈ থকাৰ লগতে বৰ্তমান নিষিদ্ধ সামগ্ৰীবিধৰ ব্যৱসায়ত নাবালকো জড়িত হৈ পৰা ঘটনাই সৰ্বসাধাৰণৰ মাজত উদ্বেগ বৃদ্ধি কৰিছে।

# জাগুনত বিদ্যুৎ পৰিবাহী তাঁৰত লাগি বনৰীয়া হাতীৰ মৃত্যু


**অগ্ৰদূত বাৰ্তা,**

**মাৰ্ঘেৰিটা, ২৮ মার্চ ঃ** বন ধ্বংসৰ ফলত ৰাজ্যৰ বিভিন্ন ঠাইত বিদ্যুৎস্পৃষ্ট হৈ বন্যহস্তীৰ মৃত্যু হোৱাৰ ঘটনা সংঘটিত হোৱাৰ মাজতো জাগুনত এটি বন্যহস্তীৰ বিদ্যুৎ পৰিবাহী তাঁৰত লাগি মৃত্যু হয়। তিনিচুকীয়া জিলাৰ ডিগবৈ বন সংমণ্ডলৰ অধীনৰ পেঙেৰী আঞ্চলিক বন বিষয়া কার্যালয়ৰ অধীনৰ খাতাংপানীত নিশাৰ ভাগত খাদ্যৰ সন্ধানত ওলাই অহা এটা বন্যহস্তীৰে কথাচেমা গাৱত বিদ্যুৎ পৰিবাহী তাঁঞৰত লাগি মৃত্যু হয়। উল্লেখ্য যে দ্ৰুতগতিত বনাঞ্চল ধ্বংস হৈ অহাৰ বাবেই তীব্ৰ খাদ্য সংকটত পৰি বন্যহস্তীয়ে কাষৰীয়া গাওঁ সমূহত প্ৰায়েই সন্ত্ৰাস চলাই আহিছে।স্থানীয় লোকে বন বিভাগৰ লোকক বহু বাৰ অৱগত কৰাৰ পাছতো কোনো সহাৰি নাপাই উপায়হীন হৈ বিদ্যুৎ পৰিবাহী তাঁৰ কোনো দুষ্ট চক্ৰই সংযোগ কৰি অহাৰ অভিযোগ উঠিছে। কালি খাদ্যৰ সন্ধানত ওলাই অহা বন্যহস্তীটোৱে বিদ্যুৎ পৰিবাহী তাঁৰত লাগি কৰুণভাৱে মৃত্যু আকোৱালি লয়।উল্লেখ্য যে পূৰ্বেও এনেদৰে গোপনে সংযোগ কৰা বিদ্যুৎ পৰিবাহী তাঁৰত লাগি হাতীৰ লগতে এজন লোকেও মৃত্যুক আকোৱালি লোৱা ঘটনাও সংঘটিত হৈছিল।

# বিষুৱাক আদৰিবলৈ প্ৰস্তুতি কোকৰাঝাৰ কোচ ৰাজবংশী জনগোষ্ঠী লোকৰ

**অগ্ৰদূত বাৰ্তা**

**চিথিলা, ২৮ মার্চ ঃ** পুৰণি বছৰৰ শেষত নতুনক আদৰিবলৈ প্ৰস্তুতি চলিছে ৰাজ্যজুৰি। ঠিক তেনেদৰে অসমৰ ভূমিপুত্ৰ কোচ ৰাজবংশী জনগোষ্ঠী লোকসকলেও বসন্তক আদৰাৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছে। ইতিমধ্যে কোকৰাঝাৰ জিলাৰ ভূৱন নগৰ গাঁৱত কোচ ৰাজবংশী জনগোষ্ঠীও লোকসকলে সমাগত বিষুৱাৰ বাবে তিনিদিনীয়া কাৰ্যসূচীৰে নৃত্য-গীতৰ কৰ্মশালা আৰম্ভ কৰিছে। কৰ্মশালাত প্ৰশিক্ষকৰূপে উপস্থিত থাকে জনপ্ৰিয় সংগীত শিল্পী জয়মতী ৰায় আৰু অনুকূল ৰায়। কোচ ৰাজবংশী জনগোষ্ঠীৰ নৱপ্ৰজন্মক উৎসাহিত কৰিবলৈ এই প্ৰচেষ্টা হাতত লোৱা হৈছে। ভুৱন নগৰ গাঁৱত অনুষ্ঠিত কৰ্মশালাত শতাধিক কোচ ৰাজবংশী জনগোষ্ঠীৰ কিশোৰ-কিশোৰীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰিছে আৰু সমাগত ব'হাগ বিহু তথা বিষুৱা মঞ্চত কোচ ৰাজবংশী কৃষ্টি-সংস্কৃতিসমূহ উপস্থাপন কৰিব। কৰ্মশালাত বাস নৃত্য, হুদুম নৃত্য, গোৱালনী নৃত্য, আদি নৃত্য প্ৰশিক্ষণ দিয়ে। যোৱা ২৬ মার্চৰ পৰা আৰম্ভ হোৱা কৰ্মশালাৰ সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলক এখনকৈ প্ৰমাণপত্ৰ প্ৰদান কৰে। সামৰণি অনুষ্ঠানত উপস্থিত থাকে স্থানীয় সমাজসেৱক ৰবীন্দ্ৰ নাথ ৰায়, দ্বীজেন্দ্ৰ নাথ বৰ্মন, লক্ষীকান্ত ৰায়, অকন ৰায় আদিয়ে।







### ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল ঃ দুগ'লত আগবাঢ়িও টাউনৰ ড্ৰ

# প্ৰথমটো দল ৰূপে ছেমিত ইণ্ডিয়া ক্লাব



**গুৱাহাটী, ২৮ মাৰ্চ ঃ** শিলচৰৰ ইণ্ডিয়া ক্লাবে চলিত ৬৮ সংখ্যক ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাত প্ৰথমটো দল হিচাপে ছেমিফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে দেশৰ অন্যতম আগশাৰীৰ ফুটবল প্ৰতিযোগিতা গোপীনাথ বৰদলৈ ট্ৰফীৰ আজি জজ খেলপথাৰত হোৱা গুৱাহাটী টাউন ক্লাব আৰু শিলচৰৰ ইণ্ডিয়া ক্লাবৰ মেচখন ২-২ গ'লত ড্ৰ ৰূপে সমাপ্ত হয়। ফলত ক্ৰমাগত তিনিখন মেচত অপৰাজেয় হৈ থকা শিলচৰৰ ইণ্ডিয়া ক্লাবে গ্ৰুপ 'এ'ৰ পৰা ছেমিফাইনেললৈ যোগ্যতা অৰ্জন কৰাটো নিশ্চিত হৈছে। ইয়াৰপূৰ্বে শিলচৰৰ ইণ্ডিয়া ক্লাবে নিজৰ প্ৰথম দুখন মেচত পৰাস্ত কৰিছিল বিগত বৰ্ষৰ চেম্পিয়ন বিদ্যুৎ পৰিষদ আৰু আই টি বি পি দলক। আজিৰ মেচত খেলৰ পাঁচ মিনিটতে ইণ্ডিয়া ক্লাবে আত্মঘাটি গ'ল হজম কৰিব লগা হয় যদিও গুৱাহাটী টাউন ক্লাবে ইয়াৰ সুযোগ ল'ব নোৱাৰিলে। প্ৰথমাৰ্ধলৈ গুৱাহাটী টাউন ক্লাবে এগ'লত আগবাঢ়ি থকাৰ পাছত ৫৯ মিনিটত জি টি চিৰ অগ্ৰগতি ২-০ কৰে পিংকুল বসুমতাৰীয়ে। কিন্তু সুন্দৰ ফৰ্মত থকা ইণ্ডিয়া ক্লাবৰ ষ্ট্ৰাইকাৰ ভি বিগনেছে ৬৫ আৰু ৭২ মিনিটত দুটাকৈ গ'ল কৰি মেচখন ড্ৰ কৰে লগতে দলৰ ছেমিফাইনেলৰ স্থান নিশ্চিত কৰে। উল্লেখ্য যে এইবাৰ প্ৰতিযোগিতাত অংশ লোৱা মুঠ ১৬ টা দলক চাৰিটা গ্ৰুপত ভাগ কৰা হৈছে আৰু প্ৰতিটো গ্ৰুপৰ শীৰ্ষ দলটোৱে ছেমিফাইনেলত প্ৰৱেশ কৰিব। গ্ৰুপ 'এ'ৰ চাৰিটা দল গুৱাহাটী টাউন ক্লাব, বিদ্যুৎ পৰিষদ, আই টি বি পি আৰু শিলচৰৰ ইণ্ডিয়া ক্লাব। অহা পহিলা এপ্ৰিলত বৰদলৈ ট্ৰফীৰ ছেমিফাইনেল দুখন হোৱাৰ বিপৰীতে তিনি এপ্ৰিলত অনুষ্ঠিত হ'ব ফাইনেল। উল্লেখ্য যে প্ৰতিযোগিতাৰ আয়োজক গুৱাহাটী ক্ৰীড়া সন্থাই এইবাৰ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ মেচ গুৱাহাটীৰ লগতে চিৰাং, ছিপাঝাৰ আৰু বাইহাটা চাৰিআলিতো অনুষ্ঠিত কৰিছে। ছেমিফাইনেলৰ বাকী চাৰিটা দল আহিব উক্ত তিনিখন চহৰৰ পৰা।



ৰাষ্ট্ৰপতিৰ পৰা পদ্মশ্ৰী গ্ৰহণ কৰিছে অলিম্পিক স্বৰ্ণজয়ী নিৰজে

## উত্তৰ-পূব যোৰহাট ক্ৰীড়া সন্থাৰ নতুন সমিতি গঠন

**ষ্টাফ ৰিপৰ্টাৰ, যোৰহাট, ২৮ মাৰ্চ ঃ** উত্তৰ-পূব যোৰহাট উপ ক্ৰীড়া সন্থাৰ দ্বি-বাৰ্ষিক সাধাৰণ সভাখন অলপতে বাহনা সৰ্বোদয় সংঘত অনুষ্ঠিত হয়। সন্থাৰ সভাপতি অমল বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত প্ৰয্যবেক্ষক ৰূপে উপস্থিত থাকে যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উপ-সভাপতি ঋতুৰাজ বৰা আৰু এথলেটিকছ বিভাগৰ সম্পাদক সুবোধ শইকীয়া। ৰূপকৰঞ্জন দত্তই আঁত ধৰা আৰু সম্পাদক হেমেন কুমাৰ হাজৰিকাই প্ৰতিবেদন পাঠ কৰা সভাত মধ্য চাৰিগাঁও গাঁও পঞ্চায়তৰ সভাপতি বুবুল চন্দ্ৰ দত্তই ক্ৰীড়া সন্থাৰ ভৱন নিৰ্মাণৰ কাৰণে সহযোগিতা আগ বঢ়াব বুলি ব্যক্ত কৰে। দুয়োজন প্ৰয্যবেক্ষকে জিলা ক্ৰীড়া সন্থাৰ শতবৰ্ষ, ক্ৰীড়াৰ উন্নতি,উপ ক্ৰীড়া সন্থাৰ অন্তৰ্গত ক্লাবসমূহ সক্ৰিয়কৰণৰ বিষয়ে বক্তব্য প্ৰদান কৰে। সমাজকৰ্মী ডিম্বেশ্বৰ বৰা, শিক্ষক বিদ্যুৎ কুমাৰ দত্ত প্ৰমুখ্যে বিভিন্নজনে বক্তব্য আগবঢ়ায়। সভাই ২০২২-২৪ বৰ্ষৰ বাবে অনুপ কুমাৰ দত্তক সভাপতি,ৰূপকৰঞ্জন দত্তক উপসভাপতি, হেমেন কুমাৰ হাজৰিকাক সম্পাদক আৰু প্ৰশান্ত বৰা,পৰীক্ষিত বৰাক ফুটবল বিভাগৰ সভাপতি,সম্পাদক,ৰাতুল কুমাৰ দত্ত,বিদ্যুৎ কুমাৰ দত্তক ভলীবল বিভাগৰ সভাপতি,সম্পাদক, নৱজ্যোতি শইকীয়া, প্ৰাঞ্জল শইকীয়াক এথলেটিকছ বিভাগৰ সভাপতি, সম্পাদকৰূপে লৈ ২১ জনীয়া সমিতি গঠন কৰে।

## দিল্লীৰ চি আই এছ এফ দলৰ বিৰুদ্ধে শোচনীয় পৰাজয় বডোচা স্পৰ্টছ ক্লাবৰ

অগ্ৰদূত বাৰ্তা

**দেওমৰনৈ, ২৮ মাৰ্চ ঃ** লোকপ্ৰিয় গোপীনাথ বৰদলৈ সোঁৱৰণী ৬৮ সংখ্যক বৰদলৈ ট্ৰফী ফুটবলৰ গ্ৰুপ 'চি'ৰ আজি অনুষ্ঠিত চতুৰ্থখন খেলত তিনিচুকীয়াৰ বডোচা স্পৰ্টছ ক্লাব শোচনীয় পৰাজয়ৰ সন্মুখীন হয়। দৰং জিলাৰ ঘিলাকুৰিস্থ জোনজ্যোতি আঞ্চলিক প্ৰগতি সংঘৰ খেলপথাৰত চলি থকা প্ৰতিযোগিতাৰ আজিৰ খেলত দিল্লীৰ চি আই এছ এফ দলে তিনিচুকীয়াৰ বডোচা স্পৰ্টছ ক্লাবক ৫-০ গ'লত হৰুৱাই ছেমিফাইনেলত প্ৰবেশ কৰাৰ দিশে অগ্ৰসৰ হৈছে। উল্লেখ্য যে খেলৰ ২০ আৰু ৬৭ মিনিটত বিজয়ী দলৰ কেপ্টেইন ৰাজদ্বীপ সিঙে দুটা গ'ল দিয়ে। আনহাতে, খেলৰ ৪০, ৪৮ আৰু ৭০ মিনিটত ক্ৰমে শক্তিমান ওৰাং, মনিন্দ্ৰ সিং আৰু মহম্মদ খালিবে এটাকৈ গ'ল দিয়ে। খেল পৰিচালনা কৰে ৰিপুনাথ গগৈয়ে। সহায় কৰে দেৱাশীশ মজুমদাৰ , জিগীৰ বড়োৱে আৰু চতুৰ্থ পৰিচালক হিচাবে থাকে মোবাৰক হুছেইন। আজিৰ খেলখন উদ্বোধন কৰে দৰং জিলা পৰিষদৰ সভাপতি ধীৰেন্দ্ৰ ডেকাই। কাইলৈ নগালেণ্ড পুলিচ আৰু বডোচা স্পৰ্টছ ক্লাবৰ মাজত খেল অনুষ্ঠিত হ'ব।



ইণ্ডিয়া ক্লাবত অনুষ্ঠিত টেনিছত বিজয়ীসকল।

## ইউনাইটেড চিৰাং এফ চিৰ অগ্ৰগতি

অগ্ৰদূত বাৰ্তা

**গৰুভাষা, ২৮ মাৰ্চ ঃ** চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী থাইকাজোৰাত চলি থকা ৬৮ সংখ্যক লোকপ্ৰিয় গোপিনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ 'ডি' গ্ৰুপৰ আজিৰ খেলত ইউনাইটেড চিৰাং দুৱাৰ এফ চিয়ে জয় অৰ্জন কৰিছে। স্থানীয় ৰাইন' ক্লাবৰ খেলপথাৰত অনুষ্ঠিত আজিৰ উত্তেজনাপূৰ্ণ খেলখনত চিৰাং দুৱাৰ এফ চিয়ে ছিলিং লাজং এফ চিক অন্তিমক্ষনত গ'ল দি ১-০ ত পৰাজিত কৰে। প্ৰতিদ্বণ্ডিতামুলক খেলখন বিৰতিলৈকে গ'লশূন্য ভাবে চলি আছিল। খেলৰ অন্তিম মুহূৰ্ত্তত (৯০ মিনিটত) চিৰাং দুৱাৰ এফ চিৰ হৈ টি আৰ্ছ টাইডে নিৰ্ণায়ক গ'লটো দি দলক প্ৰতিযোগিতাৰ প্ৰথমটো জয়ৰ সোৱাদ দিয়ে। খেলখন পৰিচালনা কৰে প্ৰেম নাৰ্জাৰীয়ে। লাইনত সহায় কৰে নৱজিৎ বসুমতাৰী আৰু পৱন চন্দ্ৰ ব্ৰহ্মাই । চতুৰ্থ ৰেফাৰী আছিল হীৰেন বৰ্মন। কাইলৈৰ খেলত ইউনাইটেড চিৰাং দুৱাৰ এফ চিয়ে অসম ৰেজিমেণ্টেল চেণ্টাৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।



## বিশ্বনাথ শৰীৰ চৰ্চা সন্থাৰ দেহশ্ৰী প্ৰতিযোগিতা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি , ২৮ মাৰ্চ ঃ** বিশ্বনাথ জিলা শৰীৰ চৰ্চা সন্থাৰ জিলা ভিত্তিক বাৰ্ষিক দেহশ্ৰী প্ৰতিযোগিতাখন বিশ্বনাথ চাৰিআলিৰ হিমালয় বিবাহ ভৱনত অনুস্থিত হয়। পুৰুষৰ দেহশ্ৰী প্ৰতিযোগিতাৰ শৰীৰৰ ওজন অনুসৰি তিনিটা শাখা, পুৰুষৰ ফিটনেচ মডেল প্ৰতিযোগিতাৰ উচ্চতা অনুসৰি দুটা শাখা আৰু মহিলাৰ ফিটনেচ মডেল প্ৰতিযোগিতাৰ এটা শাখাত প্ৰায় সত্তৰো অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। পুৰুষৰ ৫৫ কেজিৰ ওজনৰ ভিতৰৰ শাখাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে যাফ্ৰিড হুচেইন, ৰূপম চাউৰা, আৰু আজিমুদ্দীন আহমেদে। ৫৫ কেজি পৰা ৬০ কেজি ওজনৰ শাখাত ক্ৰমে চন্দন বৰা, দীপদাস পানিকা আৰু উত্তম বৰো। ৬০ কেজিৰ উৰ্ধৰ শাখাত ছাহিদুল ইছলাম, অজয় তাতি আৰু অনিত দাসে প্ৰথম দ্বিতীয় আৰু তৃতীয় স্থান অধিকাৰ কৰে। পুৰুষৰ ফিটনেচ মডেল খেলৰ ১৬৫ চেণ্টিমিটাৰ উচ্চতাৰ তলৰ শাখাত ক্ৰমে নয়নজ্যোতি হাজৰিকা, পৰাগ বাউৰি আৰু সুভম দে। আৰু ১৬৫ চেণ্টিমিটাৰৰ উচ্চতাৰ উৰ্ধৰ শাখাত ৰাজিব প্ৰধান, চন্দন বৰা আৰু চনম লামাৰ উপৰিও মহিলাৰ শাখাত ক্ৰমে মাইনা খাতুন, জিয়া চৰ্গিয়াৰি আৰু মধুস্মিতা বৰাই প্ৰথম দ্বিতীয় আৰু তৃতীয় স্থান অধিকাৰ কৰে। আনহাতে পুৰুষৰ দেহশ্ৰী খেলৰ তিনিওটা শাখাৰ প্ৰথম স্থান অধিকাৰ কৰা তিনিওজনৰ মাজত অনুস্থিত হোৱা চেম্পিয়ন খেল খনত যাফ্ৰিড হুচেইনে জয়ী হৈ মিষ্টাৰ বিশ্বনাথ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়। উক্ত প্ৰতিযোগিতাত বিচাৰক হিচাপে উপস্থিত থাকে আন্তঃৰাষ্ট্ৰীয় বিচাৰক পংকজ বৰা, সন্থাৰ সভাপতি দিলিপ বৰা আৰু সদৌ অসম দেহশ্ৰী সন্থাৰ বিষয়া অনন্ত গগৈ। অনুস্থানটি পৰিচালনা কৰে বিশ্বনাথ জিলা শৰীৰ চৰ্চা সন্থাৰ সম্পাদক নিত্য শৰ্মাই।

## বৰপেটাত ক্ৰিকেট ষ্টেডিয়ামৰ লগতে একাডেমীৰ আধাৰশিলা স্থাপন এ চি এৰ

বিশেষ সংবাদদাতা

**বৰপেটা, ২৮ মাৰ্চ ঃ** অসম ক্ৰিকেট সন্থাৰ অধীনত নামনি অসম ভিত্তিত বৰপেটাত স্থাপন কৰা হ'ব ক্ৰিকেট একাডেমী । বৰপেটাৰ উপৰিও ৰাজ্যৰ আন পাঁচ স্থানতো ক্ৰিকেট একাডেমী স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে অসম ক্ৰিকেট সন্থাই । অসম ক্ৰিকেট সন্থাৰ সম্পাদক দেৱজিৎ শইকীয়াই কালি বৰপেটাত এই কথা ঘোষণা কৰে । উল্লেখ্য যে বৰপেটা জিলাৰ ক্ৰিকেট খেলুৱৈ সকলক উপযুক্তভাৱে গঢ় দিয়াৰ পৰিকল্পনাৰে অসম ক্ৰিকেট সন্থাই বৰপেটাত স্থাপন কৰিবলৈ লৈছে এখন অত্যাধুনিক ক্ৰিকেট ষ্টেডিয়াম । বৰপেটাৰ বাৰাদিত ৰাজ্য চৰকাৰে আগবঢ়োৱা ২৫ বিঘা মাটিত নিৰ্মাণ কৰিবলৈ লোৱা ক্ৰিকেট ষ্টেডিয়ামখনৰ আজি আধাৰশিলা স্থাপন কৰা হয় । ক্ৰিকেট ষ্টেডিয়ামখনৰ আধাৰশিলা স্থাপন কৰি অসম



ক্ৰিকেট সন্থাৰ সম্পাদক দেৱজিৎ শইকীয়াই বৰপেটা জিলাই ৰাজ্যখনৰ ভিতৰতে ক্ৰিকেটৰ ক্ষেত্ৰত বিশেষ সফলতা অৰ্জন কৰিবলৈ সক্ষম হোৱাৰ কথা উল্লেখ কৰে । অসম ক্ৰিকেট সন্থাৰ অধীনত বৰপেটাৰ কেবাজনো ক্ৰিকেটাৰে বিভিন্ন দলত খেলি আহিছে । আনকি চলিত ৰঞ্জী ট্ৰফীৰ অসম দলত বৰপেটাৰ পৰাই চাৰিজনকৈ খেলুৱৈয়ে মুল দলত স্থান লাভ কৰিবলৈ সক্ষম হৈছে । বৰপেটাক ক্ৰিকেটৰ এক ক্ষেত্ৰ হিচাপে গঢ় দিয়াৰ বাবে বৰপেটাৰ বাৰাদিত স্থাপন কৰিবলৈ লোৱা ক্ৰিকেট ষ্টেডিয়ামখনৰ প্ৰথম পৰ্যায়ৰ নিৰ্মাণ অহা ডিচেম্বৰ মাহৰ ভিতৰত সম্পূৰ্ণ হৈ উঠাৰ আশা কৰা হৈছে । ইপিনে ৰাজ্যখনত ক্ৰিকেটৰ এক পৰিবেশ গঢ় দিয়াৰ উদ্দেশ্যে আৰু প্ৰতিভাৱান ক্ৰিকেট খেলুৱৈসকলক উলিয়াই অনাৰ বাবে অসম ক্ৰিকেট সন্থাই ৰাজ্যখনৰ প্ৰতিখন জিলাতে একোখনকৈ ক্ৰিকেট ষ্টেডিয়াম নিৰ্মাণৰ পৰিকল্পনাৰ কথাও সদৰি কৰে ।

## আই পি এলত আজি ছানৰাইজাৰ্ছ হায়দৰাবাদ-ৰাজস্থান ৰয়েলছৰ অভিযান

### আৰ চি বিৰ বিৰুদ্ধে পঞ্জাৱ কিংছৰ জয়

**মুম্বাই, ২৮ মাৰ্চ ঃ** চলিত আই পি এলৰ কাইলৈ হ'বলগা একমাত্ৰ মেচত মুখামুখি হ'ব দুই পূৰ্ব চেম্পিয়ন দল ছানৰাইজাৰ্ছ হায়দৰাবাদ আৰু ৰাজস্থান ৰয়েলছ। উল্লেখ্য যে ডি ৱাই পাটিল ষ্টেডিয়ামত হ'বলগা এই মেচত অংশ লৈ চলিত আই পি এলত অভিযান আৰম্ভ কৰিব ছানৰাইজাৰ্ছ হায়দৰাবাদ আৰু ৰাজস্থান ৰয়েলছ দলে। অসমৰ একমাত্ৰ আই পি এল খেলুৱৈ ৰিয়ান পৰাগে ৰাজস্থান ৰয়েলছ দলৰ হৈয়ে চলিত আই পি এলত পুনৰ খেলিব। ইফালে, যোৱানিশাৰ দ্বিতীয়খন মেচত পঞ্জাৱ কিংছ দলে পাঁচ উইকেটত পৰাস্ত কৰে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুক। পোনতে বেটিং কৰি ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলে ডুপ্লেছিছৰ ৮৮ আৰু বিৰাট কোহলিৰ ৪১ ৰাণৰ সহায়ত দুই উইকেটত ২০৫ ৰাণ কৰে। প্ৰত্যুত্তৰত, পঞ্জাৱ কিংছ দলে পাঁচ উইকেট ২০৮ ৰাণ কৰি জয় অৰ্জন কৰে। শিখৰ ধৱন আৰু ভানুকাই ৪৩ তথা মায়ংকে ৩২ ৰাণ কৰে।



### সৰ্বভাৰতীয় পি এছ পি বি টেনিছ

## পুৰুষৰ দলীয় ফাইনেলত অ' এন জি চি-আই অ' চি এল

**গুৱাহাটী, ২৮ মাৰ্চ ঃ** গুৱাহাটীৰ চচলত থকা অসম টেনিছ সন্থাৰ টেনিছ প্ৰকল্পত চলি আছে ৪০ সংখ্যক সৰ্বভাৰতীয় পি এছ পি বি টেনিছ প্ৰতিযোগিতা। আজি প্ৰতিযোগিতাৰ বিভিন্ন শাখাৰ ছেমিফাইনেল মেচসমূহ অনুষ্ঠিত হয়। পুৰুষৰ দলীয় শাখাৰ ছেমিফাইনেলত আই অ' চি এলৰ খেলুৱৈয়ে ২-০ ৰ ব্যৱধানত এন আৰ এলৰ খেলুৱৈক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। আনহাতে, এই শাখাৰ আন এখন ছেমিফাইনেলত অ' এন জি চিয়ে ২-০ ৰ ব্যৱধানত পৰাস্ত কৰে অইল দলক। অ' এন জি চিৰ হৈ খেলিছে যুকি ভামব্ৰি আৰু বিষ্ণু বৰ্দ্ধনে। ইফালে, প্ৰবীন শাখাৰ দলীয় ফাইনেল মেচ খন অইল আৰু এইছ পি চি এলৰ মাজত অনুষ্ঠিত হ'ব। অইলে ২-১ ৰ ব্যৱধানত পৰাস্ত কৰে এন আৰ এলক। আনহাতে, এইছ পি চি এল দলে ২-১ ৰ ব্যৱধানত বি পি চি এলক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।




## সৰ্বভাৰতীয় ৰেলৱে টেনিছ প্ৰতিযোগিতা



**গুৱাহাটী, ২৮ মাৰ্চ ঃ** গুৱাহাটীৰ মালিগাঁৱৰ উত্তৰ-পূৱ ৰেলৱেৰ টেনিছ প্ৰকল্পত চলি আছে ৬৭ সংখ্যক সৰ্বভাৰতীয় ৰেলৱে টেনিছ প্ৰতিযোগিতা। উল্লেখ্য যে ২৬ মাৰ্চৰ পৰা আৰম্ভ হোৱা সৰ্বভাৰতীয় ৰেলৱে টেনিছ প্ৰতিযোগিতাখন সামৰণি পৰিব অহা ৩০ মাৰ্চত। চাৰিদিনীয়া প্ৰতিযোগিতাত পুৰুষ আৰু মহিলা একক আৰু ডাবলছ শাখাৰ খেল অনুষ্ঠিত হৈছে। উল্লেখ্য যে দেশৰ মুঠ আঠটা ৰেলৱে মণ্ডলৰ টেনিছ খেলুৱৈয়ে গুৱাহাটীৰ মালিগাঁৱৰ উত্তৰ-পূৱ ৰেলৱেৰ টেনিছ প্ৰকল্পত চলি থকা টেনিছ প্ৰতিযোগিতাখনত অংশ লৈছে। খেলুৱৈৰ সংখ্যা ৫২ তথা পাঁচ বিষয়ববীয়া আছে উক্ত প্ৰতিযোগিতাত।

## ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলা জয় ৱেষ্টইণ্ডিজৰ

**ছেইণ্ট জৰ্জ, ২৮ মাৰ্চ ঃ** ৱেষ্ট ইণ্ডিজে ইংলণ্ডৰ বিৰুদ্ধে খেলা তিনিখনীয়া টেষ্ট শৃংখলাটো ১-০ ৰ ব্যৱধানত দখল কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে তিনিখনীয়া শৃংখলাৰ তৃতীয় তথা অন্তিমখন টেষ্টত বেষ্ট ইণ্ডিজে ১০ উইকেটত পৰাস্ত কৰে ইংলণ্ডক। টেষ্টখনত পোনতে বেটিং কৰা ইংলণ্ডে প্ৰথম ইনিংছ সামৰে মাত্ৰ ২০৪ ৰাণত। প্ৰত্যুত্তৰত, ৱেষ্ট ইণ্ডিজে প্ৰথম ইনিংছত ২৯৭ ৰাণ কৰি অগ্ৰগতি লয়। ইফালে, দ্বিতীয় ইনিংছতো বেটিং ব্যৰ্থতাৰ সন্মুখীন হোৱা ইংলণ্ডে ১২০ ৰাণতে অলআউট হয়। আনহাতে, ২৮ ৰাণৰ বিজয়লক্ষ্য পোৱা ৱেষ্ট ইণ্ডিজে দ্বিতীয় ইনিংছত কোনো উইকেট নেহেৰুৱাকৈ বিজয়লক্ষ্যত উপনিত হয়। ইয়াৰপূৰ্বে শৃংখলাৰ প্ৰথম দুখন টেষ্ট ড্ৰ ৰূপে সমাপ্ত হৈছিল। উল্লেখ্য যে ইংলণ্ডে বিজয়ৰ বাবে ৱেষ্ট ইণ্ডিজৰ সন্মুখত ২৮৬ ৰাণ লক্ষ্য দিয়াৰ পাছত ঘৰুৱা দলটোৱে দ্বিতীয় ইনিংছত সেয়া অনুসৰণ কৰি চাৰি উইকেটত ১৪৭ ৰাণ কৰাৰ সময়তে মেচখন ড্ৰ ৰূপে সমাপ্ত হয়। স্মৰ্তব্য



যে টেষ্টখনত ৱেষ্ট ইণ্ডিজে প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰিছিল যদিও দ্বিতীয় ইনিংছত সফল প্ৰত্যাৱৰ্তন কৰি ইংলণ্ডে নিজৰ পৰাজয় ৰোধ কৰিবলৈ সক্ষম হয়। আনহাতে, শৃংখলাৰ দ্বিতীয়খন মেচো ড্ৰ ৰূপে সমাপ্ত হয়। উল্লেখ্য যে ইংলণ্ডে অন্তিমদিনা জয়ৰ বাবে ৱেষ্টইণ্ডিজৰ সন্মুখত ২৮২ ৰাণৰ বিজয়লক্ষ্য ৰাখিছিল যদিও ঘৰুৱা দলটোৱে পাঁচ উইকেটত ১৩৫ ৰাণ কৰাৰ সময়তে মেচখন ড্ৰ ৰূপে সামৰণি পৰে। ইয়াৰপূৰ্বে টেষ্টখনত ইংলণ্ডৰ প্ৰথম ইনিংছৰ ৫০৭ ৰাণৰ প্ৰত্যুত্তৰত চতুৰ্থদিনা ৱেষ্ট ইণ্ডিজে ৪১১ ৰাণ কৰি প্ৰথম ইনিংছ সামৰে। প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰা ইংলণ্ডে দ্বিতীয় ইনিংছ আৰম্ভ কৰি ছয় উইকেটত ১৮৫ ৰাণ কৰি ইনিংছ ঘোষণা কৰে আৰু ৱেষ্টইণ্ডিজৰ সন্মুখত ২৮২ ৰাণৰ বিজয়লক্ষ্য দিয়ে। ক্ৰমাগত দুখন টেষ্ট ড্ৰ হোৱাৰ পাছত উভয় দলে লক্ষ্য লৈছিল তৃতীয় টেষ্ট জয় কৰা। ৱেষ্ট ইণ্ডিজ সফল হোৱাৰ বিপৰীতে ইংলণ্ডে এচেজৰ পাছত আৰু এটা শৃংখলা হেৰুৱালে।



অসম চৰকাৰ
পৰিবহণ বিভাগ
আৰু মাথো ২ দিন বাকী!
৩১ মাৰ্চ, ২০২২ ৰ
ভিতৰত আপোনাৰ বাহনৰ আদায় দিবলগীয়া পথ-কৰ পৰিশোধ কৰক।
আজিয়ে আপোনাৰ পথ-কৰ পৰিশোধ কৰক আৰু জৰিমনাৰ পৰা হাত সাৰক।
পথ-কৰ পৰিশোধ নকৰিলে
১০,০০০/- টকা জৰিমনা ভৰিব লাগিব।
নিৰ্দিষ্ট সময় উকলি যোৱাৰ পাছত প্ৰতি দিনৰ জৰিমনা ভৰিব লাগিব।
বাহনখন জব্দ কৰা হ'ব।
বকেয়া কৰ পৰীক্ষা কৰা আৰু অনলাইনযোগে পৰিশোধ কৰাৰ পদ্ধতিসমূহ
www.parivahan.gov.in ক্লিক কৰক
Online services'ত ক্লিক কৰক আৰু ড্ৰপডাউন মেনুৰ পৰা "Vehicle related services" বাছনি কৰক আৰু পৰৱৰ্তী পৃষ্ঠাত "Assam" ক ৰাজ্য হিচাপে বাছনি কৰক।
আপুনি আপোনাৰ বাহনৰ পঞ্জীয়ন নম্বৰ প্ৰবিষ্ট কৰাৰ পিছত "Proceed" ক্লিক কৰক। "Pay tax" ক্লিক কৰক আৰু পৰৱৰ্তী পৃষ্ঠাৰ বিৱৰণবোৰ পৰীক্ষা কৰক।
অ'টিপি সৃষ্টি কৰিবলৈ ম'বাইল নম্বৰ প্ৰবিষ্ট কৰক। "Submit" ক্লিক কৰক।
উল্লেখিত payment mode (ক্ৰেডিট / ডেবিট কাৰ্ড / ইণ্টাৰনেট বেংকিং / ইউ.পি.আই.)ৰ পৰা যিকোনো এটা বাছনি কৰক আৰু আপোনাৰ পথ-কৰ পৰিশোধ কৰক।
বাণিজ্যিক বাহনৰ দিবলগীয়া বৰ্তমানৰ আৰু বাকী পথ-কৰ অনতিপলমে জমা কৰক।
ব্যক্তিগত বাহন ক্ৰয়ৰ সময়ত যিসকলে ৫ বছৰৰ পথ-কৰ পৰিশোধ কৰিছিল, তেওঁলোকে অৱশিষ্ট ১০ বছৰৰ পথ-কৰ পৰিশোধ কৰক। (পথ-কৰ ম্যাদ উকলাৰ তাৰিখ আপোনাৰ ৰেজিষ্ট্ৰেচন চাৰ্টিফিকেটত লিখা থাকে)
পথ-কৰ পৰিশোধৰ আন পদ্ধতিসমূহ
জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ত PoS মেচিনৰ জৰিয়তে
নিকটতম CSC (কমন চাৰ্ভিছ চেণ্টাৰ)ত
জৰিমনাৰ পৰা হাত সাৰিবলৈ আপোনাৰ ম্যাদ উকলা যান-বাহনৰ নথিপত্ৰ যেনে ফিটনেছ চাৰ্টিফিকেট, ড্ৰাইভিং লাইচেঞ্চ ইত্যাদি অনতিপলমে নৱীকৰণ কৰক।
জনসংযোগ/ডি/১৮২৭২/২১
@TransportAssam 9531107518